# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE EIGHTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION OF
INDIA

## BUDGET SESSION

VOLUME—I

No 12

The 5th April, 1989

Price Rs. 32·60

CONTENTS

# BUDGET SESSION

## Volume— 1

## No: 12

Dated, the 5th April, 1989.


| | | Page |
|---|---|---|
| 1. | Questions And Answers | 1—54 |
| 2. | Miscellaneous Discussion During Zero Hour | 54—68 |
| 3. | Statement by the Minister | 68—74 |
| 4. | Announcement From the Chair | 74—75 |
| 5. | Call Attention Notice | 75—77 |
| 6. | Matter Under Rule - 301 | 77—81 |
| 7. | General Discusion On the Budget | 81-132 |
| 8. | Obituary Reference | 132 |
| 9. | Adjournment | 132 |
| 10. | Annexure (I. II. III. IV. V. VI ) | 133-174 |

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

Wednesday, April 5, 1989.

The House met at 9-00 A. M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

### STARRED

### QUESTIONS AND ANSWERS

( To which oral Answers were given )

বিষয় ঃ বন সংমণ্ডল বিভাগৰ জব্দ কাঠ।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ

*২০১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় বন সংমণ্ডল আৰু ডিগবৈ বন সংমণ্ডলৰ অধীনত বৰ্ত্তমান কিমান পৰিমানৰ জব্দ কাঠ আছে ?

(খ) এই জব্দ হৈ থকা কাঠবোৰ কিমান বছৰৰ পুৰণা আৰু বৰ্ত্তমান কিমান বিক্ৰীৰ উপযোগী হৈ আছে ?

(গ) উক্ত দুয়োটা বন সংমণ্ডলত জব্দ হৈ থকা কাঠৰ আনুমানিক মূল্য কিমান হব ?

(ঘ) তেনে জব্দ হৈ থকা কাঠ বিলাক বন বিভাগৰ জৰিয়তে Tender কৰি বিক্ৰী কৰাৰ ব্যৱস্থা কৰিব নেকি ?

(ঙ) উক্ত কাঠ বিলাক নষ্ট হোৱাৰ আগতেই চৰকাৰৰ ৰাজহৰ প্ৰতি লক্ষ্য ৰাখি অনতিপলমে বন বিভাগৰ জৰিয়তে Tender কৰি বিক্ৰীৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীযুত সুৰেন্দ্ৰ নাথ মেধি (বন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ডিব্ৰুগড় বন সংমণ্ডলত বৰ্ত্তমান ৪২০,১২১৬ ঘন মিটাৰ জব্দ কাঠ আছে। ডিগবৈ বন সংমণ্ডলত বৰ্ত্তমান ২৫৬৪,৩৪২ ঘন মিটাৰ জব্দ কাঠ আছে।

(খ) ডিব্রুগড় বন সংমণ্ডলত ১৯৮৫-৮৬ চনৰ পৰা এই কাঠখিনি আছে আৰু কিছুমান কাঠ সম্পূৰ্ণ নষ্ট হৈছে যদিওঁ কিছু অংশ বিক্ৰীৰ বাবে উপযোগী হৈ আছে। ডিগবৈ বন সংমণ্ডলত ১৯৮৪-৮৫ চনৰ পৰা এই কাঠখিনি পৰি আছে। কিছু অংশ সম্পূৰ্ণ নষ্ট হৈছে, বাকী অংশ বিক্ৰীৰ বাবে উপযোগী হৈ আছে।

(গ) উক্ত দুয়োটা বন সমণ্ডলত জব্দ হৈ থকা কাঠবোৰৰ মূল্য: ডিগবৈ সংমণ্ডলত মুঠ কাঠৰ মূল্য ২৫,০৭,৯৩৭,৬৪ টকা। ডিব্রুগড় সংমণ্ডলত জব্দ কৰা কাঠৰ মূল্য ১,৬৪,৭৮৫,৭৬ টকা।

(ঘ) হয় কৰা হৈছে।

(ঙ) চৰকাৰৰ নীতি অনুসৰি Timber disposal Advisory Committee ৰ দ্বাৰাওঁ বিক্ৰী কৰাৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীকুসুমৰ টাইৰাই গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পৰিপুৰক প্ৰশ্ন আছে। ১৯৮৪-৮৫ চনৰ পৰা কাঠখিনি জব্দ হৈ আছে। এই পাঁচ বছৰ জব্দ হৈ থকাৰ কাৰণ কি? এডভাইচৰী ডিচপোজেল কমিটিত কোন কোন সদস্য আছে।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সাধাৰণতে চোৰাং কাঠ জব্দ কৰি ৰখা হয়। সেয়েহে ডিব্রুগড় বন সংমণ্ডল আৰু ডিগবৈ বন সংমণ্ডলত জব্দ কৰি ৰখা হৈছে। এডভাইচৰী ডিচপোজেল কমিটি জিলাৰ উপায়ুক্ত, পুলিচ অধীক্ষক আৰু বন সংমণ্ডল প্ৰাধিকাৰীক লৈ গঠন কৰা হৈছে।

শ্ৰীকুসুমৰ টাইৰাই গগৈ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা পাঁচ বছৰে টেণ্ডাৰ দিব পৰা নহল, ইয়াৰ কাৰণ কি জানিব বিচাৰিছো?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বিভিন্ন কাৰণত কাঠ খিনি বিক্ৰী কৰিব পৰা হোৱা নাছিল যদিও এতিয়া বিক্ৰী কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে আৰু বিক্ৰী হৈ আছে।

শ্ৰীকুসুমৰ টাইৰাই গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো যে ডিগবৈ সংমণ্ডলত ২৫,০৭,৯৩৭'৬৪ টকা আৰু ডিব্রুগড় সংমণ্ডলত ১,৬৪,৭৮৫'৭৬ টকাৰ কাঠ জব্দ হৈ আছে। ডিগবৈ আৰু

ডিব্ৰুগড় বন সংমণ্ডলত ৰিজাৰ্ভ আছে আৰু প্ৰতি ১০ লাখ টকা জব্দ হৈছে। এই ক্ষেত্ৰত তদন্ত কৰি ৪০/৫০ হেজাৰ টকাৰ টেণ্ডাৰ কৰিব নে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ডিগবৈ সংমণ্ডলত মুঠ মূল্য ২৫,০৭,৯৩৭,৬৪ টকাৰ কাঠ আছে। এইটো ভুল তথ্য বুলি অভিযোগ কৰিছে। গতিকে কোন সংমণ্ডলত কিমান কাঠ আছে এইটো কৈ দিলে মই তদন্ত কৰিম।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : মাননীয় অধ্যক্ষ মহোদয়, ডিগবৈত বৰজান, কঠালগুৰি, লক্ষীপথাৰ, বৰডুমচা, পেঙেৰী আদি ৰিজাৰ্ভ আছে আৰু ডিব্ৰুগড়তো জয়পুৰ, জকাই, ৰাঙলী আদি ৰিজাৰ্ভ আছে। যোৱা পাঁচ বছৰে টেণ্ডাৰ নকৰাৰ কাৰণে কাঠখিনি নষ্ট হৈ যোৱা বুলি মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে। এতিয়া টেণ্ডাৰ দিব পৰা সম্ভৱ হব নেকি?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যিহেতু অভিযোগ উঠিছে আমি ইতিমধ্যে অনুসন্ধান কৰিবলৈ দিছো। ক'ত কিমান কাঠ আছে অনুসন্ধান কৰি ব্যৱস্থা হাতত লম।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, ২৬ লাখ টকাৰ কাঠ জব্দ হৈ আছে। তাৰ কিছু পৰিমাণে নষ্টও হৈছে। অকল ডিব্ৰুগড় জিলাতেই নহয়, সমগ্ৰ অসমতে লাখ লাখ টকাৰ কাঠ নষ্ট হৈ আছে। গতিকে ডিব্ৰুগড় জিলাতেই নহয় সমগ্ৰ অসমৰ যিমান কাঠ আছে সেই মন্ত্ৰী মহোদয়ে তদন্ত কৰিব লাগে আৰু তাৰ পৰা যিহেতুকে ৰাজহ সম্পৰ্কে সংগ্ৰহ হয় তাক বিক্ৰী কৰিব লাগে।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো মই ব্যৱস্থা লম।

Shri Charan Narzary : Mr. Speaker Sir, this is not an isolated case. Similar cases have been found in other Divisions also. What is happening is a great loss to the revenue of the State and the State is incurring enormous loss to the tuns of crores of rupees, For example, to-day what is happening in Kokrajhar

district-all the forest Beat and Range office buildings have been burnt down or destrayed and the forest officials have fled away from all the reserve forests. Heavy stock of seized timbers is lying here and there and these tim bers are getting rotten. The Government is not taking any step for sale of these timbers. So, whether the Government will take immediate step for the sale of the seized timbers in all the Divisions throughout the State immediately ?

**Shri Surendra Nath Medhi** (Minister, Forest) : Sir, I have already stated that enquiry will be hold and proper action will be takan for disposal of all logs now lying in different Ranges and different Divisions.

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে টেণ্ডাৰ দিয়া হব। এতিয়া কৌটি কৌটি টকাৰ বস্তু পৰি আছে। মন্ত্ৰী মহোদয়ে জনাব নে ফাইনেনছিয়েল পাৰ্‌টিক কাক দেলিগেট কৰা হব ? চি, চি, এফ, ক নে কাক দায়িত্ব দিয়া হব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ১৯৭৭ চনৰ আমাৰ নিয়মাৱলী আছে। তাত কাৰ কিমান ফাইনেনছিয়েল পাৱাৰ আছে লিপিবদ্ধ কৰা হৈছে। সেই হিচাবে বিভিন্ন ফাইনেনছিয়েল পাৱাৰৰ অথ'ৰিটি দিয়া হয়।

শ্ৰীভবেন নাৰ্জ্জী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে বিশেষ এক শ্ৰেণীৰ ৰাজনৈতিক লোকে বিশেষ এক শ্ৰেণীৰ সম্প্ৰদায়ক ৰিজাৰ্ভৰ ভিতৰত সোমাবলৈ নিৰ্দ্দেশ দিয়ে আৰু গছ-গছনি কাটিবলৈ উচটনি দিয়ে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেনেকুৱা অৰশ্যে অভিযোগ আমি পোৱা নাই। কিন্তু চোৰাং বেপাৰ যি চলি আছে এইটো সত্য। চোৰাং বেপাৰীক বন্ধ কৰাৰ কাৰণে আমি চেষ্টাও চলাই আছো।

## Re: TRANSFER OF P. W. D. ROAD

**Shri Digendra Purkayastha asked :**

*202. Will the Minister, P.W.D. be pleased to state :

(a) Whether Government received any representation for transferring the Brojalenga and Dwarbond PWD (Roads)section in Silchar Civil Sub-Division which are now under Hailakandi PWD (Roads) Division ?

(b) If so, what steps the Government have taken for transferring those two Sections from Hailakandi to Silchar PWD Division ?

(c) If not, will the Government take immediate steps for transferring those Sections in public interest ?

শ্রীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) শিলচৰ আৰু হাইলাকান্দি গড়কাপ্তানি সংমণ্ডল দুটাৰ ৰাস্তাৰ মুঠ দৈৰ্ঘ্য বিবেচনা কৰি আৰু যিহেতু গড়কাপ্তানী বিভাগৰ শাখা মহকুমা ভিত্তিত স্থাপন কৰা নহয়, গতিকে এই ক্ষেত্ৰত বদলা-বদলিৰ দৰ্কাৰ নহব।

(গ) 'খ' ৰ উত্তৰত প্ৰশ্ন নুঠে।

Shri Digendra Purkayastha : Mr. Speaker, Sir, I have been trying to raise this question for the last 3 Sessions. Sir, we are facing lots of difficulties as the Division is located at Hailakandi and from Silchar we cannot contact the Engineers who stay at Hailakandi. The condition of the roads is beyond description and I apprehend that during the next rainy season all the roads will be closed. So, may I request the Hon'ble Minister to take

action or give assurance that he will transfer this section to Silchar Sub-division immediately.

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই চেকচন কেইটা এটা ডিভিজনৰ পৰা আন এটা ডিভিজনলৈ নিয়া কথাটো সম্ভৱ নহয়। হাইলাকান্দিৰ যিটো ৰোড (length) লেনথ, সেই ৰোড লেনথটো যদি শিলচৰ ডিভিজনলৈ লৈযোৱা হয় তেতিয়া হাইলাকান্দিৰ ৰোড লেনথ কমি যাব আৰু হয়তো ডিভিজনটোৰ একজিচটেঞ্চ নাইকীয়া হৈ যাব আৰু তেতিয়া হয়তো ডিভিজনটো উঠি যাবলগীয়া হব পাৰে। ৰাস্তাৰ মেৰামতিৰ কাম কৰাৰ কাৰণে চেষ্টা কৰি থকা হৈছে।

Shri Abdul Muhib Mazumdar : Mr. Speaker, Sir, while the roads should be improved, the office should not be transferred from Hailakandi—can this not be done ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : ৰাস্তা উন্নয়ন কৰাৰ দায়িত্ব আমাৰ আছে আৰু সেই দায়িত্ব পালন কৰি আহিছো কিন্তু পুজিৰ অভাবৰ কাৰণে আচলতে কাম হোৱা নাই। এইবাৰ আমি এনুৱেল ৰিপেয়াৰিংৰ কাৰণে মাত্ৰ ৩ কোটি টকাও নাপালো, সেই কাৰণে যিমানখিনি ৰাস্তা হব লাগিছিল সেইখিনি হোৱা নাই। তথাপি মাননীয় সদস্য সকলৰ আশা পূৰণ কৰাৰ চেষ্টা কৰি আছো।

বিষয় : নোৱা নদীৰ পকা দলং

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে সুধিছে :

*২০৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? মঙ্গলদৈ গড়কাপ্তানী সংমণ্ডলৰ (পথ) অন্তৰ্গত টংলা ভূটিয়াচাং পথৰ কলাইগাওঁ নোৱা নদীৰ পকা দলং খনিৰ (R C C) কাম আৰম্ভ নকৰাৰ কাৰণ টো কি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

প্ৰকল্পিত দলংখনৰ স্থানৰ চূড়ান্ত সিদ্ধান্ত নোহোৱা বাবে আৰু সংশোধিত প্ৰাক্-কলন পৰীক্ষাধীন হৈ থকাৰ বাবে পকী দলংখনৰ নিৰ্মানৰ কাম আৰম্ভ কৰিব পৰা হোৱা নাই।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো প্ৰাক-কলন কেতিয়া প্ৰস্তুত হব আৰু কাম কেতিয়া কোন দিনাৰ পৰা আৰম্ভ হব। সবিশেষ জনাব নে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যি ঠাইত প্ৰথম অৱস্থাত দলংখন নিৰ্ম্মান কৰিবলৈ বিছৰা হৈছিল সেই ঠাইত স্থানীয় ৰাইজে আৰু যুৱ-ছাত্ৰ সংগঠনে বাধা দিয়া কাৰণে আমি যি সময়ত আৰম্ভ কৰিব লাগিছিল সেই সময়মতে আৰম্ভ কৰিব নোৱাৰিলো। এতিয়া নতুন প্ৰাক-কলন কৰোতে কিছু সময় লাগিব।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী : কালাইগাওঁৰ ৰাইজে আপত্তি কৰিছিল যে দলংখনৰ টাউনৰ মাজেৰে যোৱাতকৈ অৰ্থাৎ উত্তৰেদি নিদি দক্ষিণ কালেদি এলাইনমেণ্ট দিব লাগে, গড়কাপ্তানী মন্ত্ৰী মহোদয়ে ৰাইজৰ এই পৰামৰ্শ লুই কৰে নেকি ?

শ্ৰীঅতুল বৰা : অধ্যক্ষ মহোদয়, এই দলংখন লৈ কেইবাটাও সংগঠনে বিভিন্ন ধৰণৰ মতামত দিলে। যুৱ-ছাত্ৰ পৰিষদ, ছাত্ৰ সন্থা, বজাৰ সমিতি, স্থানীয় ৰাইজ আৰু স্থানীয় বিধায়কৰ মতৰ মাজত টনা অজোৰা লাগিল। মাননীয় সদস্যই ঠিকেই পৰামৰ্শ দিছিল। ইতিমধ্যে স্থানীয় ৰাইজে ঘৰ-দুৱাৰ বন্ধা আৰম্ভ কৰিলে, চাহ বাগিছাই প্লেনটেচন আৰম্ভ কৰিলে। সেই কাৰণে এই অৱস্থাৰ সৃষ্টি হৈছে। এই বিষয়ে মাননীয় সদস্যৰ লগত মই বহুবাৰ আলোচনা কৰিছো।

**Re : Allocation for Agriculture Department.**

Shri Binai Khungur Basumatari asked :

*204. Will the Minister, Agriculture be pleased to state.

(a) The amount allocated to Agriculture Deptt. from Tribal Sub-plan for the year 1887—'88 ?

(b) Whether it is fact that this amount could not be spent and was returned/refunded to Central Government. ?

(c) If not, where is the fund lying at present.

Shri Deba Kumar Bora (Minister, Agriculture) replied :

(a) Rs. 415.00 lakhs was allocated for Tribal Sub-Plan in the year 1987-'88.

(b) The entire amount of Rs. 415.00 lakhs earmarked for the Tribal Sub-Plan during the year 1987-'88 was spent.

(c) Does not arise.

**Re: Number of Bridges.**

Shri Golok Rajbangshi asked :

*205. Will the Minister P.W.D. be pleased to State :

(a) How many wooden bridge are there on the P.W.D. Road which starts from Kalokuchi and ends at Bhalukpung (via Rangapara and Charduar) ?

(b) Is there any survey of vehicles plying on this road daily has been undertaken ?

(c) Whether the present condition of the wooden bridges on the road are safe for plying such number of vehicles ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পাঁচ খন।

(খ) হয়।

(গ) ওজনৰ অনুজ্ঞেয় সীমাৰ ভিতৰত থকা যান বাহনৰ চলাচলৰ বাবে দলংবোৰ নিৰাপদ।

শ্ৰীগোলক ৰাজবংশী : অধ্যক্ষ মহোদয়, এই দলংখনৰ চাৰ্ভে হৈছিল নেকি ? দেইলী কিমানখন গাড়ী অহা যোৱা কৰে আৰু কিমান টন ওজনৰ ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কোনো সময়ত সেইখন দলংৰ ওপৰেদি সামৰিক বাহিনীৰ বেছি ওজন থকা গাড়ী পাৰ হয়, দলংখন

কিন্তু তেওঁলোকৰ গাড়ী পাৰ হ'ব পৰাকৈ উপযুক্ত নহয়। কিন্তু সেইকালে সামৰিক বাহিনীৰ ঘাটি থকা কাৰণে তেওঁলোকে সেই ফালেদিয়ে যাবলগীয়া হয় আৰু বেছি ওজনৰ আন আন তুই এখন গাড়ীও যায়।

শ্ৰীগোলক ৰাজবংশী : দলংখনৰ কেপাচিটিতকৈ বেছি ওজনৰ সামৰিক বাহিনীৰ বা অন্য গাড়ী অহা যোৱাৰ কাৰণে কেতিয়াবা গাড়ী মানুহে একেলগে নদীত সোমাই গলে তাৰ দায়িত্ব কোনে লব ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই দলং কেইখনৰ এখন আৰ, চি, চি কৰাৰ কাৰণে মঞ্জুৰ হৈছে আন এখনৰ কাৰণে কেন্দ্ৰৰ লগত ধন পোৱাৰ কাৰণে চেষ্টা চলাই থকা হৈছে। এতিয়া কথা হ'ল সামৰিক বাহিনী বা অন্য তুই এখন গাড়ী মনে মনে দলংখনৰ কেপাচিটি নাই বুলি জানিও যদি চিভিক চেঞ্চ নোহোৱাকৈ অহা যোৱা কৰি থাকে তাৰ দায়িত্ব বিভাগে লোৱাটো অসুবিধা হব।

শ্ৰীগোলোক ৰাজবংশী : যিহেতু সামৰিক বাহিনীৰ বেছি ওজনৰ গাড়ী যোৱা দলংবোৰ তুৰ্বল, গতিকে এন, ই, চিয়ে ৰাস্তাটো লবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা অনুৰোধ কৰিব নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : এটা অংশ চাৰিতুৱাৰ ভালুকপুং পথত চি,পি,ডব্লি-দিয়ে লৈছে। বাকী অংশ গড়কাপ্তানী বিভাগে লৈছে। এন,ই,চিৰ ফাণ্ড বাকী অংশৰ কাৰণে বিচাৰিব পাৰি। সীমান্ত অংশৰ ৰাস্তাৰ বাবে পৰামৰ্শটো বিবেচনা কৰা হব।

## বিষয় : হাজো নলবাৰী গড়কাপ্তানী পথ

শ্ৰীকামাখ্যা চৰণ চৌধুৰীয়ে সুধিছে :

*২০৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গড়কাপ্তানী পথত সঘনাই বাছ তুৰ্ঘটনা আদি হৈ থকাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, এই পথটো বহল কৰাৰ বাবে কিবা ব্যৱস্থা লৈছেনে ?

(গ) এই গুৰুত্বপূৰ্ণ পথটো তৎকালীন ভাৱে ৰাষ্ট্ৰীয় ঘাই পথলৈ উন্নতি কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই পথত মাজে মাজে দুৰ্ঘটনা হোৱা কথাটো সত্য। কিন্তু সঘনে দুৰ্ঘটনা হোৱা কথাতো সত্য নহয়। দুৰ্ঘটনা হোৱাৰ কাৰণ মুলতঃ গাড়ী চালকৰ অসাৱধানতা আৰু যানবাহন চলোৱাৰ নিৰাপত্তা সম্বন্ধে নিৰ্দ্ধাৰিত কৰা নিয়মবোৰ পালন নকৰা।

(খ) পৰ্য্যায়ক্ৰমে এই পথ বহলোৱাৰ কাম হাতত লৈ থকা হৈছে।

(গ) এই পথটো ৰাষ্ট্ৰীয় ঘাই পথলৈ উন্নতি কৰাৰ কথা চিন্তা কৰা হোৱা নাই, কিন্তু ৰাজ্যিক ঘাই পথলৈ উন্নতি কৰিবলৈ পৰ্য্যায়ক্ৰমে ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীকামাখ্যাচৰণ চৌধুৰী : 'ক' অংশত সঘনাই নোহোৱা বোলা প্ৰশ্নোত্তৰত সুধিব খুজিছো। মন্ত্ৰী মহোদয়ে জনাবনে যে ইং ৬-১০-৮৮ তাৰিখৰ চৰাবড়িত শোকাবহ দুৰ্ঘটনা, ইং ২৬-১০-৮৮ তাৰিখে বৰগাঁৱৰ গেৰুৱাত আৰু ইং ১৮-১১-৮৮ তাৰিখত বৰ্ণিৰ ওচৰত হোৱা দুৰ্ঘটনা সঘনাই হোৱা দুৰ্ঘটনা নহয় নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : আচলতে সঘনাই হৈছে বা নহৈছে সেই কথাটোৰ প্ৰশ্ন নহয়। প্ৰশ্ন হব লাগে বিভাগে কি ব্যৱস্থা লৈছে, দলং সমূহ পকী কৰাৰ বাবে, ৰাস্তা বহল কৰা ইত্যাদিৰ ব্যৱস্থা লৈছে।

শ্ৰীকামাখ্যাচৰণ চৌধুৰী : নলবাৰী-গুৱাহাটী পথৰ ৩১, ৩২ কিলোমিটাৰত পথ উন্নত কৰাৰ ব্যৱস্থা লোৱাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু লগতে এইটো কথা কব খোজো শৰাইঘাট দলঙৰ পৰা হাজোলৈ যোৱা পথত আজ্ঞাথুৰিত গাইদ পোষ্ট নোহোৱা হৈছে আৰু তাৰ বাবে সিদিনা দুৰ্ঘটনা হৈছে। কাৰণ পৰ্ব্বতৰ কাষটো ব্ৰহ্মপুত্ৰৰ কাষলৈ ওলাই আছে। সেয়ে আজ্ঞাথুৰিৰ পাহাৰৰ কাষতো গণেশ মন্দিৰলৈ কটা আৰু হাজো-পাশামেলাৰ ওচৰত সুৰেণ দাস মহাবিদ্যালয়লৈ যোৱা পথটোৰ ঠেক অংশ সোণকালে বহল কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মোৰ প্ৰশ্নোত্তৰত কৈছো যে ৰাজ্যিক হাই-ওৱে কৰা হব, গতিকে পৰ্য্যায়ক্ৰমে বহল হব। ৰাজ্যিক ঘাই পথলৈ ৰূপান্তৰিত কৰিলে নিয়ম মতে বহলৰ কাম হব। আশা ৰাখিছো যিমান সোণ-কালে পৰা যায় পৰ্য্যায়ক্ৰমে ঘাই পথলৈ ৰূপান্তৰিত কৰিব পাৰিম।

বিষয় ঃ ডিব্ৰুগড় সংমণ্ডলৰ দলং

শ্ৰীভৰেন বৰুৱাই সুধিছে :

*২০৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড সংমণ্ডলৰ অধীনত দলং (কাঠৰ) আৰু কালভাৰ্ট নথকা কিমানতা ৰাস্তা আছে আৰু এই ৰাস্তা সমূহৰ নাম কি ?

(খ) উক্ত ৰাস্তা সমূহৰ ওপৰৰ দলং ও কালভাৰ্ট সমূহ সোনকালে নিৰ্ম্মান কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ডিব্ৰুগড় সংমণ্ডলৰ অধীনত দলং আৰু কালভাৰ্ট নথকা ৰাস্তা নাই।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীভৰেন বৰুৱা : ডিব্ৰুগড়ৰ পৰা তিনিচুকীয়ালৈ যোৱা এটা পথ আছে তাৰ কেইবাখনো দলং অনুপযোগী হোৱা কথাটো জানে নে ? বিভাগে কেনে ধৰণৰ উত্তৰ দিছে ধৰিব পৰা নাই। গতিকে এইটো অনুসন্ধান কৰি চাবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : প্ৰশ্ন সুধিছিল ডিব্ৰুগড় সংমণ্ডলৰ অধীনৰ কিমানটা কালভাৰ্ট আছে ? উত্তৰ দিছো, ডিব্ৰুগড় সংমণ্ডলৰ অধীনত দলঙৰ কালভাৰ্ট নাই। ৰাস্তাটোত কেইখন দলং বেয়া বা অনুপযোগী হৈ আছে বুলি কব লাগিছিল। ১৫ খন দলং বেয়া হৈছে, তিনিখন বানপানীয়ে নষ্ট কৰাৰ বাবে বন্ধ কৰি দিয়া হৈছে। পইচা নোহোৱাৰ বাবে পথ বন্ধ ৰখা হৈছে। নহলে দুৰ্ঘটনা হোৱাৰ পিছত বিভাগক দোষাৰূপ কৰিব।

**Re: Money sanctioned for Tribal Development.**

Sri Abdul Muqtadir Choudhury asked :

*208. Will the Minister, W.P.T & B. C. be pleased to state :

(a) Amount of money sanctioned for Tribal Development Authority in 1985-86, 1986-87, 1987-88, and 1988-89 the amount remained unspent till date with accummulated and ated amount ?

(b) Amount of interest acrued in the Bank in 1987-88 & 1988-89 till date from the amount deposited by the said Authority ?

Sri Durga Das Boro (Minister of state, W. P. T. & B. C.) replied :

(a) Amounts sanctioned by the Government to the Assam Tribal Development Authority annually are as follows :

| | |
|---|---|
| 1985-86 | Rs. 65.12 Lakhs |
| 1986-87 | Rs. 138.72 Lakhs |
| 1987-88 | Rs. 146.00 Lakhs |
| 1988-89 | Rs. 241.36 Lakhs |

As regards 1988–89, out of the amount of Rs. 241.36 lakhs, Rs. 220.36 lakhs was sanctioned on 16.3.89 and kept in civil deposit as per instruction of Finance Deptt. and balance Rs. 21.00 lakhs was sanctioned on 27.3.89.

Amount remaining unspent is Rs. 4,36,26,636.88 as on 21.3.89. This sum includes acrued interest and other revenue receipts etc, earned by the Assam Tribal Development Authority.

(b) The Assam Tribal Development Authority has earned interests on its deposit in Nationalised Banks as follows :

| | |
|---|---|
| 1987-88 | Rs. 19,40,675.85 |
| 1988-89 | Rs. 30,05,836.39 till 21.3.89. |

বিষয় ঃ কৃষি বিশ্ববিদ্যালয়ৰ বিভিন্ন দিশ ।

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

*২০৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাৰ পৰা ৰাজ্য চৰকাৰে কৃষি বিশ্ববিদ্যালয়ৰ বিভিন্ন দিশৰ উন্নয়নৰ বাবে কিমান পৰিমানৰ ধন ১৯৮৯ চনৰ ৩১ মাৰ্চলৈ খৰচ কৰিছে ?

(খ) অসম কৃষি বিশ্ববিদ্যালয়ে অসমত কৃষি সম্প্ৰসাৰণ দিশত কি কি ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে ?

(গ) অসমৰ সৰ্বসাধাৰণ কৃষকে অসম কৃষি বিশ্ববিদ্যালৰ পৰা কৃষিৰ ক্ষেত্ৰত কি সুবিধা পাইছে ?

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কৃষি বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱা দিনৰ (১৯৬৯-৭০) পৰা ১৯৮৮-৮৯ চনলৈকে খৰচ কৰা ধনৰ পৰিমাণ ৫,৩৯২,৯০ লাখ টকা।

(খ) অসম কৃষি বিশ্ববিদ্যালয়ে অসমত কৃষি সম্প্ৰসাৰণৰ দিশত নিম্নলিখিত ভূমিকা সমূহ পালন কৰি আহিছে।

১। পাম পৰামৰ্শ সেৱা।

২। প্ৰশিক্ষণ।

৩। প্ৰদৰ্শন।

৪। তথ্য আৰু জনসংযোগ।

৫। প্ৰদৰ্শন, কৃষক মেলা আৰু ছায়াছিত্ৰ প্ৰৰ্দশণ।

৬। কৰ্ম্মশালা আৰু আলোচনা চক্ৰ।

(গ) অসমৰ সৰ্ব্বসাধাৰণ কৃষকে অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা কৃষিৰ ক্ষেত্ৰত নিম্নলিখিত সুবিধা সমূহ পাই আহিছে।

১। ৰাষ্ট্ৰীয় প্ৰৰ্দশন আঁচনি।

২। গৱেষনাগাৰৰ পৰা পথাৰলৈ সকলো ধৰণৰ পৰামৰ্শ।

৩। অনুসুচিত জাতি আৰু পিছপৰা শ্ৰেণীৰ উন্নয়ন আঁচনি।

৪। স্তুপিকৃত গ্ৰাম্য উন্নয়ন আঁচনি (Cluster village programme).

৫। ৰাষ্ট্ৰীয় তৈল বীজ আঁচনি আৰু

৬। কৃষি বিজ্ঞান কেন্দ্ৰ।

উক্ত আঁচনি সমূহৰ যোগেদি কৃষক সকলক আধুনিক কৃষি পদ্ধতি, পশুপালন, মৎস পালন আৰু গাৰ্হস্থ্য বিজ্ঞানৰ ওপৰত প্ৰশিক্ষণ

দিয়া হয় আৰু প্ৰদৰ্শনমূলক কাৰ্য্য ব্যৱস্থা লোৱা হয়।

শ্ৰীদেৱেশ্বৰ বৰা : মই জানিব বিচাৰিছো যে অসম কৃষি বিশ্ববিদ্যালয়ে অসমত বানপানী হোৱাৰ পিছত অধিক পৰিমাণৰ বতৰৰ ধানৰ বীজৰ গৱেষণা কৰি সুকীয়া পৰামৰ্শ আগবঢ়াইছে নেকি ?

শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) : অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণাৰ এটা বিশেষ কাৰ্য্যসূচী আছে। কৃষি সমস্যাৰ ওপৰত গৱেষণা আৰু উদ্ভাৱনমূলক পৰামৰ্শ দিবৰ কাৰণে আৰু অসম কৃষি বিশ্ববিদ্যালয়ে অসমৰ কৃষি পথাৰৰ উপযোগী বিভিন্ন প্ৰযুক্তি কৌশলৰ পৰামৰ্শ আহিছে। বানপানী সমস্যাৰ লগত সঙ্গতি ৰাখি বতৰ আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ লগত মোকাবিলা কৰিব পৰাকৈ নতুন পদ্ধতি উদ্ভাৱনৰ প্ৰচেষ্টা চলাই আছে।

শ্ৰীভবেন নাৰ্জী : মাননীয় অধ্যক্ষ মহোদয়, মই এইটো কথা জানিব বিচাৰিছো যে পুহ মাহৰ পৰা চ'ত মাহৰ ভিতৰত খেতি কৰিব পৰা কিবা ধানৰ বীজ আবিষ্কাৰ কৰা হৈছে নেকি ? যদি তেনে ধান আবিষ্কাৰ কৰা হৈছে— কি ধান আবিষ্কাৰ কৰা হৈছে ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসম কৃষি বিশ্ববিদ্যালয়ে কিছুমান ধানৰ বীজ আবিষ্কাৰ কৰি উলিয়াইছে। তাৰ ভিতৰত কিছুমান কম সময়ত আৰু পোনপটীয়া ভাবে খেতি কৰিব পৰা বীজো আছে। বৰ্ত্তমান এবিধ বীজৰ সম্পৰ্কত বৰকৈ প্ৰচাৰ হৈ আছে, সেই বিধ বীজ হৈছে কালচাৰ (১)। এই বিধ ধানৰ খেতি পোনপটীয়াকৈ কৰিব পাৰি আৰু কম সময়তে কৰিব পাৰি। ইয়াৰ বাহিৰেও ৩ মাহৰ ভিতৰত খেতি কৰিব পৰা আৰু ১২০ দিনৰ ভিতৰত খেতি কৰিব পৰা ধানৰ বীজো আছে।

শ্ৰীবলোভদ্ৰ তামুলী : কালচাৰ (১) যিটো ধানৰ বীজৰ কথা কৈছে সেইটো অসমত জনপ্ৰিয় হৈছে নে নাই ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিধ ধানৰ সম্পৰ্কত যিমান প্ৰচাৰ হৈছে সিমান খেতিয়কক উৎসাহিত কৰিব পৰা নাই। কাৰণ এই ধান পোনপটীয়া ভাবে আৰু কম সময়ত কৰিব

পৰা হয় যদিও ইয়াৰ উৎপাদন অন্য ধানৰ তুলনাত কম হয়। প্ৰতি বিঘা মাটিত এই ধান ৪ মোনৰ পৰা ৬ মোনলৈকে উৎপাদন হয়। কিন্তু অন্য বিলাক ধান প্ৰতি বিঘাত ২০ মোনৰ পৰা ২৫ মোনলৈকে উৎপাদন হয়। কালচাৰ (১) ধানৰ এটা বৈশিষ্ট হৈছে যে বানপানীৰ পিচত অলপ পানী থাকিলেও এই ধান সিচিঁ দিব পৰা হয় আৰু তাৰ উৎপাদন কম সময়তে পোৱা যায়। যদিও উৎপাদনৰ পৰিমান কম।

শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এতিয়ালৈকে অসম কৃষি বিশ্ববিদ্যালয়ে কি কি জাতৰ ধানৰ বীজ আবিস্কাৰ কৰিব পাৰিছে ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে অসম কৃষি বিশ্ববিদ্যালয়ে অধিক উৎপাদনক্ষম ধানৰ কেইবাবিধো বীজৰ আবিস্কাৰ কৰিছে। আবিস্কাৰ কৰিলেও সেই বিলাক পোনে পোনে ঘৰুৱা ভাবে খেতি কৰিবৰ বাবে উলিয়াই দিয়া হোৱা নাই। কৃষি বিশ্ববিদ্যালয়ে সেই বিলাক প্ৰথমতে পৰীক্ষামূলক ভাবে খেতি কৰাৰ পিচতহে ঘৰুৱা ভাবে খেতি কৰিবৰ কাৰণে উলিয়াই দিয়া হয়। এতিয়া এনে ধৰণৰ কেইবাবিধো বীজ ঘৰুৱা ভাবে খেতি কৰিবৰ বাবে উলিয়াই দিয়াৰ কথা বিবেচনা কৰি থকা হৈছে।

শ্ৰীনগেন শৰ্মা : মই জানিব বিচাৰিছো যে কি কি ধানৰ বীজ আবিস্কাৰ কৰা হৈছে ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : এই তথ্য দিবলৈ সময় বেছি লাগিব। গতিকে এটা বেলেগ প্ৰশ্ন আহিলে মই তালিকাখন সদনৰ মেজত দিব পাৰিম।

শ্ৰীগিৰিণ বৰুৱা : কালচাৰ (১) ধানৰ বীজ খেতিয়ক সকলক খেতি কৰিবলৈ দিয়া হৈছে নেকি ? যদি দিয়া হৈছে কিমান দিয়া হৈছে আৰু যদি দিয়া নাই ভবিষ্যতে দিব নে ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : মূল প্ৰশ্নটো কৃষি বিশ্ববিদ্যালয়ৰ সম্পৰ্কত। এই বিষয়ত এটা বেলেগ প্ৰশ্ন আহিলে ভাল হয়।

বিষয় ঃ চাহ শ্ৰমিকৰ শিক্ষা মূলক-ভ্ৰমণ ।

শ্ৰীনৰেণ তাঁতীয়ে সুধিছে ঃ

*২১০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) Assam Tea Employees Welfare Board ৰ পৰা চাহ শ্ৰমিক সকলক শিক্ষামূলক ভ্ৰমণ যোৱা বছৰ দিয়া হৈছে নেকি ?

(খ) যদি দিয়া হৈছে, কিমান চাহ শ্ৰমিকে এই শিক্ষামূলক ভ্ৰমণত গৈছিল ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, গৈছিল।

(খ) ১৯৮৮ চনত মুঠ ৩০০ গৰাকী চাহ শ্ৰমিক মহিলাই আৰু ৪০ গৰাকীয়ে মেজেঙ্গা মহিলা শ্ৰমিক কল্যাণ কেন্দ্ৰৰ পৰা ভ্ৰমণত গৈছিল।

শ্ৰীনৰেন তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে এই মহিলা সকল কোন কোন জিলাৰ পৰা নিয়া হৈছিল আৰু কি ভিত্তিত বাচনি কৰা হৈছিল ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) ঃ যি সকল মহিলা ভ্ৰমণলৈ গৈছিল সেই সকলৰ নাম বৰ্ডৰ পৰা দিয়া হৈছিল। ডিব্ৰুগড়, শিৱসাগৰ আৰু কামৰূপ জিলাৰ পৰা মহিলা গৈছিল। আমি এই সম্পৰ্কত বৰ্ডকো জনাইছিলোঁ আৰু চাহ বাগিছা কতৃপক্ষকো জনাইছিলোঁ। তেওঁলোকে যি সকলৰ নাম দিছে সেই সকলকে ভ্ৰমণলৈ পঠোৱা হৈছিল। ৪০ গৰাকী মহিলা মেজেঙ্গা মহিলা শ্ৰমিক কল্যাণ কেন্দ্ৰৰ পৰা গৈছিল।

শ্ৰীনৰেন তাতী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বৰ্ডৰ সিদ্ধান্ত মতে মহিলা ভ্ৰমণলৈ নিয়া হৈছিল। কিন্তু মই জানিব বিচাৰিছো যে কি ভিত্তিত বৰ্ডে সিদ্ধান্ত কৰিলে ? গোলাঘাট, যোৰহাট বা নগাঁৱৰ পৰা মহিলা নিয়া নহল কিয় ? বৰ্ডক মহিলা নিৰ্বাচন কৰিবলৈ দিয়াতকৈ কিয় এম, এল, এ সকলক মহিলা নিৰ্বাচন কৰিবলৈ দিয়া নহ'ল ? এম, এল, এ সকলে কোন কোন মহিলাক পঠিয়াব লাগে সেইটো জানে আৰু সেই মতে নিজৰ নিজৰ সমষ্টিৰ পৰা

মহিলাৰ নাম দিব পাৰিলেহেঁতেন। সেইটো কিয় কৰা নহ'ল ? মাত্ৰ ৩ খন জিলাৰ পৰাহে গ'ল বাকীবিলাক জিলাৰ মহিলা কিয় বাদ পৰি গ'ল ? এই বিষয়ে এম, এল, এ সকলক কোৱা হৈছিল নেকি ? যদি কোৱা হৈছিল কোন তাৰিখে কোৱা হৈছিল ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেংগা(শ্ৰম বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত কিছুমান বৰ্ড গঠন কৰি দিয়া হৈছে। যি খিনি কৰা হ'ল সেইখিনি বৰ্ডৰ সিদ্ধান্ত মতেই কৰা হৈছে। মাননীয় প্ৰশ্ন কৰ্ত্তাও সেই বৰ্ডৰে এজন সদস্য। গতিকে বৰ্ডত কেনেকৈ সিদ্ধান্ত লৈছিল সেই বিষয়ে মোতকৈ তেখেতেই ভালকৈ জানিব। যি বিলাক জিলাৰ পৰা মহিলা যোৱা নাছিল সেই বিলাকত চাহ বাগিছা শ্ৰমিক কল্যাণ পৰিষদ নাই। গতিকে কামৰূপ, শিৱসাগৰ আৰু ডিব্ৰুগড়ৰ পৰা পঠোৱা হৈছিল।

## বিষয় : জোনাই মহকুমাৰ সংৰক্ষিত বনাঞ্চল।

শ্ৰীফনীৰাম টায়েং য়ে সুধিছে :

* ২১১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জোনাই মহকুমাত কিমান বিঘা মাটি সংৰক্ষিত বনাঞ্চল হিচাবে আছে ? আৰু কিমান বিঘা মাটি প্ৰস্তাৱিত বনাঞ্চল হিচাবে আছে ?

(খ) উক্ত সংৰক্ষিত বনাঞ্চল সমূহত কিমান লোক আছে আৰু কেতিয়াৰ পৰা বেদখল কৰি আছে ?

(গ) গালী বনাঞ্চলত অৰুণাচলৰ আৰক্ষী বাহিনীয়ে চকী পতা কথাটো চৰকাৰে জানেনে ?

(ঘ) যদি জানে, উক্ত অৰুণাচলৰ আৰক্ষী চকিটো উচ্ছেদৰ ব্যৱস্থা কেতিয়া কৰিব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জোনাই মহকুমাত ৩১৫০৯ হেক্টৰ অৰ্থাৎ প্ৰায় ২,৩৫,৩১৮ বিঘা সংৰক্ষিত বনাঞ্চল আছে। ৯৪০০ হেক্টৰ অৰ্থাৎ প্ৰায় ৭০,৫০০ বিঘা প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল আছে।

(খ) উক্ত সংৰক্ষিত বনাঞ্চলত ৩৩৮৩ টা বেদখলকাৰী পৰিয়াল আছে। উক্ত লোকসকল ১৯৫২, ১৯৬২, ১৯৬৪, আৰু ১৯৭২ চনৰ পৰা

বেদখল কৰি আছে।

(গ) হয়, চৰকাৰে জানে।

(ঘ) উচ্ছেদৰ সংক্ৰান্তত লক্ষীমপুৰৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক জনোৱা হৈছে লগতে অৰুণাচল প্ৰদেশ চৰকাৰৰ লগতো যোগাযোগ কৰা হৈছে। বিষয়টি চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীফনীৰাম টায়েং ঃ অধ্যক্ষ মহোদয়, ফৰেষ্টত বেদখল হ'লে উচ্ছেদ কৰিব পাৰে। কিন্তু ফৰেষ্টত পুলিচৰ চকি হ'লে উচ্ছেদ কৰিব পাৰেনে নোৱাৰে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো বন বিভাগে উচ্ছেদ কৰিব নোৱাৰে। জিলা প্ৰশাসন বিষয়া হিচাপে উপায়ুক্তক আৰু আৰক্ষী অধীক্ষকক জনোৱা হৈছে।

**Re : Annual income of Forest Products.**

Shri Abdul Jabbar asked :

*212. Will the Minister Forests be pleased to State : What is the annual income of Forest produces in the District of Darrang for the years 1986-87 and 1987-88 ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

| | |
|---|---|
| ১৯৮৬-৮৭ | ৩৩,০৪,৬৩৪ টকা |
| ১৯৮৭-৮৮ | ২১,৪০,৯১৩ টকা |

শ্ৰীআবদুল জব্বাৰ ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় দরং জিলার ফরেষ্ট থেকে গত দুই বছরে কত টাকা সংগ্রহ করেছেন তা বলেছেন। আমি এই প্রচঙ্গে বলতে চাই যে এই ফরেষ্টে যে সব লোক দীর্ঘদিন যাবৎ বসবাস করছে এবং যাদের নামে জমির পাট্টা হয়েছে এবং তৈজীবাহী খাজনা দিচ্ছেন তাদেরে এই ফরেষ্ট থেকে উচ্ছেদ করার জন্য ইতিমধ্যে নোটিশ দেওয়া হয়েছে। এদেরে উচ্ছেদ করে প্রায় ২০০০ বিঘা জমি এই ফরেষ্টের সংলগ্ন ওরাং সেংচুয়ারী সঙ্গে যুক্ত করবার একটা পরিকল্পনা সরকার নিয়েছেন। যদি তাই হয় তাহলে যাদেরে উচ্ছেদ করা

হলো বা করা হবে তাদেরে পুনর্বাসনের জন্য কোন ব্যবস্থা নেওয়া হয়েছে কি না বা হবে কি না ? তার যদি হয় তাহলে কোথায় হবে ? মন্ত্রী মহোদয় দয়া করে জানালে খুসী হবো।

শ্রীসুৰেন্দ্র নাথ মেধি (বন বিভাগৰ মন্ত্রী) :- অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যি দুটা প্রশ্ন ইয়াত উৎথাপন কৰিছে, মূল প্রশ্নৰ লগত কোনো সংগতি নাই। মূল প্রশ্ন হৈছে যে—

What is the total income of forest produces in the District of Darrong for the year 1986-87 and 1987-88

ইয়াৰ লগত সংগতি নথকা প্রশ্ন দুটা যদি পৃথক ভাবে সোধা হয় তেনেহলে উত্তৰ দিব পৰা হব।

## Re: INCLUSION OF CIVIL SUB-DIVISION

Shri Abdul Rob Laskar asked :

* 213. Will the Minister, PWD be pleased to State :

(a) Whether the Government is aware that a part of Silchar Civil Sub-Division has been included with in the PWD Division of Hailakandi ?

(b) If So, the reason of not inviting the M.L.As of Dholai and Sonai Legislative Assembly Constituencies in Hailakandi Sub-Divisional Planning and Development Council's meeting ?

(c) Whether the Government is aware that no maintenance works over the roads fall within Dholai and Sonai Constituencies of Hailakandi PWD Division have been done during the period of 1985 to 1989 ?

(d) Will the Governement immediately take steps for the inclusion of the M.L.As of Dholai and Sonai Constituencies as members of Hailakandi sub-Divisional planning and Development Council ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) যদিও হাইলাকান্দি গড়কাপ্তানী সংমণ্ডলৰ পৰিসীমাৰ কি অংশ শিলচৰ মহকুমাৰ ভিতৰত পৰে, উক্ত মহকুমাৰ অন্তৰ্ভুক্ত কামবোৰৰ বাচনি শিলচৰ মহকুমা পৰিকল্পনা আৰু উন্নয়ন পৰিষদেহে কৰে।

এইবোৰৰ বাচনি হাইলাকান্দি মহকুমা পৰিকল্পনা আৰু উন্নয়ন পৰিষদে নকৰে।

(গ) কথাটো সঁচা নহয়।

(ঘ) বিষয়টো বিচাৰ্য্যৰ বাবে সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰা হব।

Shri Abdul Rob Laskar: Mr. Speaker, Sir. In reply to Question No. 202 the Hon'ble Minister has stated some roads of Silchar sub-division have been transferred to Hailakandi PWD Sub-Division and as a result of this transfer some PWD roads of Sonai and Dholai constituencies to Hailakandi PWD Sub-division. And, so far as these roads are concerned, these are taken up in the meeting of Hailakandi Sub-divisional Planning and Development Council. As because we are not members of Hailakandi Sub-divisional Council, these roads are neglected. Now, in view of the fact that shifting of the road is not possible, will the Minister-in-charge be pleased to consider inclusion of the M.L.A,s of those areas in Hailakandi sub-divisional Planning and Development Council ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পথৰ যিখিনি অংশ হাইলাকান্দি সংমণ্ডলত পৰে সেইটো শিলচৰৰ পৰিকল্পনা উন্নয়ন পৰিষদে আলোচনা কৰি কৰে। ইতিমধ্যে এই ধৰণে ৰাস্তাৰ কাম কৰা হৈছে। মাননীয় সদস্য গৰাকীয়ে যি ৰাস্তাৰ কথা উল্লেখ কৰিছে সেই ৰাস্তাৰ কাম

শিলচৰ চাব-ডিভিজনেল প্লেনিংৰ পৰা কৰা হয়। তাৰোপৰি (ঘ) প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে, বিষয়টো বিচাৰ্য্যৰ বাবে সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰা হব। তাৰোপৰি চাব-ডিভিজনেল প্লেনিং বৰ্ডৰ সভাত ধুলাই আৰু সোনাই সমষ্টিৰ বিধায়ক দুজনকো সদস্য হিচাবে অন্তভুৰ্ক্ত কৰা হব।

Shri Abdul Rob Losker : One more supplimentary, sir.

Speaker : No, No, please sit down. Next question.

## বিষয় ঃ হাতী চুৰি

শ্ৰীগনেশ বড়োৱে সুধিছে :

* ২১৪। মাননীয় বন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) ৰঙিয়া ডিভিজনৰ অন্তৰ্গত পানবাৰী ব্যঘ্ৰ যোজনাৰ কাৰ্য্যালয়ৰ পৰা যোৱা ১৯৮৮ ইং চনত হাতী চুৰি হোৱা কথাটো চৰকাৰে জানে নে ?

(খ) সেই হাতীটো কোনে, কেতিয়া, কেনেকৈ চুৰি কৰিলে ?

(গ) হাতী চোৰক ধৰা হৈছে নে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় জানে।

(খ) বিভাগীয়, প্ৰেমলাল নামৰ হাতীটোক ভাটোপাৰ নিবাসী শ্ৰীখেটেং বড়ো, পিতা মৃত ঃ ৺বহেন বড়ো, থানা-বিজনী, জিলা ঃ কোকৰাঝাৰ (অসম), যোৱা ২০-৮-৮৮ ইং তাৰিখেপানবাৰী আঞ্চলিক বনকাৰ্য্যলয়ৰ চৌহদত বান্ধি থোৱা অৱস্থাৰ পৰা শিকলি খুলি চুৰি কৰি নিছিল।

(গ) ধৰা হৈছে।

শ্ৰীগনেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল হাতীচোৰ। হাতীচোৰ কেনেকৈ হয়। আমি জানো যে হাতী চুৰ হবলৈ হলে মাউতৰ প্ৰয়োজন। মাউতৰ বাহিৰে হাতীচোৰ কৰা সম্ভৱ নহয়। এই হাতীটো বন বিভাগৰ কাৰ্য্যালয়ৰ বিপৰীত চৌহদত বান্ধি থোৱা আছিল। শিকলিৰে বান্ধি থোৱা আছিল। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে (গ প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে), চোৰ ধৰা হৈছে। এই শ্ৰীখেটেং বড়ো মাউত আছিল নেকি? নে

অন্য ক'ৰবাৰ মাউত আছিল। এই হাতীটো কেনেকৈ লৈ যাবলৈ পালে এইটো এটা গুৰুতৰ প্ৰশ্ন। আমি ভাবো পৃথিবীত হাতীচোৰ আজিলৈকে হোৱা নাই। আমি জনাত এই বড়ো নামৰ ল'ৰাজন ১৪/১৫ বছৰীয়া ল'ৰা। এইটোত এটা ডাঙৰ ষড়যন্ত্ৰ আছে যেন পাইছো। কিয়নো এই ১৪/১৫ বছৰীয়া ল'ৰাজনে হাতীৰ মাউত নিশ্চয় হব নোৱাৰে। গতিকে ইয়াৰ এটা ভাল তদন্ত হব লাগে আৰু মন্ত্ৰী মহোদয়ে আমাক আশ্বাস দিব লাগে।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, খেটেং বড়োক হাতীচোৰ অভিযোগত ধৰা হৈছিল আৰু চোৰজনৰ ওপৰত বিহিত ব্যৱস্থা লোৱাৰ কাৰণে বিজনীৰ থানাত গতাই দিয়া হৈছিল। এই কেচটো এটা মোকৰ্দ্দমা হিচাপে ৰজু কৰা হৈছে। অভিযোগ প্ৰমান হলে খালাচ পাব। অভিযুক্ত মানুহজনৰ মৃত্যু হৈছে বুলি মাননীয় সদস্য জনে জনাইছে, যদি সেইটো হয় কেচটো ইমানতে শেষ হব ।

শ্ৰীগনেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মই জনাত এই ল'ৰাজন কেতিয়াও হাতীচোৰ হব নোৱাৰে। মই ল'ৰাজনক ভালকৈ জানো, মোৰ ঘৰৰ পৰা ৩ কিলোমিটাৰৰ দূৰত ল'ৰাজনৰ ঘৰ। সেয়েহে এই গোটেই বিষয়টো ভালকৈ তদন্ত হব লাগে। এনেকুৱা ঘটনা পৃথিবীত ক'তো হোৱা নাই। ভালদৰে তদন্ত কৰি এমাহৰ ভিতৰতে জনাব বুলি আশা কৰিলো।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো কৰ্টলৈ গৈছে। আদালতৰ বিচাৰ নোহোৱালৈকে আমাৰ বিভাগে বেলেগে ব্যৱস্থা লোৱাটো সম্ভৱ নহয়।

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অ ক্ষ মহোদয়, খেটেং বড়ো মাউত হয়নে নহয়? এইটো স্পষ্টভাৱে জনোৱা হোৱা নাই আৰু যদি কেচটো চলি আছে তেতিয়া হলে খেটেং বড়োক কিয় মাৰ্ডাৰ কৰিলে ?

(উত্তৰ নাই)

## বিষয়ঃ পাঠশালাৰ পৰা শিমলালৈ যোৱা গড়কাপ্তানী পথ

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে :

*২১৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) বৰপেটা জিলাৰ পাঠশালাৰ পৰা বাঘমাৰা হৈ শিমলালৈ যোৱা গড়কাপ্তানী বিভাগৰ পথটো যোৱা বানপানীত বুৰ যোৱাত উক্ত অঞ্চলৰ ৰাইজৰ যাতায়তৰ বাবে হোৱা দুৰ্গতিৰ বিষয়ে চৰকাৰ অবগত নে ?

(খ) যদি অবগত, পথটো উন্নতি কৰি ইয়াক কলা পৃষ্ঠ (Black topping) কৰাৰ ব্যৱস্থা অতি সোনকালে কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) আৱশ্যকীয় পুঁজি পালে ৰাস্তাটোৰ বাকী অংশ পৰ্য্যায়ক্ৰমে কলা পৃষ্ঠ কৰাৰ কাৰণে ব্যৱস্থা লব পৰা যাব।

শ্ৰীসুৰেন স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ পাঠশালাৰ পৰা বাঘমাৰা হৈ শিমলালৈ যোৱা এই ৰাস্তাটোৰ মেৰামতিৰ কাৰণে আমাৰ এফ, ডি, আৰৰ টকা দিয়া হৈছিল নেকি ? এই ৰাস্তাটোৰ অৱস্থা এনেকুৱা ধৰণৰ দুখ লগা অৱস্থা যে পথাৰ আৰু ৰাস্তাৰ পাৰ্থক্য নাই। য'ত নেকি সাধাৰণ বৰষুণ দিলেই ডুবে। আমি আশা কৰিব পাৰো নেকি যে ৰাস্তাটো সোণকালে কলা পৃষ্ঠ হব ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, পথটোৰ ৭ লাখ টকা দিয়া হৈছে, ইতিমধ্যে ঠিকাদাৰ সকলক কামৰ আবণ্টন কিছু অংশৰ কাৰণে দিয়া হৈছে আৰু পথটোৰ কিছু অংশ কৰা হৈছে প্ৰায় ৪·২৫ কিলোমিটাৰ। ১·৯০ কিলোমিটাৰ আগতে পকী কৰাৰ ব্যৱস্থা লৈছিল।

## বিষয় ঃ লিডুত ই, এছ, আই চিকিৎসালয়

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

* ২১৬। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লিডুত ই, এছ, আই, চিকিৎসালয়খন কেতিয়া মুকলি কৰা হৈছিল ?

(খ) বৰ্তমান উক্ত চিকিৎসালয়খনত কিমান জন কৰ্ম্মচাৰীয়ে কাম কৰি আছে ?

(গ) চিকিৎসালয়খন মুকলি কৰা দিনৰ পৰা এতিয়ালৈকে কিমান জন ৰোগীক চিকিৎসা কৰা হৈছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ৯।৩।৮৬ ইং তাৰিখত লিডুত ই, এছ, আই, চিকিৎসালয় খন মুকলি কৰা হৈছিল।

(খ) চিকিৎসালয় খনত বৰ্তমান নিম্ন লিখিত কৰ্ম্মচাৰীসকলে কাম কৰি আছে ঃ

| | | |
|---|---|---|
| ১। | নিম্ন বৰ্গ সহায়ক | এজন |
| ২। | জুনিয়ৰ লেবৰেটৰী (টেকৃনিচিয়ান) | এজন |
| ৩। | পাৰ্ট টাইম ফাৰ্মাচিষ্ট | এজন |
| ৪। | চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী (ড্ৰেচাৰ সহ) | চাৰিজন |

গ) আৰম্ভণিৰ পৰা এতিয়ালৈকে তাত এজনো ৰোগীয়ে চিকিৎসা কৰা নাই।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, লিডু ই, এছ, আই চিকিৎ-সালয়খনত কিমান জন শ্ৰমিকক বীমা আঁচনিৰ অধীনত সামৰিছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ৭৫০ জনক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক সামৰিছে।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, কি কাৰণত উক্ত চিকিৎসালয়ত এজনো ৰোগীয়ে চিকিৎসা গ্ৰহণ নকৰে জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আই, পি আৰু ই, এছ, আই সকলৰ মাজত এটা মোকৰ্দ্দমা চলি থকাৰ কাৰণে তেওঁলোকে চিকিৎসা নকৰে।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, ইং ৯।৩।৮৯ তাৰিখৰ পৰা এতিয়ালৈকে কৰ্ম্মচাৰী সকলৰ দা-দৰ্মহা দিয়াৰ কাৰণে কিমান টকা খৰচ কৰা হৈছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, (প্ৰশ্নোত্তৰ সময় উকলি গ'ল)।

(Starred Question Nos. 217, 218, 219 & 220, were not called for want of time. However written replies deemed to have been laid on the Table as follows)

Re : I. T. I. at South Salmara.

Shri Aminul Islam. asked :

* 217. Will the Minister. Labour & Employment be pleased to State :

(a) Whether it is a fact that the Government of India had agreed to setup one I. T. I. at South Salmara for the minority people under Annual Plan Scheme 1985-1986 ?

(b) Is it a fact that the Deputy Commissioner, Dhubri in response to a letter given by the Deputy Secretary to the Government of Assam, Labour & Employment Department informed that suitable land could be provided for the establishment of the I. T. I. in South Salmara-Mancachar Sub-Division ?

(c) Is it also a fact that the Sub-divisional officer (civil) Hatisingimari had also informed the authority about the availability of suitable land in the Sub-division for the aforesaid purpose ?

(d) Whether instead of starting the said I. T. I. at South Salmara (Mancachar division) Government has started construction at Gauripur in Dhubri Sub-division ignoring the commitment of the Government of India ?

(e) If so, whether Government will reconsidere the matter taking into consideration of the availability of suitable land and start the said I. T. I. at South Salmara ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়। ১৯৮৫-৮৬ চনতে চৰকাৰে সংখ্যালঘূ অধ্যুষিত এলেকা দক্ষিণ শালমাৰাত এখন আই, টি, আই পতাৰ সিদ্ধান্ত লৈছিল।

(খ) হয়। ধুবুৰীৰ অতিৰিক্ত উপায়ুক্তই যোৱা ৮/২/৮৮ ইং তাৰিখত নিয়োগ আৰু কাৰিকৰী সঞ্চালকক জনাইছিল যে টানগাঁৱৰ (২নং অংশত) ৪০ বিঘা মাটি পোৱা যাব।

(গ) হয়। হাতচিঙ্গীমাৰীৰ মহকুমাধিপতিয়ে যোৱা ১৮/১২/৮৭ ইং তাৰিখত চিঠি যোগে নিয়োগ আৰু কাৰিকৰী সঞ্চালকক জনাইছিল যে ৪০ বিঘা মাটি পোৱা যাব।

(ঘ) নহয়।

(ঙ) ইতিমধ্যে চৰকাৰে গঠন কৰি দিয়া স্থান নিৰ্ব্বাচন কমিটিখনে দক্ষিণ শালমাৰা আৰু ধুবুৰী মহকুমাৰ কেইবাখনো ঠাই পৰিদৰ্শণ কৰি প্ৰতিবেদন দাখিল কৰিছে। উক্ত সমিতিয়ে দাখিল কৰা প্ৰতিবেদন সম্প্ৰতি চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয়ঃ কোঁচ ৰাজবংশীৰ সমস্যা।

শ্ৰীভৰত চন্দ্ৰ নৰহে, সুধিছে :

*২১৮। মাননীয় অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ কোঁচ ৰাজবংশী সম্প্ৰদায়ৰ লোক সকলক অনুসূচীত জনজাতিৰ তালিকাভুক্ত কৰিবলৈ অনুমোদন জনোৱা বিষয়টো চৰকাৰে বিবেচনা কৰি থকা কথাটো সচানে ?

(খ) যদি সঁচা অনুমোদন কেতিয়া দিব ?

শ্ৰীদুৰ্গাদাস বড়ো (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**বিষয় : ভেল্লা-তাবাবাৰী ৰাস্তাৰ কাঠৰ দলং।**

শ্ৰীমুক্তাৰ হুছেইনে সুধিছে :

* ২১৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ভেল্লা তাৰাবাৰী গড়কাপ্তানী বিভাগৰ ৰাস্তাটোৰ কাঠৰ দলংবোৰ দুৰ্বল হোৱাৰ কাৰণে যোৱা ১ বছৰ ধৰি বিভাগে গাড়ী চলাচল বন্ধ কৰি ৰখাতো সঁচানে ?

(খ) উক্ত ৰাস্তাটো বন্ধ কৰি ৰখাৰ বাবে হেজাৰ হেজাৰ মানুহৰ অসুবিধা হোৱাটো চৰকাৰে জানেনে ?

(গ) যদি জানে, কিমান দিনৰ ভিতৰত উক্ত ৰাস্তাটোত গাড়ী চলাচল কৰিব পাৰিব ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৰাস্তাটো যোৱা ৭।১২।৮৮ ইং তাৰিখৰ পৰা বন্ধ কৰি ৰখাতো সঁচা।

(খ) হয়।

(গ) ৰাস্তাটো অহা জুন মাহৰ ভিতৰত যানবাহনৰ চলাচলৰ উপযোগী কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

বিষয় : সীমান্ত পথ আৰু কাঁটা তাঁৰৰ বেৰ।

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে :

* ২২০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

অসম চুক্তি ৰূপায়ণ অনুযায়ী সীমান্ত পথ তথা কাঁটা তাঁৰৰ বেৰা দিয়া কামৰ অগ্ৰগতি বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

মাননীয় অধ্যক্ষ মহোদয়, ফেব্ৰুৱাৰী '৮৯ মাহলৈকে প্ৰায় ৫৮ কিঃ মিঃ দৈৰ্ঘ্যৰ পথৰ মাটি আৰু নলাৰ কাম সম্পূৰ্ণ হৈছে। ইয়াৰে ১৬ কিঃ মিঃ দৈৰ্ঘ্যত পকীকৰণৰ কামো সম্পূৰ্ণ হৈছে। মাটি ও নলাৰ কাম আৰু ২০ কিঃ মিঃ ঠাইত চলি আছে। কেন্দ্ৰীয় চৰকাৰে ধুবুৰী জিলাত ৩৬ কিঃ মিঃ কাঁটা তাঁৰৰ বেৰ নিৰ্ম্মাণ কৰাৰ কাৰণে ২, ৮৭, ১৬, ০০০, ০০ টকাৰ প্ৰাক্-কলনৰ অনুমোদন জনাইছে। ইং ১৯৮৯ চনৰ মাৰ্চ মাহৰ ১৮ তাৰিখৰ পৰা বেৰৰ কাম আৰম্ভ কৰা হৈছে।

## বিষয় ঃ চৰ অঞ্চলৰ সুবিধাৰ্থে ৰাস্তা

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

*৩০৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা আৰু বৰপেটা জিলাৰ চৰ অঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে অভয়াপুৰী, লেংটিচিঙা, বৰপেটা হৈ গুৱাহাটীলৈ যোৱা ৰাস্তাটো নিৰ্ম্মাণ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

(খ) যদি কৰিছে তেনেহলে উক্ত ৰাস্তাটোৰ বাবে কিমান টকাৰ প্ৰয়োজন হব পাৰে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ব্যৱস্থা লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

*৩০৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উজনি অসমৰ কোন কেইটা আলি উত্তৰ পূৱ কাউঞ্চিলে তৈয়াৰ কৰিবলৈ লৈছে ?

(খ) অসম আৰু নাগালেণ্ডৰ সীমাৰ আলিবাটটোৰ কাম সম্পূৰ্ণ হলনে ?

(গ) গোটেই ৰাজ্যখনত কিমান আলিৰ পকীকৰণ কৰা হল ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) তলত উল্লেখ কৰা আলি সমূহ উজনি অসমত উত্তৰ-পূৱ পৰিষদে তৈয়াৰ কৰিবলৈ লৈছে।

১। গোলাঘাট — মেৰাপানী আলি।

২। জাঁজী — আমগুৰি — মোক্‌কচাং আলি।

৩। সোনাৰী—নামতলা আলি।

৪। শদিয়া — চাপাখোৱা আলি।

৫। পাক্কা — জাপৰিযো — গোগামুখ আলি।

৬। পাক্কা — সিজোচা — ইটাখোলা পথ।

৭। শিমলুগুৰি — নাগিনিমাৰা আলি।

৮। মাৰ্ঘেৰিটা — দেউখালী আলি।

৯। ফৰকাটিং বাইপাচ আলি।

১০। লেখাপানী — জয়ৰামপুৰ আলি।

১১। তেজু — শদিয়া আলি।

১২। লামডিং — বিমলাপুৰ আলি।

১৩। টিপং — অসম সংযোগ পথ।

১৪। লাহোৱাল—তুলীয়াজান — বৰডুবি—তিনিচুকীয়া আলি।

১৫। দোলীমাৰা — টাৰাপুং আলি।

১৬। জাপাৰাজান — আপাৰ দেওপানী আলি।

১৭। বোকাজান — হিদিপি পথ।

১৮। গহপুৰ — ইটানগৰ আলি।

(খ) অসম আৰু নাগালেণ্ডৰ সীমাৰ আলিবাটটোৰ কাম সম্পূৰ্ণ হোৱা নাই।

(গ) গোটেই ৰাজ্যখনত গড়কাপ্তানী বিভাগৰ অধীনত ৰাষ্ট্ৰীয় ঘাই পথ সহ প্ৰায় ৭৫১৯ কিঃ মিঃ পথ পকীকৰণ কৰা হৈছে।

**Re : Functioning Of Karimgonj I. T. I.**

Shri Ramendra De asked :

*307. Will the Minister, Labour be pleased to state :

(a) Since when Karimganj I. T. I. has been functioning at the Campus of srikona under cachar District ?

(b) How many Students has been admitted different trade at the Institute ?

(Furnish tradewise name and address of the students specifing scheduled caste, O. B. C and M. D. C. )

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৫ চনৰ আগষ্ট মাহৰ পৰা।

(খ) প্ৰাৰ্থীৰ ভৰ্তিৰ বিৱৰণ এটি সংলগ্ন কৰি দিয়া হ'ল।

( See at Annexure-1 )

বিষয় ঃ মৰাণ নগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় পথ।

শ্ৰীকিৰণ কুমাৰ গগৈ য়ে সুধিছে:

৩০৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় আৰু ডিব্ৰুগড় জিলাৰ অন্তৰ্গত মৰাণ নগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে নলাৰ ব্যৱস্থা নথকাত নগৰখনত সামান্য বৰষুণৰ পানীতে শোচনীয় অৱস্থাৰ সৃষ্টি হোৱা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে, নগৰখনৰ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে পকা নলা আৰু ফুটপাথ নিৰ্ম্মাণৰ বাবে বিভাগীয় কৰ্তৃপক্ষই আঁচনি তথা প্ৰাক-কলন প্ৰস্তুত কৰাটো সত্য নেকি?

(গ) যদি সত্য, কিমান টকাৰ আঁচনি লৈছে?

(ঘ) আঁচনি অনুসৰি কাম কেতিয়া আৰম্ভ কৰা হ'ব?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে নলাৰ ব্যৱস্থা নথকা কথাটো বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ হৈছে।

(খ) অহা বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভূক্ত কৰাৰ কাৰণে এটা কাৰিকৰী প্ৰস্তাৱ প্ৰস্তুত কৰি থকা হৈছে।

(গ) টকাৰ পৰিমাণ আনুমানিক ১৬.০০ লাখ টকা হব পাৰে।

(ঘ) কাৰিকৰী প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত হোৱাৰ পিছত প্ৰাক-কলন প্ৰস্তুত কৰি কাম আৰম্ভ কৰা হব।

বিষয় ঃ উপ-সংমণ্ডল কাৰ্য্যালয় প্ৰতিষ্ঠা

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

৩০৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বোকাখাতত এটি গড়কাপ্তানী (পথ) বিভাগৰ উপ সংমণ্ডল কাৰ্য্যালয় প্ৰতিষ্ঠা কৰাৰ আঁচনি বিভাগে লৈছে নেকি?

(খ) যদি লোৱা নাই চলিত বছৰতে এটা উপ-সংমণ্ডল কাৰ্য্যালয় প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা লবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বোকাখাতত এটা পথ উপ-সংমণ্ডলৰ কাৰ্য্যালয় স্থাপনৰ প্ৰস্তাৱ বৰ্ত্তমানে বিবেচনাধীন হৈ আছে।

(খ) বিবেচনা সাপেক্ষে সিদ্ধান্ত লোৱা হব।

বিষয় ঃ বানপানী, খৰাং বতৰৰ কাৰণে বিকল্প খেতি।

শ্ৰীশ্বহীদুল ইছলামে সুধিছে :

৩১০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত প্ৰতি বছৰে বানপানী, খৰাং বতৰ আদিৰ কাৰণে খেতি কৰিব নোৱাৰা আছু, শালি আৰু বৰোধানৰ খেতিৰ বিকল্প হিচাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে?

(খ) যদি লৈছে কি কি?

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) চৰকাৰৰ ফালৰ পৰা গ্ৰহন কৰা ব্যৱস্থা সমূহ তলত উল্লেখ কৰা হ'ল ঃ

আহুধানৰ খেতিৰ বিকল্প হিচাবে বৰ্ষাকালীন মগু মাহৰ খেতি।

খৰাং পীড়িত অঞ্চল বিলাকত য'ত আহু খেতিৰ পক্ষে অনুপযোগী আৰু লাভজনক নহয় সেই বিলাক ঠাইত আহুধানৰ খেতিৰ বিপৰীতে বৰ্ষাকালীন মগুমাহৰ খেতি কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শালিধানৰ খেতিৰ বিকল্প হিচাবে বান আক্ৰান্ত অঞ্চলত যিবোৰ অঞ্চল ১৫ চেপ্তেম্বৰৰ ভিতৰত পানী শুকাই যায় সেইবোৰ অঞ্চলত কালচাৰ (১) জাতৰ ধানৰ গুটি সিচাৰ চৰকাৰী ব্যৱস্থা ৰখা হৈছে। যিবোৰ অঞ্চলৰ পানী ১৫ অক্টোবৰ মানতহে শুকাই সেইবোৰ অঞ্চলত ৰবি শস্য যেনে— মাহ, ঘেহু আৰু সৰিয়হ খেতিৰ ব্যৱস্থা হাতত লবলৈ চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা ৰখা হৈছে। আনহাতে যিবোৰ অঞ্চল অক্টোবৰ মাহৰ পিছতো পানী নুশুকায়, সেইবোৰ অঞ্চলত বৰো আৰু আগতীয়া আহু খেতি কৰিবৰ বাবে চৰকাৰী ব্যৱস্থা ৰখা হৈছে। SRPP, SFPP, PASMAPAF আদি বিভিন্ন আঁচনিৰ যোগেদি খেতিয়কৰ মাজত ৰেহাই মূল্যত অগভীৰ নলীনাদ (STW) বহুৱাবলৈকো সুবিধা দিয়া হৈছে। লগতে বীজ আৰু বানপানীৰ সাৰ ও ৰেহাই মূল্যত বিতৰণ কৰাৰ ব্যৱস্থা আছে।

বৰোধানৰ খেতিৰ ক্ষেত্ৰত বৰো ধানৰেই কম দিনীয়া জাতৰ খেতি কৰিবলৈ ব্যৱস্থা কৰা হৈছে। সচৰাচৰ থলুৱা জাতৰ বৰো খেতি চপাবলৈ যথেষ্ট পলম হয় কাৰণে বানপানীত আক্ৰান্ত হোৱাৰ আশংকা বেছি আৰু তাৰ ঠাইত উচ্চ উৎপাদনক্ষম হ্ৰস্ব দিনীয়া জাতৰ খেতি কৰিবলৈ চৰকাৰৰ তৰফৰ ব্যৱস্থা ৰখা হৈছে।

অসমত হোৱা ৰবি বতৰৰ ঘেহুঁ, সৰিয়হ আৰু বৰ্ষাকালীন মগুমাহৰ জিলা ভিত্তিত মাটি কালি আৰু উৎপাদনৰ তালিকা লগত গাঠি দিয়া হ'ল।

( See the list at Annexure-II )

**Re : The News of Natun Dainik**

Sri Ardhendu Kr. Dey asked :

*311. Will the Minister Forest be pleased to State :

(a) Whether Government is aware of the news published in the daily Natun Dainik dated 28th Feb.' 89 under the caption "ৰেল বিভাগৰ পৰা অসম চৰকাৰৰ ৮০ কোটি টকা লাভৰ সম্ভাৱনা।"

(b) If the answer is in affirmative, what action Government is going to take in this matter ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় চৰকাৰ অৱগত।

(খ) ৰেল কতৃপক্ষই Government of India Act. (19 35) মতে উক্ত মাটিৰ স্বত্ত্ব অধিগ্ৰহণ কৰা বুলি দাবী কৰিছে আৰু এই দাবী সম্পৰ্কে আইনগত ভাবে বিচাৰ বিবেচনা কৰি পৰীক্ষা কৰি থকা হৈছে। ইতিমধ্যে আৱশ্যকীয় কাম চলাই থাকিবৰ কাৰণে তেওঁলোকৰ প্ৰয়োজনীয় শিল আহৰণ কৰি লৈ যাবলৈ দিয়া হৈছে এটা স্বত্ত্ব সাপেক্ষে। এই স্বত্ত্বটো হ'ল আইনগত ভাবে তেওঁলোকৰ মাটিৰ স্বত্ত্ব পাবলৈ নহলে আহৰণ কৰা গোটেই শিলৰ উপযুক্ত মূল্য

তেওঁলোকে অসম চৰকাৰক আদায় দিব লাগিব। সেই কাৰণে আহৰণ কৰা শিলৰ সম্পূৰ্ণ হিচাব ৰখা হৈছে।

বিষয় : Roller ৰ অভাৱত ৰাস্তাৰ Black Topping :

শ্ৰীগোপীনাথ দাসে সুধিছে :

৩১২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ বৰো সমষ্টিত Roller ৰ অভাৱত ৰাস্তাৰ Black Topping ৰ কামবোৰ অহা বাৰিষাৰ আগে আগে সম্পূৰ্ণ কৰাত বাধাৰ সৃষ্টি হোৱা কথাতো চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) যদি ব্যৱস্থা গ্ৰহণ কৰা নাই, তেন্তে অতি সোণকালে বিহিত ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) সংমণ্ডলটোৰ অন্যান্য ঠাইত চলা আধৰুৱা কামবোৰ শেষ হোৱাৰ লগে লগে অতিৰিক্ত Roller পঠোৱাৰ ব্যৱস্থা কৰা হব।

(গ) ইয়াৰ উত্তৰ ওপৰুক্ত 'খ' প্ৰশ্নৰ উত্তৰত সন্নিবিষ্ট কৰা হৈছে।

**Re : Development of Municipality**

Shri Maziruddin Ahmed asked :

313. Will the Minister, Town & Country Planning be pleased to State.

In the last three years 1985-86, 1986-87 and 1987-88 how much money were sanctioned for Development of Municipalities of Assam ?
(please furnish separately the amount sanctioned for each Municipality.)

Shri Atul Bora. (Minister, Town & Country planning) replied :

A Statement is laid on the Table of the House.
(See the Statement at Annexture-III)

বিষয় ঃ তিনিচুকীয়া মহকুমাৰ গড়কাপ্তানী আলি।

শ্রীদিলেশ্বৰ তাঁতীয়ে সুধিছে ঃ

৩১৪। গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ইং ১৯৬২ চনতে নিৰ্ম্মান কৰা তিনিচুকীয়া মহকুমাৰ অন্তৰ্গত কাছিজানৰ পৰা কুলিবিল গাওঁ, টঙনা চাহ বাগিছাৰ মাজেদি ওৱাৈন্বে হৈ ঢুমচালৈ যোৱা ৩০ কিঃ মিঃ দৈৰ্ঘ্যৰ গড়কাপ্তানী আলিটোৰ অৱস্থা অতি দুৰৱস্থা হৈ থকা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে যোৱা পাঁচটা বছৰত উক্ত আলিটো মেৰামতিৰ বাবদ চৰকাৰৰ দ্বাৰা টকা খৰছ কৰা হোৱা নাই নেকি ?

(গ) যদি হৈছে, কিমানকৈ খৰছ কৰা হৈছে ?

শ্রীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কাছিজানৰ পৰা কুলিবিল গাওঁ, টঙনা চাহ বাগিছাৰ মাজেদি যোৱা পথটিৰ মাত্র ৮ কিলোমিটাৰ পথহে গড়কাপ্তানীৰ অধীনত। এই পথটি কাছিজান মহং আলি হিচাবে নামাকৰণ হৈ আছে। ৰাস্তাটোৰ ৫/১ আৰু ৫/২ দলং দুখন বেয়া হৈ থকাৰ বাহিৰে, ৰাস্তাৰ অৱস্থা বেয়া নহয়।

(খ) খৰছ কৰা হৈছে।

(গ) মুঠ ১, ১৪, ৪৮৯.০০ টকা এতিয়ালৈকে খৰছ কৰা হৈছে।

বিষয় ঃ পহুমাৰা কিমিন পথত যানবাহনৰ চলাচল।

শ্রীজগত হাজৰিকাই সুধিছে ঃ

৩১৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পহুমাৰা কিমিন পথত প্রতি দিনে কিমান যানবাহন চলে তাৰ পৰিসংখ্যা আছেনে ?

(খ) যদি আছে উক্ত পথটিৰ দুখ লগা অৱস্থাৰ বিষয়ে চৰকাৰ অবগত নে ?

(গ) যদি অবগত ইয়াৰ প্রতিকাৰৰ বাবে কোনো আঁচনি গ্রহন কৰিছে নেকি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, আছে। ইং ১৯৮৮ চনৰ ডিচেম্বৰ মাহৰ গড়ে প্ৰতি দিনে ৫৫৪ খন যানবাহন চলে।

(খ) হয়, অবগত আছে।

(গ) গ্ৰহন কৰা হৈছে।

**Re : Diara Pepulbari Road.**

Shri Aminul Islam asked :

316. Will the Minister, P. W. D be pleased to state :

(a) The total length of Diara-Pepulbari Road of Mankachar Legislative Assembly constituency ?

(b) At what point the western end of the said road touched ?

(c) Is it a fact that there is a road gap between the western road head of the above road and the H. M. P. W. D. road at Diara bazar ?

(d) If yes, what is the length of the gap ?

(e) Will the Goverment extend the Diara Pepulbari P. W. D. road upto H. M. road considering the difficulties faced by the public of the Mankachar constituency ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৭.৫ কিঃ মিঃ।

(খ) বান-নিয়ন্ত্ৰন বিভাগৰ মথাউৰিত।

(গ) হয়।

(ঘ) ৩ কিঃ মিঃ।

(ঙ) আৱশ্যকীয় পুজিঁ পালে কাৰিকৰিক দিশ চাই বিষয়টো বিবেচনা কৰিব পৰা যাব।

## বিষয় ঃ আমগুৰি-ৰাজিতপাৰা গড়কাপ্তানী ৰাস্তা।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

৩১৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ জনাবনে ?

(ক) উত্তৰ শালমাৰা মহকুমাৰ আমগুৰি-ৰাজিতপাৰা গড়কাপ্তানী ৰাস্তাটো যান-বাহন আৰু মানুহ চলাচল কৰিব নোৱাৰা অৱস্থাৰ কথাটোৰ বিষয়ে চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত তেতিয়া হলে উক্ত ৰাস্তাটো অনতিপলমে মানুহ আৰু যান বাহন চলাচলৰ উপযোগী কৰিব পৰা ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) মেৰামতিৰ শিতানত আৱশ্যকীয় পুজি যোগাৰ হলে ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।

## বিষয় ঃ অনুসূচীত জাতি আৰু জনজাতি উন্নয়ন বোৰ্ড।

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে ঃ

৩১৮। মাননীয় অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ অনুসূচীত জাতি আৰু জনজাতিৰ উন্নয়ন বোৰ্ড ২ খন কোন কোন সদস্যৰ দ্বাৰা গঠন কৰা হৈছে। (সদস্যসকলৰ নাম আৰু ঠিকনা সদনৰ মেজত দাখিল কৰিব)।

(খ) উক্ত সদস্যসকলৰ ভিতৰত কিমানজন চৰকাৰী চাকৰিয়াল আছে ? (উক্ত চাকৰিয়াল সদস্যসকলৰ নামৰ তালিকাখন সদনৰ মজিয়াত দাখিল কৰিব)।

শ্ৰীদুৰ্গাদাস বড়ো (ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰীয়ে) উত্তৰ দিছে :

(ক) সদস্য সকলৰ নাম আৰু ঠিকনা সংলগ্ন নথিত উল্লেখ কৰা হ'ল।

(See the list at Annexure-IV)

## Re : Registration Of Unemployed

Shri Ramendra De asked :

319. Will the Minister, Labour and Employment be pleased to state :

(a) As per employment exchange registration total number of unemployment in the State during the year 1985 to Feb, 1989, (Furnish Employment Exchange and yearwise),

(b) What are the principles to forward the name of a candidate from employment exchange as per requirement of various department ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নিয়োগ বিনিময় কেন্দ্ৰ সমূহত থকা পঞ্জীয়ন অনুসৰি ইং ১৯৮৫ চনৰ পৰা ইং ১৯৮৯ চনৰ জানুৱাৰী মাহলৈ অসমত মুঠ নিৱনুৱাৰ সংখ্যা এনে ধৰণৰ ঃ

| বছৰ | নিবনুৱাৰ সংখ্যা |
|---|---|
| ১৯৮৫ | ৫৯৬০৫৫ জন |
| ১৯৮৬ | ৮১৫২৫১ জন |
| ১৯৮৭ | ৮৫৪৪১৫ জন |
| ১৯৮৮ | ৯০৩৭০২ জন |
| ১৯৮৯ (জানুৱাৰীলৈ) | ৯০৭৩৫৬ জন |

নিয়োগ বিনিময় কেন্দ্ৰ আৰু বছৰ অনুসৰি পঞ্জীয়নভুক্ত প্ৰাৰ্থীৰ সংখ্যা দেখুৱাই এখন তালিকা ইয়াৰ লগতে গাঠি দিয়া হ'ল। ইং ১৯৮৯ চনৰ ফেব্ৰুৱাৰী মাহৰ তথ্য সমূহ এতিয়াও পোৱা হোৱা নাই। সেয়ে, ইং ১৯৮৯ চনৰ জানুৱাৰী মাহলৈকেহে তথ্য দিয়া হৈছে।

( See the list at Annexure-V )

(খ) নিয়োগ কৰ্ত্তালৈ এজন প্ৰাৰ্থীৰ নাম প্ৰেৰণ কৰোঁতে নিয়োগ বিনিময় কেন্দ্ৰ সমূহে ৰাষ্ট্ৰীয় নিয়োগ সেৱা নিয়মাৱলী (১ম খণ্ড) N. E. S. M. Vol-I ত থকা পদ্ধতি সমূহ পালন কৰে। এই ক্ষেত্ৰত তলত উল্লেখ কৰা বিষয় সমূহ নিয়োগ বিনিময় কেন্দ্ৰই লক্ষ্য কৰে।

(১) প্ৰাৰ্থীয়ে চাকৰিৰ প্ৰয়োজনীয়তা পূৰাব লাগিব।

(২) চাকৰি প্ৰাপ্তিৰ আগতে নিয়োগ কৰ্ত্তাই বিচৰা দক্ষতা থাকিব লাগিব।

(৩) ব্যৱসায়িক অৰ্হতা, যেনে ঃ প্ৰশিক্ষণ, অভিজ্ঞতা, বয়স, লিঙ্গ, ব্যক্তিত্ব আদি।

(৪) নিয়োগ কৰ্ত্তাই আৰোপ কৰা অন্যান্য প্ৰয়োজনীয়তা।

(৫) চাকৰি প্ৰাপ্তিৰ পাচত প্ৰাৰ্থীয়ে পাবলগীয়া দৰমহা আৰু চাকৰিৰ চৰ্ত্ত সমূহ গ্ৰহনযোগ্য হবনে নহয় ?

(৬) প্ৰয়োজনীয় অৰ্হতা নথকা প্ৰাৰ্থী সমূহক বাতিল কৰা হয় আৰু একেধৰণৰ যোগ্যতা থকা প্ৰাৰ্থীৰ সংখ্যা বেচি হলে পঞ্জীয়নৰ জেষ্ঠতা অনুসৰি বাচনি কৰা হয়।

তাৰোপৰি, প্ৰায় বিলাক নিয়োগ বিনিময়ৰ কেন্দ্ৰতে স্থানীয় উপায়ুক্ত / মহকুকাধিপতিৰ সভাপতিত্বতএকো খনকৈ স্থানীয় নিয়োগ সমিতি আছে, যিয়ে প্ৰাৰ্থীৰ নাম প্ৰেৰণ কৰাত পৰীক্ষা কৰাৰ লগতে উপদেশ আদিও দিয়ে। প্ৰাৰ্থীৰ নামৰ তালিকা নিয়োগ কৰ্ত্তালৈ পঠোৱাৰ আগতে এই সমিতিয়ে অনুমোদন কৰে।

**Re. Illegal felling of trees.**

Shri Mithius Tudu asked :

320. Will the Minister of Forest, Assam be pleased to State :

(a) Whether Government is aware of the fact that there has been large scale illegal felling of valuable trees in Kachugaon and Dhubri Reserved Forest Division, ?

(b) If so, what steps have been taken by the Government to stop this illegal felling of trees ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰ অৱগত।

(খ) ধুবুৰী আৰু বাসুগাওঁ বন সংমণ্ডলৰ অধীনষ্ঠ কিছুমান সংৰক্ষিত বনাঞ্চল সাম্প্ৰতিক আন্দোলনকাৰী আৰু উগ্ৰপন্থীৰ সন্ত্ৰাসবাদ সৃষ্টিৰ পৰিপ্ৰেক্ষিতত বন বিভাগৰ কৰ্মীবৃন্দই সেই ঠাই এৰি আহিব লগীয়া হৈছে। আৰু ফলত উক্ত অঞ্চল সমূহৰ ভালেমান ঠাই অৰক্ষিত অৱস্থাত পৰিছে। তেনেস্থলতো বে-আইনী ভাবে গছ কটা আৰু অনা-নিয়াৰ ক্ষেত্ৰত যিমান দূৰ সম্ভৱ আমাৰ ফালৰ পৰা সীমিত শক্তিৰে যথা সম্ভৱ বাধা প্ৰদান কৰা হৈছে।

উল্লেখযোগ্য যে ভিতৰুৱা বীট আৰু উপ-বীট সমূহৰ পৰা ইতিমধ্যে আতৰি অহা বন কৰ্মী সমূহক একগোট কৰি বহল ভিত্তিত এই ক্ষেত্ৰত পহৰাৰ ব্যৱস্থা কৰি বাধা প্ৰদানৰ যথাসাধ্য চেষ্টা কৰা হৈছে।

**Re : Cement concrete causeway over river Borla.**

Shri Binai Khungur Basumatari asked :

321. Will the Minister P.W.D. be pleased to state :—

(a) Whether a cement concrete causeway over Borla near Artilerry Head Quarter Ghagra Hatigarh, Darrang was sanctioned and the work was started ?

(b) If so, is it true that the work was also stated during 1985-86 ?

(c) If so, is it now complete ?

(d) If not, why and when is it likely to be completed ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়।

(গ) সম্পূৰ্ণ হোৱা নাই।

(ঘ) অতি কম সময়ৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ বাবে বিহিত ব্যৱস্থা লোৱা হৈছে।

## বিষয়ঃ স্থায়ীকৰণৰ চুক্তি

শ্ৰীকামাখ্যা চৰণ চৌধুৰীয়ে সুধিছে ঃ

৩২২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গড়কাপ্তানী, জল-সিঞ্চন, বান-নিয়ন্ত্ৰন,জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাষ্টাৰৰোলৰ ওৱাৰ্কচাৰ্জ কৰ্ম্মীসকলৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত পৰ্য্যায়ক্ৰমে চাকৰি চতুৰ্থ শ্ৰেণীত স্থায়ীকৰণৰ চুক্তি হৈছিল, উক্ত চুক্তিৰ মৰ্ম্মে গড়কাপ্তানী বিভাগত চাকৰি স্থায়ীকৰণৰ কাৰ্য্যকৰী ব্যৱস্থা কৰা হৈছেনে ?

(খ) যদি হোৱা নাই, তেন্তে কিমান দিনৰ ভিতৰত কৰা হব ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মাষ্টাৰৰোলৰ কৰ্ম্মীসকলৰ চাকৰি সিদ্ধান্ত অনুযায়ী পৰ্য্যায়ক্ৰমে নিয়মীয়াকৰণহে কৰি থকা হৈছে আৰু স্থায়ীকৰণৰ সময় হলে বিধি অনুসাৰে ব্যৱস্থা লোৱা হব।

ওৱাৰ্কচাৰ্জ কৰ্ম্মীসকলৰ চাকৰি বিধি অনুসাৰে নিয়মীয়াকৰণৰ পাচত স্থায়ীকৰণৰ ব্যৱস্থা লোৱা হৈ আছে।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ তামুলী আলি পথ।

শ্ৰীভবেন বৰুৱাই সুধিছে :

৩২৩। গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় জিলাৰ ৰাষ্ট্ৰীয় ঘাই পথৰ উত্তৰে তিনিচুকীয়া আৰু ডিব্ৰুগড় মহকুমা সংযোগ কৰি তামুলী আলি নামেৰে এটা গড়কাপ্তানী পথ থকা কথাটো চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত উক্ত আলিটোৰ দৈৰ্ঘ্য কিমান হব ?

(গ) আলিটো জনসাধাৰণৰ চলাচল বা যান-বাহন চলাচলৰ বাবে সুবিধা হৈ আছে নে ?

(ঘ) যদি নাই তেন্তে উক্ত ৰাস্তাটো কেতিয়া মেৰামতি কৰিব আৰু যান-বাহন চলাচলৰ উপযোগী কৰা হব।

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ডিব্ৰুগড় জিলাৰ ৰাষ্ট্ৰীয় ঘাই পথৰ উত্তৰে তিনিচুকীয়া আৰু ডিব্ৰুগড় মহকুমা সংযোগ কৰা তামুলী আলি নামৰ কোনো ৰাস্তা গড়কাপ্তানী নথি পত্ৰত নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

## বিষয় ঃ যোৰহাট কৃষি পাম।

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

৩২৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত যোৰহাট কৃষি পামৰ ( কৃষি বিশ্ববিদ্যালয়খনৰ চৌহদত থকা ) উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে বৰ্তমানলৈকে কিমান পৰিমাণৰ ধন বিনিয়োগ কৰিছে।

(খ) এই কৃষি পামখনৰ পৰা কৃষিৰ ক্ষেত্ৰত কি লাভা-লাভ হৈছে আৰু এই পামে কি কি বীজ উৎপাদন কৰিবলৈ সক্ষম হৈছে ?

শ্ৰীদেৱ কুমাৰ বৰা ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম কৃষি বিশ্ববিদ্যালয়ৰ চৌহদত থকা যোৰহাট কৃষি পামখনৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ইং ১৯৭১-৭২ চনৰ পৰা ইং ১৯৮৮-৮৯ চনলৈ মুঠ ৬৩.৯২ লাখ টকা বিনিয়োগ কৰিছে।

(খ) অসম কৃষি বিশ্ববিদ্যালয়ৰ চৌহদত থকা যোৰহাট কৃষি পামখন এখন গৱেষনা আৰু শিক্ষা প্ৰধান কৃষি পাম। দবা-চলতে এইখন উৎপাদনমুখী ব্যৱসায়ী পাম নহয়। এই খন পামৰ মূল কৰ্ম্মসূচী এনে ধৰণৰ :

১। শস্য উৎপাদনৰ বাবে ক্ষেত্ৰ ভিত্তিক কাৰিকৰী শিক্ষা দান।

২। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ যোগেদি শস্য উৎপাদনৰ অৰ্থনীতি নিৰ্ণয়ৰ বাবে ক্ষেত্ৰ ভিত্তিক হাতে কামে কৰা পৰীক্ষা নিৰীক্ষা আদি।

৩। Breeder Seed, Certified Seed আৰু Truthfully lebel Seed ৰ ওপৰত গুৰুত্ব দি সামগ্ৰীক ভাৱে বীজ উৎপাদন কৰা।

৪। অধিক উৎপাদনক্ষম আৰু উন্নত জাতৰ বীজসমূহৰ বিজ্ঞান ভিত্তিক প্ৰদৰ্শন।

৫। স্নাতোকোত্তৰ মহলাসমূহৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাৰ মৌলিক আৰু প্ৰাগয়োগিক ক্ষেত্ৰ ভিত্তিক গৱেষনা।

বিষয় ঃ মৰিয়নীৰ বাহনিপথ।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

৩২৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিয়নীৰ বাহনী পথৰ দুৰবস্থাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে এই পথৰ উন্নতিৰ বাবে চৰকাৰেকিবা ব্যৱস্থা হাতত লৈছে নে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) যোৰহাট গড়কাপ্তানী পথ সংমণ্ডলৰ অধীনত মৰিয়নীৰ বাহনি পথ নামৰ কোনো পথ নাই।

(খ) প্ৰশ্ন নুঠে।

বিষয় ঃ আই, টি, আইৰ নাম ভৰ্ত্তি।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

৩২৬। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত কেইটা আই, টি, আই আছে আৰু ক'ত ক'ত আছে ?

(খ) সেই আই, টি, আই সমূহত কি কি ট্ৰেড্ আছে ?

(গ) আই, টি, আইত নাম ভৰ্ত্তি কৰাৰ কি কি নিয়ম আছে ?

(ঘ) চাহ বাগিছাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিটো ট্ৰেডত আসন সংৰক্ষিত আছে নে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্ত্তমান ২১ খন আই, টি, আই আছে। এই আই, টি, আই সমূহ হ'ল :—

১। যোৰহাট।

২। গুৱাহাটী ।

৩। নগাঁও ।

৪। তেজপুৰ ।

৫। শ্ৰীকোনা ।

৬। তিনিচুকীয়া ।

৭। বঙ্গাইগাওঁ ।

৮। বৰপেটা ।

৯। ডিফু ।

১০। ধেমাজী ।

১১। ওদালগুৰি (ভেৰগাওঁ), দৰং।

১২। দক্ষিণ শালমাৰা (গৌৰীপুৰ)।

১৩। নলবাৰী ।

১৪। কোকৰাঝাৰ ।

১৫। মহিলা আই, টি, আই, গুৱাহাটী।

১৬। আঞ্চলিক মহিলা আই, টি, আই, তিনিচুকীয়া ।

১৭। বৰপথাৰ ।

১৮। হাফলং, বৰ্তমান শ্ৰীকোনাৰ আলহি ।

১৯। গৰগাওঁ, বৰ্তমান যোৰহাটৰ আলহি ।

২০। মাজুলী, বৰ্তমান যোৰহাটৰ আলহি।

২১। আই, টি, আই, কৰিমগঞ্জ ।

(খ) আই, টি, আইত থকা বিভিন্ন ট্ৰেড্ সমূহ হ'ল ঃ-

১। ড্ৰাফ্‌মেন মেকানিকেল ।

২। ড্ৰাফ্‌মেন চিভিল ।

৩। চাব ভেয়াৰ ।

৪। টাৰ্ণাৰ ।

৫। মেচেনিষ্ট ।

৬। ফিটাৰ ।

৭। ওৱাচ্ এণ্ড ক্লক্ মেকানিক।
৮। ইলেক্ট্ৰনিকচ্।
৯। মেকানিক ৰিফ্ৰিজেৰেটৰ আৰু এয়াৰ কণ্ডিচন্।
১০। ওয়াৰমেন।
১১। মেকানিক্, ৰেডিও এণ্ড টি, ভি।
১২। মেচন।
১৩। ওৱেলডাৰ।
১৪। কাৰপেনটাৰ।
১৫। ব্লেলক্স্মিথ (ফৰ্জাৰ এণ্ড হিট ট্ৰিটাৰ)।
১৬। প্লাম্বাৰ।
১৭। মেকানিক্ ডিজেল।
১৮। মেকানিক্ ট্ৰেক্টৰ।
১৯। ষ্টেনগ্ৰাফী (ইংৰাজী)।
২০। কাটিং এণ্ড টেইলৰিং।
২১। এম্ব্ৰইডাৰী এণ্ড নিডোল ওৱৰ্ক।
২২। হেণ্ড কম্পজিচন।
২৩। লেটাৰ প্ৰেচ্ মেচিন বাইণ্ডৰ।
২৪। টাইপ ৰাইটিং, অসমীয়া।
২৫। চাৰ্ভিচ টেক্নিচিয়ান।
২৬। মেকানিক্ মটৰ ভেহিকেল।
২৭। চিট মেটেল ওৱাৰ্কাৰ।
২৮। ইলেক্ট্ৰিচিয়ান।
২৯। দাতা প্ৰিপাৰেচন এচিটেণ্ট।
৩০। কনচল অপাৰেটৰ কাম প্ৰগ্ৰাম এচিটেণ্ট।
৩১। মলডাৰ।
৩২। হেয়াৰ এণ্ড স্কিন কেয়াৰ।
৩৩। নিটিং উইথ মেচিন্।
৩৪। ড্ৰেচ্ মেকিং।
৩৫। চেক্ৰেটৰিয়েল প্ৰেক্টিচ্।

(গ) ভাৰত চৰকাৰৰ আৰ্হি অনুসৰি অসম চৰকাৰৰ দ্বাৰা অনুমোদন কৰা বিধি অনুসৰি অসমৰ আই, টি, আই, সমূহৰ প্ৰশিক্ষাৰ্থী ভৰ্ত্তি কৰা হয়। ভৰ্ত্তিৰ বাবে আবেদন পত্ৰ বিচাৰি প্ৰতি বছৰৰ মাৰ্চ/এপ্ৰিল মাহত বাতৰি কাগজত বিজ্ঞাপন প্ৰচাৰ কৰা হয়। প্ৰতি আই, টি, আইত একোখনকৈ বাচনি সমিতি সঞ্চালকে গঠন কৰি দিয়ে।

এই সমিতিয়ে আবেদনকাৰীৰ সাক্ষাৎ লয়। সাক্ষাৎকাৰীলৈ আবেদনকাৰী সমূহৰ পৰা ভৰ্ত্তিৰ বাবে থকা, আসনৰ চাৰি/পাঁচ (৪/৫) গুন আবেদনকাৰীক মতা হয়। প্ৰৱেশিকা ট্ৰেড্ সমূহত প্ৰৱেশিকা পৰীক্ষাৰ বিষয় সমূহত পোৱা নম্বৰৰ ভিত্তিত আৰু নিম্ন প্ৰৱেশিকাৰ ট্ৰেড সমূহৰ ভৰ্ত্তিৰ বাবে বিশেষ পৰীক্ষা অনুষ্ঠিত হয় আৰু এই পৰীক্ষাৰ বহীকোৰ চাই নম্বৰ দিয়া হয়। এই নম্বৰৰ লগত সাক্ষাৎকাৰত পোৱা নম্বৰ যোগ দি মুঠ নম্বৰৰ ভিত্তিত আই, টি, আইৰ বাবে আবেদনকাৰীক আসন দিয়া হয়। সংৰক্ষিত আসন সমূহো এই নম্বৰৰ ভিত্তিতে পুৰণ কৰা হয়।

(ঘ) আছে।

চাহ বাগিছা আৰু প্ৰাক্তন চাহ বাগিছাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিখন উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত দুই (২) খনকৈ আসন সংৰক্ষিত আছে।

বিষয়ঃ অসম চাহ শ্ৰমিক কল্যাণ পৰিষদ।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে:

৩২৭। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) Assam Tea Employees Welfare Board ৰ পৰা কোন কোন জিলাত কিমান টকা অনুদান চাহ শ্ৰমিক সকলৰ মাজত বিতৰণ কৰা হ'ল?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) চাহ শ্ৰমিক কল্যাণ পৰিষদত অনুদানৰূপে কোনো টকা (Beneficiary) বিতৰণ কৰা নহয়। কিন্তু হঠাতে চাহ বাগিছা বা প্ৰাক্তন চাহ

মজদুৰৰ এলেকাত বা লোকৰ কোনো আকস্মিক পৰিস্থিতি উদ্ভৱ হলে এককালীন আৰ্থিক সাহাৰ্য্য মঞ্জুৰ কৰা হয়।

ইং ১৯৮৮ চনত তলত দেখুৱা ধৰনে এই সাহাৰ্য্য মঞ্জুৰ কৰা হৈছিল।

| | | |
|---|---|---|
| (১) | ডিব্রুগড় জিলাত | ১,৮০০/= |
| (২) | যোৰহাট জিলাত | ৪৯,৬২০/= |
| (৩) | শোণিতপুৰ জিলাত | ৫,৫০০/= |
| (৪) | কামৰূপ জিলাত | ৫০০/= |
| (৫) | শিৱসাগৰ জিলাত | ৯,২০০/= |
| (৬) | নলবাৰী জিলাত | ১,৬০০/= |
| | মুঠ | ৬৮,২২০/= |

বিষয় ঃ টিয়ক-হাঁহচৰা পথ।

শ্ৰীনবেন তাঁতীয়ে সুধিছে :

৩২৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৰহাট জিলাৰ টিয়ক-হাঁহচৰা পথৰ দুৰবস্থাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে এই পথৰ উন্নতিৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যোৰহাট গড়কাপ্তানী পথ সংমণ্ডলৰ অধীনত টিয়ক হাঁহচৰা নামৰ কোনো পথ নাই।

(খ) প্ৰশ্ন নুঠে।

বিষয় ঃ ধ্বংসপ্ৰাপ্ত দলং পুনৰ নিৰ্ম্মাণ।

শ্ৰীগনেশ বড়োৱে সুধিছে ঃ

৩২৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আবছুৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত যিবোৰ দলং পুৰি পেলোৱা হ'ল অথবা অন্য প্ৰকাৰে ধ্বংস কৰা হ'ল সেইবোৰ পুনৰ নিৰ্ম্মাণ অথবা মেৰামতি কৰাৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছেনে ?

(খ) অতি গুৰুত্বপূৰ্ণ দলং কিছুমান ধ্বংস হোৱাৰ ফলত যাতায়তৰ যি ভয়াবহ অৱস্থাৰ সৃষ্টি হৈছে তালৈ লক্ষ্য কৰি সেইবোৰ অতি সোনকালেই পুনৰ নিৰ্ম্মান অথবা মেৰামতি কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যত্‌পৰোনাস্তি অস্থায়ী ব্যৱস্থা হাতত লোৱা হৈছে ।

(খ) পৰিস্থিতি সাপেক্ষে পৰ্য্যায়ক্ৰমে কৰা হব ।

## বিষয় ঃ ডুমুনী-বাগানৰ পৰা শালবাৰীহৈ বাঁহবাৰীলৈ যোৱা গড়কাপ্তানী পথ ।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে ঃ

৩৩০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নলবাৰী জিলাৰ ডুমুনীবাগানৰ পৰা বৰপেটা জিলাৰ জালাহ, চৰ্ণা, শালবাৰী হৈ বাঁহবাৰীলৈ যোৱা পথটো কেতিয়া গড়কাপ্তানী বিভাগত অন্তৰ্ভূক্ত কৰিছিল ?

(খ) এই পথটো গড়কাপ্তানী বিভাগত অন্তৰ্ভূক্ত হোৱা সময়ৰ পৰাই স্থানীয় ৰাইজ আৰু স্থানীয় বিধায়কৰ দ্বাৰা উক্ত পথৰ পছুমাৰা নদীৰ ওপৰত এখন দলং নিৰ্ম্মাণৰ বাবে আবেদন কৰি থকা কথাটো চৰকাৰৰ অবগত নে ?

(গ) যদি অবগত এই দলংখন নিৰ্ম্মাণৰ কাম বৰ্ত্তমান কি পৰ্য্যায়ত আছে আৰু উক্ত পথটো মেৰামতি, দলং নিৰ্ম্মাণ আদিৰ বাবে আজিলৈকে চৰকাৰৰ কিমান টকা ব্যয় হৈছে ।

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পৰ্য্যায়ক্ৰমে ইং ১৯৫৫-৫৬, ১৯৫৬-৫৭, ১৯৬১-৬২ আৰু ১৯৬৩-৬৪ বিত্তীয় বছৰত লোৱা হৈছে ।

(খ) চিঠিৰ নং আৰু তাৰিখ উল্লেখ নকৰাৰ কাৰণে কব পৰা নহ'ল ।

(গ) দলংখনৰ নিৰ্ম্মাণৰ কাম লোৱা হোৱা নাই । ৰাস্তা মেৰামতিৰ বাবে এতিয়ালৈকে ১৩·৪৮ লাখ টকা খৰচ কৰা হৈছে ।

বিষয় ঃ পেঙেৰীত ডাক-বঙলা।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৩৩১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া মহকুমাৰ পেঙেৰীত গড়কাপ্তানী বিভাগৰ এটি ডাক-বঙলা থকাটো চৰকাৰে জানেনে ?

(খ) উক্ত ডাক-বঙলাটো কেনে অবস্থাত আছে আৰু যোৱা বছৰ কেইজন মন্ত্ৰী বা উচ্চ পদস্থ বিষয়াই তাত জিৰণি লৈছিল ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) তিনিচুকীয়া মহকুমাৰ পেঙেৰীত গড়কাপ্তানী বিভাগৰ তিনিচুকীয়া পথ সংমণ্ডলৰ অধীনত এটি জিৰনি ঘৰ আছে।

(খ) উক্ত জিৰনি ঘৰটোৰ অৱস্থা একেবাৰে বেয়া। যোৱা বছৰ তাত কোনো মন্ত্ৰী বা উচ্চ পদস্থ বিষয়াই জিৰণি লোৱা নাছিল। বৰ্ত্তমান জিৰনি ঘৰটো ব্যৱহাৰৰ বাবে উপযোগী নহয়।

বিষয় ঃ Agro Service Center.

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

৩৩২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বৰ্তমানলৈকে কিমানটা Agro Service Center প্ৰতিস্থা কৰা হৈছে আৰু কোন জিলাত কিমানটা হৈছে।

(খ) গোলাঘাট জিলাত কোন কোন ঠাইত এই চেণ্টাৰ প্ৰতিস্থিত হৈছে, কি কি যন্ত্ৰ-পাতি যোগান ধৰা হৈছে আৰু এই চেণ্টাৰবোৰৰ পৰিচালনাৰ দায়িত্ব কাক অৰ্পিত কৰা হৈছে।

(গ) প্ৰতিষ্ঠা হোৱাৰ পাছত এই কেন্দ্ৰসমূহে কিমান কৃষকক সেৱা আগবঢ়াইছে ?

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত এতিয়ালৈকে ৭১ টা কৃষি সেৱা কেন্দ্ৰ (Agro Service Centre) প্ৰতিষ্ঠা কৰা হৈছে। এই সেৱা কেন্দ্ৰ সমূহ নিম্ন উল্লেখিত জিলা সমূহত প্ৰতিষ্ঠা কৰা হৈছে ঃ

| জিলা | কৃষি সেৱা কেন্দ্ৰৰ সংখ্যা |
|---|---|
| ১। ধুবুৰী | ৫ টা। |

| | | |
|---|---|---|
| ২। | শোণিতপুৰ | ৬ টা। |
| ৩। | কাছাৰ | ৪ টা। |
| ৪। | কৰিমগঞ্জ | ৫ টা। |
| ৫। | যোৰহাট | ৮ টা। |
| ৬। | গোলাঘাট | ৪ টা। |
| ৭। | নগাওঁ | ১০ টা। |
| ৮। | শিৱসাগৰ | ৩ টা। |
| ৯। | বৰপেটা | ৪ টা। |
| ১০। | লক্ষীমপুৰ | ২ টা। |
| ১১। | গোৱালপাৰা | ৩ টা। |
| ১২। | দৰং | ৯ টা। |
| ১২। | কামৰূপ | ৪ টা। |
| ১৩। | কোকৰাঝাৰ | ৪ টা। |
| | মুঠ | ৭১ টা। |

(খ) গোলাঘাট জিলাৰ অন্তৰ্গত নিম্নলিখিত সমবায় সমিতি সমূহত কৃষি সেৱা কেন্দ্ৰ স্থাপিত হৈছে :

১। পূৱ সৰুপথাৰ সমবায় সমিতি।

২। উত্তৰ বৰপথাৰ সমবায় সমিতি।

৩। মহুৰা সমবায় সমিতি।

৪। কুৰুৱাবাহী সমবায় সমিতি।

উক্ত কৃষি সেৱা কেন্দ্ৰ সমূহত নিম্ন লিখিত যন্ত্ৰ পাতি সমূহ যোগান ধৰা হৈছে :—

১। লোহাৰ নাঙল ও দিলা আৰু হেণ্ডেল = ৫ টা।

২। গৰুৱে টনা লোহাৰ হালৰ মৈ = ১ খন।

৩। বি বি ৯ লিটাৰ হেণ্ড কম্প্ৰেচন স্প্ৰেয়াৰ = ৩ টা।

৪। স্পাইক টুথ হেৰো = ২ খন।

৫। লেভেলাৰ = ১ খন।

৬। বীজ সিচঁা যন্ত্ৰ = ২ টা।

৭। হেণ্ড হুইল হু = ৭ টা।

৮। ধান নিৰনী যন্ত্ৰ ( বোকামাটিৰ ) = ৭ টা।

৯। শুকান মাটিৰ নিৰনী যন্ত্ৰ = ৭ টা।

১০। কিলোচকাৰ ৫ এইচ, পি পাম্প চেট্ = ১ চেট্ আৰু

১১। জ্যেতি মাল্টিব্ৰণ মৰণা মৰা যন্ত্ৰ = ১ টা।

উক্ত কৃষি সেৱা কেন্দ্ৰ সমূহ কৃষি বিভাগৰ দ্বাৰা প্ৰতিস্থা কৰাৰ পিছত ইয়াৰ পৰিচালনাৰ দায়িত্ব প্ৰতক্ষ্যভাৱে উক্ত সমবায় সমিতি সমূহৰ ওপৰত দিয়া হয়। এই নীতি কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ ক্ৰমে অনুসৰন কৰা হয়।

(গ) প্ৰতিষ্ঠা হোৱাৰ পিছত এই কেন্দ্ৰ সমূহে গোটেই অসমত ৮০ (আশী) হেজাৰ কৃষকক সেৱা আগবঢ়াইছে।

বিষয় ঃ ৰাইনো প্ৰিজাৰভেচন স্কীম।

৩৩৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাইনো প্ৰিজাৰভেচন স্কীমৰ অন্তৰ্ভূক্ত সংৰক্ষিত বনাঞ্চল কেইখন আৰু কি কি ?

(খ) এই আঁচনিৰ অন্তৰ্গত কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(গ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত এই আঁচনিত আৱন্টিত পূঁজি কিমান ধাৰ্য্য কৰা হৈছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) গড় সংৰক্ষণ আঁচনিৰ অন্তৰ্ভূক্ত সংৰক্ষিত বনাঞ্চল সমূহ হৈছে ৬ খন।

১। সম্প্ৰসাৰিত অঞ্চলৰে সৈতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান।

২। সম্প্ৰসাৰিত অঞ্চলৰে সৈতে মানাহ বন্যপ্ৰাণী অভয়াৰণ্য।

৩। লাওঁখোৱা, বুঢ়া চাপৰি আৰু কচমৰা অঞ্চল।

৪। ওৰাং সংৰক্ষিত বনাঞ্চল।

৫। পবিতৰা, মায়ং অঞ্চল।

৬। ডিব্ৰু-চৈখোৱা বনাঞ্চল ( অভয়াৰণ্য হিচাবে প্ৰাথমিক জাননীকৰণ হৈছে।

ইয়াৰ উপৰিও কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সম্প্ৰসাৰণৰ বাবে লোৱা ৬ টা নতুন সংযোজন ব্যৱস্থাওঁ আছে।

(খ) এই আঁচনিৰ অন্তৰ্গত লোৱা ব্যৱস্থা সমূহ হৈছে—

(১) ৫১৭ টা অতিৰিক্ত কৰ্ম্মচাৰীৰ পদৰ মঞ্জুৰী।

(২) ৰাষ্ট্ৰীয় উদ্যানৰ সম্প্ৰসাৰণৰ বাবে ব্যৱস্থা লোৱা।

(৩) সংৰক্ষণৰ বাবে আৱশ্যকীয় সা-সজুলী সংগ্ৰহ কৰাৰ ব্যৱস্থা।

(৪) ৰাস্তা ঘাট, দলং নিৰ্ম্মাণ আৰু মেৰামতি।

(৫) ঘৰ নিৰ্ম্মাণ।

(৬) যন্ত্ৰচালিত আৰু দেশী নাওঁ আদি সংগ্ৰহ।

(৭) যান-বাহন সংগ্ৰহ।

(৮) চোৰাং চিকাৰীৰ বিৰুদ্ধে ব্যৱস্থা।

(গ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাবে পুঁজিৰ আৱণ্টনৰ পৰিমাণ ঃ

১৯৮৬-৮৭ চনৰ বাবে ১৭'১৬ লাখ টকা।

১৯৮৭-৮৮ চনৰ বাবে ৫৪'৫০ লাখ টকা।

১৯৮৮-৮৯ চনৰ বাবে ৯৭'৮৪ লাখ টকা।

**Re : Matia Simlitola Road.**

**Shri Gopinath Das, asked.**

৩৩৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ "মাটিয়া শিমলীতোলা" ৰাস্তাটোৰ প্ৰায় সকলো-কেইটা দলং মেৰামতিৰ অভাৱত বেয়া হৈ থকা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) যদি ব্যৱস্থা গ্ৰহণ কৰা নাই, তেন্তে ইয়াৰ কাৰণ কি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মেৰামতিৰ অভাৱত সকলো কেইটা দলং বেয়া হৈ থকা নাই।

(খ) বাৰ্ষিক মেৰামতিৰ শিতানত প্ৰাপ্ত পুঁজিৰে অগ্ৰাধিকাৰৰ ভিত্তিত মেৰামতিৰ কাম কৰি থকা হৈছে।

(গ) "খ" প্ৰশ্নৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## বিষয় ঃ গড়কাপ্তানী বিভাগৰ প্লেন এণ্ড ইষ্টিমেট্ ।

শ্রীগোপী নাথ দাসে সুধিছে ঃ

৩৩৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ নগৰবেৰাত এটা ৩০ খন বিচনাযুক্ত গ্রাম্য চিকিৎসালয় আৰু নাইটৰ কল্যাণপুৰত এটা পি, এইচ, চি, স্থাপন কৰাৰ বাবে স্বাস্থ্য বিভাগে গড়কাপ্তানী বিভাগৰ পৰা প্লেন এণ্ড ইষ্টিমেট বিচৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ তেন্তে উল্লেখিত প্লেন এণ্ড ইষ্টিমেট দুটা গড়কাপ্তানী বিভাগে স্বাস্থ্য বিভাগক দিছেনে ?

(গ) যদি দিয়া নাই তেন্তে অতি সোনকালে প্লেন এণ্ড ইষ্টিমেট দুটা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্রীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, সচাঁ ।

(খ) নগৰবেৰাৰ ৩০ খন বিচনাযুক্ত গ্রাম্য চিকিৎসালয়খনৰ প্রাক্-কলন ইতিমধ্যে স্বাস্থ্য বিভাগক দিয়া হৈছে। আৰু নাইটৰ কল্যাণপুৰৰ বাবে প্রাক্-কলন তৈয়াৰ কৰিবলৈ মূখ্য অভিযন্তা ( গৃহ ) ক নির্দ্দেশ দিয়া হৈছে ।

(গ) হয়, অতি সোনকালে নাইটৰ কল্যাণপুৰ প্রাথমিক স্বাস্থ্য কেন্দ্রৰ বাবে প্রাক্-কলন দিয়াৰ ব্যৱস্থা লোৱা হব ।

( Unstarred Question No. 336. was deferred )

## বিষয় ঃ পৰীক্ষাৰ কাৰণে মাটি সংগ্রহ ঃ

শ্রীবশ্বেশ্বৰ সবকাৰে সুধিছে ঃ

৩৩৭। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) মাটি পৰীক্ষা কৰাৰ কাৰণে গ্রাম-সেৱক সকলে কৃষকৰ জমিৰ পৰা যি মাটিৰ নমুনা সংগ্রহ কৰে, সেই সকলো নমুনা পৰীক্ষা কৰি তাৰ ফলাফল খেতিয়কসকলক জনোৱা হয়নে ?

(খ) ১৯৮৭ ইং চনত উত্তৰ শালমাৰা মহকুমাৰ কোন কোন খেতিয়কৰ পৰা মাটিৰ নমুনা সংগ্রহ কৰিছে ?

( খেতিয়কৰ নাম আৰু ঠিকনা সদনৰ মজিয়াত দাখিল কৰিব । )

(গ) উক্ত মহকুমাত মাটিৰ নমুনা সমূহ পৰীক্ষা কৰাই তাৰ ফলাফল খেতিয়কসকলক জনোৱা হৈছেনে ?

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মাটি পৰীক্ষা কৰাৰ কাৰণে গ্ৰাম-সেৱক সকলে যি মাটিৰ নমুনা সংগ্ৰহ কৰে সেই সকলো নমুনা পৰীক্ষা কৰি তাৰ ফলাফল খেতিয়কসকলক জনোৱা হয় ।

(খ) ১৯৮৭ ইং চনত উত্তৰ শালমাৰা মহকুমাৰ ১৮০ জন খেতিয়কৰ খেতিৰ পৰা মাটিৰ নমুনা সংগ্ৰহ কৰা হৈছিল। ( খেতিয়কৰ নাম আৰু ঠিকনা ১নং তালিকাত দাখিল কৰা হ'ল । )

( See the list at Annexure-VI )

(গ) উক্ত মহকুমাৰ মাটিৰ নমুনা সমূহ গুৱাহাটীৰ পৰীক্ষাগাৰত পৰীক্ষা কৰি তাৰ ফলাফল সংশ্লিষ্ট মহকুমা কৃষি বিষয়াৰ জৰিয়তে খেতিয়ক সকলক জনোৱা হৈছিল ।

**Re : Orang Wild life Sanctuary.**

Shri Abdul Jabbar asked :

338. Will the Minister Forest be pleased to state :

(a) What are the impediments obstructing the Government not to modernwise the Orang Wild Life Sanstuary of the Darrang District ?

(b) What measures have been taken by the Government to stop killing of human lives and destroying of crops by the animals of the said sanctuary.

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) তেনে কোনো বাধা নাই। সকলো ধৰণৰ সা-সুবিধা, যেনে—

(১) মটৰ গাড়ী ।

(২) ইঞ্জিন চালিত নাওঁ ।

(৩) বেতাৰ যন্ত্ৰ আৰু অস্ত্ৰ-পাতি দিয়া হৈছে । বৰ্ত্তমানে

থকা বিত্তীয় পুঁজিৰ সাপেক্ষে বন্য প্ৰাণী ৰক্ষণাবেক্ষণৰ আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে।

(খ) অভয়াৰণ্যৰ ওচৰচুবুৰীয়া ৰাইজৰ সা-সম্পত্তি, নষ্ট কৰা আৰু মানুহৰ প্ৰাণহানিৰ প্ৰতিৰোধৰ বাবে :

(১) বিভাগীয় কৰ্ম্মচাৰীৰ অস্ত্ৰ-পাতিৰেও সক্ষম কৰি ৰখা হৈছে।

(২) স্থানীয় যুৱকক সংগঠিত কৰা হৈছে।

(৩) বনৰীয়া জন্তু খেদিবৰ কাৰণে ফটকা, টৰ্চ ও কেৰাচিন তেল আদি যোগান ধৰা হয়।

(৪) আহত হোৱা লোকক চৰকাৰৰ ফালৰ পৰা চিকিৎসাৰ সাহাৰ্য্য আগবঢ়োৱা হয় আৰু

(৫) বন্য প্ৰাণীৰ আক্ৰমণত নিহত হোৱা লোকক চৰকাৰৰ ফালৰ পৰা এক-কালীন সাহাৰ্য্য আগবঢ়োৱা হয়।

**Re : Site of Karimganj I. T. I.**

Shri Ramendra De asked :

339. Will the Minister, Labour be pleased to state :

(a) Whether the Site for Korimgonj I. T. I. has been finalised ?

(b) If yes, what is the Site ?

(c) If not, whether Government is taking any step to finalise the site as early as possible just to start the class from next session ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) হয়, কিন্তু অহা বাৰ Class কৰিব পৰা হব বুলি কথা দিব নোৱাৰিব।

**Miscellaneaus Discussion During Zero Hour**

* শ্ৰীনৰেণ তাঁতি : মাননীয় অধ্যক্ষ মহোদয়, অসম চাহ জনজাতি ছাত্ৰ সন্থাই আজি বহু দিনৰ পৰা তেওঁলোকৰ ২০ দফীয়া দাবী পূৰণৰ বাবে আন্দোলন চলাই আহিছে। তেওঁলোকৰ দাবীত

* (Speech not corrected)

পৃথক ৰাজ্যৰ দাবী নাই বা বেলেগে ভাষা বিচৰাৰ দাবী নাই। এই দাবী সমূহ অৰ্থনৈতিক দাবী। অসমত ৫০ লাখ চাহ-জনজাতি লোক আছে। এই চাহ-জনজাতিটো শিক্ষা, দিক্ষা, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো দিশতে পিচ পৰি আছে। গতিকে বৰ্তমান যুগত জীৱন যাত্ৰাৰ মানদণ্ডৰ প্ৰতি লক্ষ্য ৰাখি এই অৰ্থনৈতিক দাবী সমূহ চৰকাৰৰ ওচৰত আগবঢ়াইছে। এই দাবী সমূহৰ ভিতৰত ১০ টা দাবী পোনপটীয়া ভাবে ৰাজ্য চৰকাৰৰ লগত জড়িত। ৬ টা দাবী কেন্দ্ৰীয় চৰকাৰৰ লগত আৰু ৪টা দাবী চাহ কৰ্তৃপক্ষৰ লগত জড়িত। এতিয়া কথা হ'ল ৰাজ্য চৰকাৰে এই দহটা দাবী পোনপটীয়া ভাবে সমাধা কৰিব পাৰে, যি ৬টা দাবী কেন্দ্ৰীয় চৰকাৰৰ লগত জড়িত সেই দাবী সমূহ সমাধা কৰিবৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে। বাকী থকা ৪ টা দাবী চাহ বাগিচাৰ কৰ্তৃপক্ষক মাতি আনি অসম চৰকাৰৰ মধ্যস্থতাত সমাধা কৰাৰ ব্যৱস্থা ৰাজ্য চৰকাৰে কৰিব লাগে। বাগিছা কৰ্তৃপক্ষ সমূহক প্লেণ্টেচন লেবাৰ এক্টখন বাগিছা সমূহত প্ৰয়োগ কৰিবৰ কাৰণে চৰকাৰে বাধ্য কৰাব লাগে।

অসমৰ চাহ-জনজাতি সকলক অনুসূচিত জাতি আৰু অনুসুচিত জনজাতি হিচাবে স্বীকৃতি দিয়া কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব বুলি আমি জানো। গতিকে চাহ জনগোষ্ঠীৰ যিখিনি জাতি অনুসুচিত জাতি আৰু অনুসুচিত জনজাতি হিচাবে স্বীকৃতি পোৱাৰ যোগ্য সেই জাতি সমূহক কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে শীঘ্ৰে প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে।

'প্লেণ্টেচন লেবাৰ এক্ট—১৯৫১' খন সংশোধন কৰাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। গতিকে ৰাজ্য চৰকাৰে সংশোধনী প্ৰস্তাৱ সোণকালে পঠাব লাগে। এই বিধান সভাত শুনি সুখী হৈছো যে অসমৰ মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে প্লেণ্টেচন

* ( Speech not corrected )

লেবাৰ এক্ট খন সংশোধনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে। গতিকে তৎকালীন ভাবে ৰাজ্য চৰকাৰে এই দাবী সমূহৰ ওপৰত বিশেষ ভাবে বিবেচনা কৰি সমস্যা সমূহ সমাধানত আন্তৰিকতাৰে আগবাঢ়ি আহিব বুলি ভাবো। আমি আশা কৰিছো চাহ জনজাতি ছাত্ৰ সন্থাৰ আৰু আন্দোলনৰ পথলৈ ঠেলি নিদি এই সমস্যা সমূহৰ সমাধান কৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আন্দোলন পৰিহাৰ কৰাৰ পথ মুকলি কৰিব। এই ক্ষেত্ৰত মই মাননীয় মূখ্যমন্ত্ৰী মহোদয়ক সদনত এটা বিবৃত্তি দিবলৈ অনুৰোধ কৰিছো।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে কব :

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, মুখ্যমন্ত্ৰী : মাননীয় অধ্যক্ষ ডাঙৰীয়া,

অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ দাবী সমূহ চৰকাৰে আন্তৰিক-তাৰে বিবেচনা কৰি সমাধা কৰাৰ বাবে ব্যৱস্থা লৈছে। আৰু সেই বাবেই কেইবালানিও আলোচনা কৰা হৈছে। এই দাবী-সমূহৰ ১০ (দহ) টা দাবী ৰাজ্য চৰকাৰৰ লগত প্ৰত্যক্ষভাৱে জড়িত, ৬ (ছয়) টা দাবী কেন্দ্ৰীয় চৰকাৰৰ লগত জড়িত, ৩ (তিনি) টা দাবী চাহ বাগিছা কৰ্তৃপক্ষৰ লগত জড়িত আৰু ১ (এক) টা দাবী ৰাজ্য চৰকাৰ আৰু বাগিছা কৰ্ত্তৃপক্ষৰ লগত জড়িত।

দাবী সমূহ বিবেচনা কৰা হৈছে আৰু কেনে ধৰণে কাৰ্য্যত ৰূপ দিব পৰা যায় তাক চিন্তা কৰা হৈছে।

(১) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিক স্বীকৃতি দিয়াৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি হিচাবে স্বীকৃতি পাবলৈ যি বৈশিষ্ট্যৰ প্ৰয়োজন সেই বিষয়টো কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰণ কৰে। অসমৰ চাহ বনুৱা সকলৰ কোন জনগোষ্ঠীয়ে এই বৈশিষ্ট্য পূৰণ কৰিছে সেয়াও পৰীক্ষাৰ বিষয়। সেয়েহে অনুমোদন জনোৱাৰ পূৰ্ব্বে ৰাজ্যিক চৰকাৰে এই গোটেই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ এই নীতি-বিষয়ক সিদ্ধান্তৰ ভিত্তিত বিবেচনা কৰি আছে।

(২) ৰাজ্য চৰকাৰে The Plantation Labour Act, 1951 খন সংশোধন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে। ইয়াৰ প্ৰতিলিপি সন্মাণিত সদনত দাঙি ধৰা হৈছিল। The Plantation Labour Act, 1951 খন সংশোধন কৰাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। সময়ে সময়ে এই আইনখন প্ৰযোজ্য কৰিবলৈ বাগিছা কৰ্ত্তৃপক্ষক শ্ৰম-বিভাগে জনাই আহিছে আৰু পুনৰ বাগিছা কৰ্ত্তৃপক্ষসমূহক মাতি আনি এই আইনৰ প্ৰয়োগৰ গুৰুত্ব ৰাজ্য চৰকাৰে তেওঁলোকক বুজাই দিব।

(৩) ৰাজ্যখনৰ গুৱাহাটী, তেজপুৰ, উত্তৰ লক্ষীমপুৰ, নগাওঁ, যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়া, শিলচৰ, সোনাৰী, কৰিমগঞ্জ, ডিফু, বিশ্বনাথ চাৰিআলিত ছাত্ৰাবাস আছে। তেজপুৰত স্থায়ী ভাৱে নিজা ভৱন আছে। বাকীবিলাক ভাড়া ঘৰত চলোৱা হৈছে। ডিব্ৰুগড়, শিলচৰ আৰু গুৱাহাটীত নাছিং প্ৰশিক্ষণৰ ছাত্ৰী নিবাস ডিব্ৰুগড়ত স্থায়ী নিজা ভৱন আৰু বাকী দুটা ভাড়া ঘৰত আছে। মেঘালয়ৰ চিলঙতো স্থায়ী নিজা ভৱনত ছাত্ৰাবাস আছে। ইতিমধ্যে স্থায়ী ছাত্ৰাবাস নিৰ্মাণৰ কাৰণে জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰি থকা হৈছে। ভূমি অধিগ্ৰহণ হ'লে স্থায়ী ছাত্ৰাবাস পুঁজি সাপেক্ষে নিৰ্মাণৰ ব্যৱস্থা লোৱা হ'ব।

(৪) অসমৰ চাহ বাগিছা সমূহত থকা স্কুল সমূহ পৰ্য্যায়ক্ৰমে চৰকাৰৰ অধীনলৈ আনি থকা হৈছে। ইতিমধ্যে ব্যৱস্থা হাতত লোৱা হৈছে।

(৫) ডিব্ৰুগড় আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত চাহ-শ্ৰমিকৰ আচৰ অনুষ্ঠানটি প্ৰতি দিনে প্ৰচাৰ কৰা আৰু গুৱাহাটী দুৰদৰ্শণ কেন্দ্ৰতো চাহ শ্ৰমিকৰ অনুষ্ঠান প্ৰচাৰ কৰাৰ কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে।

(৬) অসম চাহ বাগিছা সমূহত "কল্যাণ বিষয়া" (Welfare Officer) নিয়োগৰ সময়ত চাহ শ্ৰমিকৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীক অগ্ৰাধিকাৰৰ ভিত্তিত নিয়োগৰ সুবিধা দিব লাগে বুলি বাগিছা কৰ্ত্তৃপক্ষ সমূহলৈ ৰাজ্য চৰকাৰে প্ৰস্তাৱ প্ৰেৰণ কৰিছে আৰু

সময়ে সময়ে সংশ্লিষ্ট বিভাগে কর্ত্তৃপক্ষৰ লগত আলোচনাও কৰিছে।

(৭) অসমৰ চাহ বাগিছা সমূহত কৰ্মচাৰীৰ পদ খালী হ'লে বা নতুনকৈ নিযুক্তি দিব লগা হ'লে চাহ আৰু প্ৰাক্তন চাহ শ্ৰমিকৰ শিক্ষিত যুৱকক অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰিব লাগে বুলি ৰাজ্য চৰকাৰে বাগিছা কৰ্ত্তৃপক্ষ সমূহক জনাইছে।

(৮) বাগিছা অঞ্চল সমূহত অৱস্থিত বিদ্যালয় সমুহত চাহ আৰু প্ৰাক্তন চাহ শ্ৰমিকৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীক শিক্ষকৰ পদৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত সুবিধা দিয়া হ'ব। চৰকাৰে এই ক্ষেত্ৰত সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব।

(৯) ৰাজ্য চৰকাৰৰ শ্ৰম বিভাগ আৰু খাদ্য পৰিদৰ্শক সমূহৰ যোগেদি বাগিছা কৰ্ত্তৃপক্ষই শ্ৰমিক সকলক দিয়া ৰেচন সময়ে সময়ে পৰীক্ষা কৰাব।

(১০) বৰ্তমান প্ৰাক-প্ৰাথমিক স্তৰতো শিক্ষাধিকাৰৰ তত্বাৱধানলৈ আনিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দি অহা হৈছে। সেয়ে বৰ্তমান অৱস্থাত চৰকাৰে ৰাজ্যখনত প্ৰাক-প্ৰাথমিক স্তৰতো আৰম্ভ কৰিব পৰা নাই। এই বিষয়ত সিদ্ধান্ত হ'লে চৰকাৰে এই দাবী অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰিব। অসমত কিছু সংখ্যক প্ৰাক্-প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হৈছিল। কিন্তু নতুন শিক্ষানীতি প্ৰৱৰ্ত্তন হোৱাৰ পিচত ০-৬ বছৰ বয়সত শিশুৰ দায়িত্ব সমাজ কল্যাণ বিভাগলৈ আহে। সেয়ে শিক্ষা বিভাগৰ তলত কোনো প্ৰাক্-প্ৰাথমিক বিদ্যালয় স্থাপন কৰিব পৰা নাই। সমাজ কল্যাণ বিভাগে I.C.D.S. আঁচনি আৰু স্বেচ্ছাসেৱী সংগঠনৰ যোগেদি শিশু শিক্ষাৰ ব্যৱস্থা কৰি আহিছে। আমাৰ চৰকাৰে এই স্বৰূপে প্ৰাথমিক বিদ্যালয়ৰ লগত পৰিচালনা কৰিবলৈ বিচাৰে। যিহেতু বিষয়তো নীতি বিষয়ক। সেয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি অহা হৈছে।

১১। অসমৰ চাহ আৰু প্ৰাক্তন চাহ-শ্ৰমিকৰ স্থায়ী বাসিন্দাৰ প্ৰমান পত্ৰ সহজ উপায়েৰে দিয়াৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰে জিলা প্ৰশাসন সমূহলৈ নিৰ্দ্দেশ পঠাব।

১২। চাহ আৰু প্ৰাক্তন চাহ-শ্ৰমিকৰ শিক্ষিত মহিলা সকলক বিভিন্ন অনুষ্ঠানত অগ্ৰাধিকাৰ ভিত্তিত প্ৰশিক্ষণ দিয়া হব।

১৩। তেজপুৰ, ডিব্ৰুগড় আৰু ডুমডুমাত সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰি ইয়াৰ জৰিয়তে চাহ শ্ৰমিকৰ ভাষা, সংস্কৃতি, কলাৰ বৈজ্ঞানিক বিশ্লেষণ তথা সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

১৪। চাহ আৰু প্ৰাক্তন চাহ-শ্ৰমিকৰ কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক, শ্ৰম আয়ুক্ত, চাহ নিগমবোৰৰ বিষয়া, চাহ শ্ৰমিক কল্যাণ পৰিষদৰ আয়ুক্ত, এ-টি-পি-পি এফৰ আয়ুক্ত নিয়োগৰ নিৰ্দ্দিষ্ট নীতি অনুযায়ী কৰা হয়।

১৫। Plantation labour Act ৰ মতে চাহ বাগিচা কৰ্তৃপক্ষই চাহ-শ্ৰমিকৰ খোৱা পানী যোগান ধৰিব আৰু এই ক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে ৰাজ্য চৰকাৰে কৰ্তৃপক্ষৰ সহযোগত ব্যৱস্থা লব।

১৬। অসমৰ চাহ বাগিচাৰ প্ৰধান অঞ্চল সমূহলৈ বিদ্যুৎ সম্প্ৰসাৰিত কৰিবলৈ ৰাজ্য চৰকাৰে ব্যৱস্থা লৈছে আৰু ল'ব।

১৭। বাগিছাৰ চিলিং এক্টত যোৱা ভূমি চাহ আৰু প্ৰাক্তন চাহ-শ্ৰমিকৰ মাজত বিতৰণ কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰা হ'ব।

১৮। অসমৰ চাহ আৰু প্ৰাক্তন চাহ-জনগোষ্ঠীৰ জন-সংখ্যাৰ প্ৰকৃত তথ্য নিৰুপণ কৰিবৰ বাবে ৰাজ্য চৰকাৰৰ ফালৰ পৰা লোক পিয়লৰ সময়ত ব্যৱস্থা লবৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰা হ'ব।

১৯। প্ৰাপ্ত-বয়স্ক শিক্ষা নিৰক্ষৰ চাহ-শ্ৰমিকৰ মাজত প্ৰচাৰৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। সোনাৰী, গহপুৰ, ৰাঙাপাৰা আদি চাহ-জনজাতি অধ্যুষিত অঞ্চলত বিশেষ প্ৰকল্প লোৱা হৈছে। বৰ্ত্তমান ভাৰত চৰকাৰে আঁচনিখনত নতুন ৰূপ দিছে। নতুন আঁচনি মতে স্বেচ্ছাসেৱী সংগঠন সমূহক প্ৰাপ্ত-বয়স্ক শিক্ষাৰ সম্প্ৰসাৰণত জড়িত

কৰা হ'ব। আমাৰ ৰাজ্যখনত আঁচনিখন সাৰ্থক কৰি তুলিবৰ কাৰণে স্বেচ্ছাসেৱী সংগঠনৰ লগত আলোচনা কৰা হৈছে। এই আচনিৰ বিভিন্ন পদত চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ লোকক জড়িত কৰা হৈছে। অসম চাহ-জনজাতি ছাত্ৰ সন্থাও এই আঁচনিত জড়িত হলে আমি আদৰণি জনাম।

২০। নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্ত্তী অঞ্চলসমূহৰ জন সাধাৰণৰ নিৰাপত্তা আৰু শান্তি শৃঙ্খলা অটুট ৰাখিবলৈ ৰাজ্য চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ লগত শিক্ষা মন্ত্ৰীক আলোচনা কৰিবলৈ দিয়া হৈছিল। শিক্ষামন্ত্ৰীয়ে ৩।৪।৮৯ ইং তাৰিখে বিয়লি তিনি বজাত জনতা ভৱনত আলোচনাৰ কাৰণে তেখেত সকলক নিমন্ত্ৰন জনাইছিল। যোৰহাটৰ জিলা প্ৰসাশণৰ পৰা জনা মতে বিশেষ কাৰণত তেখেতসকল আলোচনালৈ আহিব নোৱাৰিলে। সমস্যাসমূহ আলোচনাৰ মাজেৰে সমাধান হোৱাতো আমি বিচাৰো। সোন-কালে আলোচনাত মিলিত হব বুলিও আমি আশা কৰিছো। লগতে অসম চাহ-জনজাতি ছাত্ৰ সন্থাক আন্দোলনৰ পথ পৰিহাৰ কৰিবলৈও আমি আহ্বান জনাইছো।

* শ্ৰীপ্ৰদীপ হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, মই আজি এই সদনত এটা অতি গুৰুত্বপূৰ্ণ বিষয় বিশেষকৈ শিৱসাগৰ জিলাত দেখা দিয়া যিটো বিষয় গণ-পৰিষদ চৰকাৰ শাসনৰ গাদীলৈ অহাৰ পিছতেই এই সদনতেই মই উৎথাপন কৰিছিলো। সেই বিষয়টোকেই আজি আকৌ এই সদনত উৎথাপন কৰিব খুজিছো। শিৱসাগৰ জিলাত দেখা দিয়া এই জলন্ত সমস্যাৰ সমাধানৰ কাৰণে চৰকাৰৰ ফালৰ পৰা আজিলৈকে কোনো ব্যৱস্থা লোৱা দেখা নগল। সেয়ে সেই জলন্ত সমস্যাটো আকৌ আজি ডাঙি ধৰিব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, এখন চৰকাৰ হ'লে সকলোকে নিৰাপত্তা দিব পাৰিব লাগিব। নগালেণ্ডত স্থাপন কৰা টুলি কাগজ কলৰ কাৰণে শিৱসাগৰ জিলাৰ আমগুৰিৰ মাজেদি বৈ

* ( Speech not corrected )

যোৱা জাঁজী নৈৰ দুয়োপাৰে থকা ৰাইজে আজি ৭/৮ বছৰে জীয়াতু ভুগিছে। এই বিষয়টো আমাৰ চৰকাৰৰ ফালৰ পৰা অতি গুৰুত্ব সহকাৰে বিবেচনা কৰি চাব লাগিছিল। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ এঠাইত কোনো হিংসাত্মক কাৰ্য্য সংঘটিত হলে যেনেকৈ দুৰ্গত ৰাইজক নিৰাপত্তা দিয়া কৰ্ত্তব্য, সেই দৰে আন কিবা কাৰণতো যদি ৰাইজে নিৰাপত্তা নাইকীয়া বুলি অনুভৱ কৰে তেতিয়া সেই সকল ৰাইজকো নিৰাপত্তা প্ৰদান কৰা চৰকাৰৰ সমানেই দায়িত্ব আছে।

মাননীয় অধ্যক্ষ মহোদয়, আপোনালোক সকলোৰেই জানে যে, 'ডি ফৰেষ্টেশ্বন'ৰ কাৰণে হোৱা 'ইকলজিকেল ইমবেলেন্স'ৰ কাৰণে ভাৰত চৰকাৰে আজি কোটি কোটি টকা খৰছ কৰি পৰিস্থিতিৰ জোৰা মাৰিবলগীয়া এটা অৱস্থাৰ সৃষ্টি হৈছে। থিক সেইদৰেই কিছুমান ক্ষুদ্ৰ স্বাৰ্থৰ কাৰণে নাগালেণ্ডত প্ৰতিষ্ঠা কৰা টুলি কাগজ ক'লেও হাজাৰ হাজাৰ মানুহক জীয়াতু ভোগাইছে। প্ৰথমতে এই কাগজ ক'লৰ পৰা অপ্ৰয়োজনীয় বস্তু বিলাক এটা 'স্পেচিয়েল কেনেল' কাটি ব্ৰহ্মপুত্ৰত পেলোৱাৰ কোটি টকীয়া পৰিকল্পনা আছিল। কিন্তু তাকে নকৰি এই দৰে জাঁজী নৈৰ মাজেদি সেইবিলাক নিৰ্গত কৰি দিয়াৰ কাৰণে হাজাৰ হাজাৰ মানুহে জীয়াতু ভুগিবলগীয়া হৈছে। আজি যিখিনি মানুহে এই দৰে জীয়াতু ভূগিছে সেই মানুহখিনি হৈছে গৰীৱ, দুখীয়া মানুহ। একো নেজানে। সেই গৰীৱ, দুখীয়া আৰু একো নজনা মানুহখিনিক আমি জনা মানুহখিনিয়ে নিৰাপত্তা দিয়া বা জীয়াই ৰখাৰ ব্যৱস্থা কৰিব লাগিছিল। এই মানুহখিনিক যদি আমি নিৰাপত্তা দিব নোৱাৰো তেতিয়া হ'লে, সেই মানুহ-খিনিয়েও এদিন হয়তো নিজৰ হাতত অস্ত্ৰ তুলি লব। তেতিয়া আকৌ এই চৰকাৰেই সেই মানুহখিনিক শাসন কৰিবৰ কাৰণে ব্যৱস্থা লব। ১৫০ মাইলৰ ভিতৰত ১২০ মাইল দৈৰ্ঘ্যৰ দুয়োপাৰে থকা মানুহখিনিয়ে আজি দুৰ্ব্বিৱহ জীৱন যাপন কৰিব-লগীয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা 'শ্ল পইজন'ৰ

নিছিনা হৈছে। 'আৰ্চেনিক চালফাৰ, পটেচিয়াম চালফাৰ' আদি বিহ। আজি এইবিলাক লৈয়েই জনসাধাৰণ বাচি থাকিব-লগীয়া হৈছে। এই সমস্যাবিলাক আজি কেৱল, জঁাজী নৈত্তেই আবদ্ধ হৈ থকা নাই, ৰাজ্যখনৰ অন্যান্য ঠাইতো এইবিলাক সমস্যাই দেখা দিছে। যেনে বোকাজানৰ চিমেণ্ট ফেক্টৰীৰ আশে-পাশে থকা অঞ্চলসমূহত কলপাতৰ ওপৰত এটা চামনি পৰি আছে। সেইদৰে অ', এন, জি, চি'তো সেই একেই অৱস্থাই হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগ এটা আছে যদিও এই বিভাগে কেৱল খোৱা পানীকণহে দিব পাৰিব, কিন্তু বাকী বিলাকটো কৰি দিব নোৱাৰে বা কিমান পানীয়েই পৰিশোধন কৰিব। সি কেতিয়াও সম্ভৱপৰ নহয়। নৈ, বিল, খাল আদিৰ পানীটো ইমান সহজে শোধন কৰিব নোৱাৰে। গতিকে এই মানুহখিনি যদি জীয়াই নেথাকে, তেতিয়া হলে সেই মানুহখিনিক আপোনালোকেটো কেতিয়াও পুনৰ সৃষ্টি কৰিব নোৱাৰে। চৰকাৰৰ এই সম্পৰ্কে 'পলিউশ্বন কণ্ট্ৰল' বুলি বিভাগ এটা আছে যদিও, তাৰ বিষয়া সকল তালৈ গলে হাঁহি হাঁহিহে ফিৰি আহে। য'ত কোটি কোটি টকা খৰছ কৰাৰ কথা আছিল তাত ৫০ হেজাৰ টকা খৰছ কৰিবলৈ একো নাছিল। মাননীয় অধ্যক্ষ মহোদয়, এবাৰ মই এই সদনতে এটা পানীৰ বটলো দেখুৱাইছিলো। যিটো পানীৰ ৰং ইয়াত দেখুওৱা হৈছিল সেইটো পানীৰ ৰং কেতিয়াও হব নোৱাৰে। যোৱা ভূমিকম্পৰ পিছত যেতিয়া সেই মিলটো বন্ধ হৈছিল তেতিয়া তাৰ বাইজে বৰ বিৰক্তিৰ নিশ্বাস পেলাইছিল। কিন্তু পুনৰ সেইটো চালু হ'ল। অশোক কাগজ কল, জাগীৰোড আদিতো সেইটো হৈছে। কিন্তু তথাপিও চৰকাৰ কিয় চুপে-চাপে বহি আছে সেইটোহে বিচাৰ্য্যৰ কথা। 'পলিউশ্বন কণ্ট্ৰল' বুলি বিভাগ এটা আছে যদিও তাৰ পৰা কোনো কাম হোৱা নাই। আমাৰ এটা কথা আছে বোলে, 'আছে গৰু নাবায় হাল, সেই গৰু হোৱাত কৈ নোহোৱাই ভাল। এই ক্ষেত্ৰতো সেই একেই হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি অসম গণ পৰিষদ চৰকাৰ হোৱা প্ৰায় তিনিবছৰেই হ'ল। কিন্তু ইমান দৃষ্টিগোচৰ কৰা স্বত্বেও আজিলৈকে কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে। এতিয়া আৰু চৰকাৰ যাবলৈ বেছি দিন নায়েই। মোৰ সমষ্টিৰ পৰা টেলিগ্ৰাম আহিছে। বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান, সংগঠন আদিয়ে জনাইছে। মই এবাৰ জেনেৰেল মেনেজাৰ এজনক এগিলাচ পানী দিছিলো। তেখেতে পানী গিলাচ চুবলৈকে সংকোচ কৰিলে। গতিকে পৰিস্থিতি হৈছে এইটোৱেই। সেই কাৰণেই মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাটোৰ এটা আশু সমাধানৰ কাৰণে চৰকাৰে এটা ক্ষীপ্ৰ ব্যৱস্থা লৈ জীয়াতু ভোগা ৰাইজসকলক বচাব বুলি আশা কৰি এই অতি গুৰুত্বপূৰ্ণ বিষয়টো উৎথাপন কৰিলো যাতে স্বৃষ্টিৰ বিনন্দীয়া জীৱ শ্ৰেষ্ঠ মানুহ তিল-তিল কৈ মৃত্যুৰ মুখত পৰিব নেলাগে। ধন্যবাদ।

* শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য গৰাকীয়ে উদ্বেগ প্ৰকাশ কৰিছে যে নাগালেণ্ডৰ টুলিত অৱস্থিত কাগজকলৰ পৰা ওলোৱা ময়লা পানী শোধিত কৰাৰ। সেই সমস্যাৰ সমাধানত মই প্ৰকাশ কৰিব বিছাৰিছো যে, নাগালেণ্ডৰ টুলিত অৱস্থিত কাগজকলৰ পৰা ওলোৱা ময়লা পানী শোধিত কৰি নিৰ্গত কৰিবৰ বাবে ইং ১৯৭৬ চনৰ ১৬ ডিচেম্বৰ তাৰিখে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদক অনুজ্ঞা পত্ৰ বিছাৰি আবেদন কৰে। কাগজকলৰ পৰা আবেদনখন পোৱাৰ পাচত অসম পানী আৰু বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে এটা জৰীপ চলাই আৰু জৰীপৰ টোকা পৰিষদৰ কাৰ্য্যকৰী সমিতিত উৎথাপন কৰা হয়। কাৰিকৰী সমিতিৰ অনুমোদন অনুসৰি নাগালেণ্ড কাগজ কলৰ পৰা ওলোৱা শোধিত ময়লা পানী জাঁজী নৈত নেপেলাই 'টিফুক' নলাটোতহে পেলাব লাগে। কাৰিকৰী সমিতিৰ মতা-মত পৰিষদৰ নৰম বৈঠকত ইং ১৮/১১/৭৭ তাৰিখে পেচ কৰা হয় আৰু পৰিষদৰ উক্ত সভাই কলটোৰ ওপৰত কিছুমান স্বত্ব আৰোপ কৰি অস্থায়ী ভাৱে সম্মতি প্ৰদান কৰে।

* (Speech not corrected)

এই চৰ্ত্তাৱলীৰ ভিতৰত এইটো উল্লেখ আছে যে টিফুক নলা হৈ কাগজ কলটোৰ পৰা নিৰ্গত হোৱা শোধিত ময়লা পানী পৰিসীমাৰ ভিতৰত ৰাখিহে নিৰ্গত কৰিব লাগিব আৰু কাগজ কলটোৰ আবেদন অনুসৰি জাঁজী নৈত নহয়। ইং১৮-১১-৭৭ তাৰিখে বহা পৰিষদৰ নৱম বৈঠকত এইটো উল্লেখ আছে যে টিফুক নলাৰ ওচৰৰ বাসিন্দাসকলক খোৱা পানীৰ যোগান ধৰিব লাগিব। এই সংক্ৰান্তত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰিষদৰ সিদ্ধান্তৰ কথা জনাই অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগলৈ এখন পত্ৰ প্ৰেৰণ কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰৰ স্বাস্থ্য আৰু কল্যাণ বিভাগে ভাৰত চৰকাৰৰ উদ্যোগবিভাগলৈ চিঠি লিখে। খোৱা পানী যোগানৰ কাৰ্য্যকৰী ব্যৱস্থাৰ অংশ হিচাপে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যোৰহাট - শিৱসাগৰ কাৰ্য্যবাহী অভিযন্তাৰ মুখ্য কাৰ্য্যালয়ৰ তৰফৰ পৰা টিফুক নদীৰ পাৰৰ ৰাইজৰ খোৱা পানী যোগান ধৰিবৰ বাবে যথেষ্ট সংখ্যক নলীনাদ বহুৱাবলৈ চিঠি লিখে। পৰিষদৰ নিৰ্দ্দেশ ক্ৰমে কাগজ কলটোৱে ময়লা পানী পৰিশোধন কৰিবৰ বাবে ময়লা পানী পৰিশোধন গোট স্থাপন কৰে আৰু শোধিত ময়লা পানী কঢ়িয়াই নিয়া পাইপ লাইনৰ নিৰ্ম্মান কাৰ্য্য সমাপ্ত কৰে। ময়লা পানী কঢ়িয়াই নিবলৈ নিৰ্ম্মাণ কৰা পাইপ লাইন পৰীক্ষামূলক ভাৱে চলোৱাৰ সময়ত কেইবা ঠাইতো ফাট মেলে আৰু ইয়াৰ পুনৰ নিৰ্ম্মাণ কৰি সমাপ্ত কৰে, কাগজ কলটোৰ পৰা ওলোৱা ময়লা পানী যাতে জাঁজী নৈত নেপেলায় সেই বিষয়ে কাগজ কলটোৰ কৰ্মকৰ্তাসকলক সকিয়াই থকা হৈছে। ময়লা পানী শোধিত কৰি নিৰ্দ্দিষ্ট দিনৰ ভিতৰতহে ইয়াৰ মান ৰাখি টিফুক নলাত পেলোৱাৰ বাবে পৰিষদৰ তৰফৰ পৰা নিৰ্দ্দেশ দিয়া হৈছে। কাগজ কলটোৰ পৰা ওলোৱা ময়লা পানী নিৰ্গত কৰিবৰ বাবে দুটাহে পথ আছে। এটা হল টিফুক নলা আৰু আনটো হ'ল জাঁজী নৈ। যিহেতু জাঁজী এখন ডাঙৰ নৈ আৰু ইয়াৰ পৰা পানী ৰাইজে খোৱাৰ বাবে ব্যৱহাৰ

কৰে তাৰোপৰি ভৱিষ্যতে ইয়াত খোৱা পানী যোগানৰ আঁচনি, জলসিঞ্চন আদি হোৱা আশা আছে সেয়েহে জাঁজী নৈত ময়লা পানী পেলাবলৈ নিৰ্দ্দেশ দিয়া হোৱা নাই। যিহেতু টিফুক নলাটো অপেক্ষাকৃত ভাৱে সৰু আৰু শীতকালত প্ৰায়বোৰ অংশতে পানী শুকাই যায়। পানী শোধিত নকৰাকৈ খোৱাৰ অনুপযুক্ত। পৰিষদৰ কাৰিকৰী সমিতিয়ে সেয়েহে টিফুক নলাতহে কাগজ কলৰ পানী পেলাবলৈ পৰামৰ্শ দিয়ে আৰু পৰিষদৰ সভাই ইয়াক অনুমোদন জনায়। এই সিদ্ধান্ত কাগজকলটোৰ কৰ্তৃপক্ষক অৱগত কৰা হৈছে। কাগজ কলটোৰ পৰা ব্ৰহ্মপুত্ৰলৈ দূৰত্ব ৫০ কিলোমিটাৰৰ ওপৰ হব আৰু এনে স্থলত পাইপ লাইনেৰে ময়লা পানী কঢ়িয়াই নি ব্ৰহ্মপুত্ৰত নিৰ্গত কৰা ব্যয় বহুল হব। পাহাৰীয়া অঞ্চলতো পাইপ বহুৱাটো আৰু ইয়াক মেৰামতি কৰা অসমৰ অঞ্চলৰ ওপৰেদি যোৱা অংশ অন্য ৰাজ্যৰ পৰা আহি পৰিদৰ্শন কৰাটো কষ্টকৰ হব। ইং ১৯-৩-৮৭ তাৰিখে দিল্লীত ভাৰত চৰকাৰৰ পৰিৱেশ বিভাগৰ লগত হোৱা আলোচনাত এই বিষয়টো উত্থাপন কৰা হয় আৰু অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তৰফৰ পৰা ময়লা পানী শোধিত কৰি নগা ৰাজ্যত ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে আৰু ইয়াৰ বাবে উপায় উদ্ভাৱন কৰিবলৈ জোৰ দিয়া হৈছে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তৰফৰ পৰাও কাগজ কলটোৰ ওপৰত জাননী দিয়া হৈছে। কাগজকলৰ পৰা ওলোৱা ময়লা পানীৰ মান পৰিশোধন গোটৰ পৰা নিৰ্গত হোৱাৰ পিছতেই সংগ্ৰহ কৰি বিশ্লেষণ কৰিব পৰা হোৱা নাছিল। অসম চৰকাৰৰ ৰাজনৈতিক বিভাগৰ সীমা শাখাই নগা ৰাজ্যৰ মুখ্য সচিবলৈ ইং ১-৬-৮৭ তাৰিখে এক পত্ৰৰ যোগেদি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ বিষয়াক আচম্বিতে কাগজ কলটো পৰিদৰ্শন কৰিবৰ বাবে অনুমতি দিবলৈ অনুৰোধ জনায়। কাৰণ নগা ৰাজ্যত প্ৰৱেশ কৰিবলৈ হ'লে অনুমতি পত্ৰৰ প্ৰয়োজন। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তৰফৰ পৰা ইং ২৯-৩-৮৯ তাৰিখে নগা ৰাজ্যৰ ভিতৰৰ পৰা শিৱসাগৰৰ

উপায়ুক্তৰ উপস্থিতিত নমুনা সংগ্ৰহ কৰি পৰীক্ষাগাৰত বিশ্লেষণৰ বাবে দিয়া হয় আৰু তেতিয়াহে কাগজকলটোৰ পৰা নিৰ্গত হোৱা ময়লা পানীৰ প্ৰকৃত গুণাগুণ জানিব পৰা যাব। এই বিষয়টো আন্ত-ৰাজ্যিক হোৱা হেতুকে অসম প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগে উত্তৰ পূব পৰিষদৰ ইং ১৭-৬-৮৭ তাৰিখৰ বৈঠকত উৎথাপন কৰে আৰু উত্তৰ পূব পৰিষদ, কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ বিভাগৰ লগত যোগাযোগ কৰিছে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে আইনসঙ্গত ব্যৱস্থা গ্ৰহণৰ বাবে খচৰা প্ৰস্তুত কৰি ভাৰত চৰকাৰৰ পৰিবেশ বিভাগৰ ওচৰত দাখিল কৰিছে। যিহেতু কাগজকলটো কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধীনত পৰে, এই বিষয়ে তেখেতসকলৰ লগতো যোগাযোগ কৰি থকা হৈছে। কাগজকলটোৰ পৰা উৎপন্ন হোৱা প্ৰদূষণৰ বিষয়ে অধ্যয়ন কৰিবৰ বাবে এন, ই, চি, য়ে এখন পাঁচজনীয়া সমিতি গঠন কৰি দিছে। যোৱা ভূঁইকপৰ ফলত কলটোৰ ক্ষতি সাধন হোৱা হেতুকে কাগজকলটো বন্ধ হৈ থকা বাবে কমিতিটোৱে পৰিদৰ্শন কৰিব নোৱাৰিলে। কাগজকলটো পুনৰ চলোৱাৰ পৰিপ্ৰেক্ষিতত এপ্ৰিল মাহৰ তৃতীয় সপ্তাহত কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ লগত কাগজকলটো পৰিদৰ্শন কৰি পৰিষদৰ তৰফৰ পৰা চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰা হ'ব। পৰিষদৰ পৰা ইং ২১-৩-৮৯ তাৰিখে কৰা পৰিদৰ্শনত পোৱা খুটি-নাটি সমূহ দূৰ কৰিবৰ বাবে পৰিষদৰ তৰফৰ পৰা কাগজকলৰ কৰ্তৃপক্ষক সকিয়াই দিয়া হৈছে।

বিষয়টো বহু বছৰ আগতে লোৱা হৈছিল। আকৌ নতুনকৈ বিষয়টো চৰকাৰৰ লগত যোগসূত্ৰ কৰোতে যথেষ্ট অসু-বিধাৰ সন্মুখীন হৈছো। মাননীয় সদস্য গৰাকীয়ে যি উদ্বেগ প্ৰকাশ কৰিছে, সেই পৰিপ্ৰেক্ষিতত আইনগত ভাৱে অসুবিধাৰ মাজতো অলপো অনিহ্যা প্ৰকাশ নকৰাকৈ কাৰ্য্যকৰী ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিছো।

* শ্ৰীকুল বাহাদুৰ চেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ইং ২ এপ্ৰিল তাৰিখে দৈনিক অসম কাকতত ওলোৱা "২৫০ টা পৰিয়াল উচ্ছেদ"

* ( Speech not corrected )

বিষয়টো উৎথাপন কৰিবলৈ ওলাইছো। ডুমডুমা তৰনি অঞ্চলত ঘৰ সাজি বাস কৰি থকা প্ৰাক্তন চাহ বনুৱাৰ পৰিয়ালক উচ্ছেদ কৰা হয়। বন বিভাগৰ পৰা হাতী লগাই ইং ২৯ তাৰিখে এই পৰিয়ালখিনিক উচ্ছেদ কৰা হৈছে। উচ্ছেদ কৰা সময়ত তাত ৫ জন ব্যক্তি আহত হৈছে বুলিও প্ৰকাশিত হৈছে। মাৰ্ঘেৰিটা সমষ্টিৰ এই দুৰ্ভগীয়া বনুৱাখিনিয়ে অথচ চৰকাৰক মাটিৰ বাবদ খাজনা আদিও দি আছে। অথচ তেওঁলোকক উচ্ছেদ কৰা কথাটো আইন বিৰুদ্ধ কথা হৈছে। তাৰোপৰিও আমি দেখিবলৈ পাইছো ২০/৩০ বছৰ খেতি-বাতি কৰি, ঘৰ সাজি বাস কৰাৰ পাচত বন বিভাগে সেই ঠাইখিনি বনাঞ্চল বুলি ঘোষণা কৰে।

সেই দুখীয়া কৃষক মানুহখিনি আজি বিশ-ত্ৰিশ-চল্লিশ বছৰ ধৰি তাত বহি খাজনা দি ঘৰ-দুৱাৰ কৰি আছে, তাৰ পিচত বনাঞ্চল কৰিবলৈ প্ৰস্তাৱ দিয়া হ'লে সেই সকল লোকৰ বিৰাট অসুবিধা হব। এই ২৫০ টা পৰিয়ালৰ দুৰ্গতি হব। যদি উচ্ছেদ কৰিবলৈ খুজিছে, তেনেহ'লে তেওঁলোকৰ পুনৰ সংস্থাপনৰ কি ব্যৱস্থা চৰকাৰী ভাৱে লোৱা হৈছে সেই কথাও মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আশা কৰো এটা বিতং বিৱৰণ এই পৱিত্ৰ সদনৰ মজিয়াত দাখিল কৰি আমাৰ সন্দেহ খণ্ডন কৰিব। সেই সকলৰ মাজৰ পৰা ৰাইজৰ প্ৰতিনিধি আমাৰ ইয়ালৈ আহিছে। মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত স্মাৰক পত্ৰ দিবলৈ, গতিকে মই পুনৰ অনুৰোধ কৰিছো যাতে সেই ৰাইজ বহি থকাৰ সম্পৰ্কত খিলঞ্জীয়া লোকসকল কিমান দিনৰ পৰা বহি আছে সেই কথাটো চিন্তা কৰা প্ৰয়োজন। অলপতে তাৰ পৰা ১০২ জন লোকক গ্ৰেপ্তাৰ কৰি অনা হৈছে। সেয়ে মই পৱিত্ৰ সদনত পুনৰ কৈছো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেই ঠাইৰ উপায়ুক্তৰ লগত আলোচনা কৰি এই ভূমিহীন দুখীয়া আৰু প্ৰাক্তন চাহ বনুৱা মানুহখিনিক কি ভাৱে পুনৰ সংস্থাপিত কৰে সেই সম্পৰ্কত বিতং বিৱৰণ এটা এই পৱিত্ৰ সদনত দিব বুলি আশা কৰিছো। এই বিষয়ত সবিশেষ জনাব বুলিয়েই বিষয়টো সদনত উৎথাপন কৰিছো।

শ্ৰীআব্দুল জলিল ৰাগিবী : মোৰ এটা জাননী আছিল।

শ্ৰীসুৰেন্দ্ৰনাথ মেধী ( বন বিভাগৰ মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ সম্পৰ্কত বিতং খবৰ লবলৈ অলপ সময় লাগিব। অহা ইং ১১ এপ্ৰিলৰ দিনা দিব পৰা হ'ব।

মাননীয় অধ্যক্ষ : এতিয়া সদনত চুক্তি ৰূপায়ণ মন্ত্ৰীয়ে এটা বিবৃতি দিব।

শ্ৰীজয়নাথ শৰ্মা ( চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি অনুসৰি অসমত এটা তেল শোধনাগাৰ প্ৰতিস্থা কৰাৰ কথা আছিল আৰু এই সম্পৰ্কত আমাৰ মুখ্যমন্ত্ৰী আৰু ভাৰতবৰ্ষৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ মাজত এখন চুক্তি হৈ যায় আৰু সেই চুক্তি অনুসৰি অসমত এটা শোধানাগাৰ প্ৰতিস্থা কৰাৰ সিদ্ধান্ত কৰা হৈছে। এই সম্পৰ্কত সদনক অৱগত কৰাৰ কাৰণে এটা বিবৃতি উৎথাপন কৰিব খুজিছো।

Shri Binai Khungur Basumatari : Sir, on a point of order. We already know about it from the news paper.

## Statement By The Minister

শ্ৰীজয়নাথ শৰ্মা (চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ক্ষীপ্ৰ অৰ্থনীতিৰ উন্নয়ণৰ প্ৰতি থকা কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতা অনুসৰি ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়ণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্য আগত ৰাখি অসম চুক্তিৰ ৭ নং দফাত এক বিশেষ প্ৰস্তাৱ ৰখা হৈছে আৰু এই প্ৰস্তাৱ আগত ৰাখিয়েই অসম চুক্তিত অসমত এটা শোধানাগাৰ স্থাপনৰ এক বিশেষ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছিল। আৰম্ভনিতে কেন্দ্ৰীয় চৰকাৰে এই শোধানাগাৰটো ব্যক্তিগত খণ্ডত স্থাপন কৰাতহে জোৰ দিছিল। কিন্তু ব্যক্তিগত ব্যৱসায়ীক জড়িত কৰিলে পলম হব পাৰে বুলি সন্দেহ কৰি অসম চৰকাৰে এই শোধানাগাৰটো ৰাজহুৱা খণ্ডতহে স্থাপন কৰাৰ পৃষ্ঠপোষকতা কৰিছিল।

ইং ১৯৮৬ চনৰ অক্টোবৰ মাহত পেট্ৰ'লিয়াম দপ্তৰৰ সচিবৰ লগত দিশপুৰত অনুষ্ঠিত হোৱা আলোচনাৰ মৰ্মে ৰাজ্যিক

মন্ত্ৰীসভাই গোটেই বিষয়টো পুনৰ পৰীক্ষা কৰি চাই শোধনাগাৰটো যুটীয়া খণ্ডত স্থাপন কৰাৰ পৃষ্ঠপোষকতা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। এই যুটীয়া খণ্ডত ৰাজ্য চৰকাৰৰ অংশ দ্বাৰা শোধনাগাৰটো স্থাপন কৰিব লাগে বুলি উক্ত সিদ্ধান্তত কোৱা হয়।

কেন্দ্ৰীয় পেট্ৰোলিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্য মন্ত্ৰীৰ লগত ইং ১৯৮৭ চনৰ ৫ আগষ্টত অনুষ্ঠিত হোৱা আলোচনাত এই সিদ্ধান্তটো পুনৰ দৃঢ় ভাবে উৎথাপন কৰা হয়। ইয়াৰ পিচত কেন্দ্ৰীয় চৰকাৰে কেৱল কেন্দ্ৰীয় চৰকাৰৰ অংশ গ্ৰহনেৰেহে যুটীয়া খণ্ডত এই শোধানাগাৰটো স্থাপন কৰিব খুজিছিল। কিন্তু অসম চৰকাৰে এই শোধানাগাৰত ৰাজ্য চৰকাৰৰ অংশ গ্ৰহনৰ সিদ্ধান্তৰ কথা পুনৰ দোহাৰে।

ইং ১৯৮৮ চনৰ ৫ জানুৱাৰী তাৰিখৰ এখন চিঠিৰ দ্বাৰা পেট্ৰো’লিয়াম মন্ত্ৰণালয়ে এই শোধানাগাৰটো কেন্দ্ৰীয় খণ্ডত স্থাপন কৰাৰ এটা প্ৰস্তাৱ উৎথাপন কৰে। এই প্ৰস্তাৱ অনুসৰি অকল ৰাজ্য চৰকাৰৰ অংশ গ্ৰহণ নুই কৰাই নহয় লগতে ইয়াকো বুজালে যে এই শোধানাগাৰটো চলিত এটা তেল কোম্পানীৰ এটা গোট হিচাবে স্থাপন কৰিব পৰা যাব। এই গুৰুত্বপূৰ্ণ প্ৰকল্পটোৰ সকলো দিশ গভীৰভাৱে পৰীক্ষা কৰি চাই ৰাজ্য চৰকাৰে সুচিন্তিত যুক্তি সহকাৰে কেন্দ্ৰীয় চৰকাৰক জনাই দিলে যে প্ৰস্তাৱিত শোধানাগাৰটোৰ স্থাপন আৰু পৰিচালনাত সক্ৰীয় অংশ গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে বদ্ধপৰিকৰ। ৰাজ্য চৰকাৰে আৰু জনালে যে এই শোধানাগাৰটো স্থাপন কৰাৰ উদ্দেশ্যে এটা পৃথক কোম্পানী গঠন কৰা উচিত আৰু এই কোম্পানীটোৰ পঞ্জীকৃত আৰু মুখ্য কাৰ্য্যালয় অসমতে স্থাপন কৰিব লাগিব।

কিন্তু কেন্দ্ৰীয় চৰকাৰে এই শোধানাগাৰটো স্থাপনৰ কাৰণে এটা আচুতীয়া কোম্পানী গঠন কৰাত আপত্তি কৰে। কেন্দ্ৰই যুক্তি দেখুৱাইছিল যে পৃথক কোম্পানী এটাই প্ৰস্তাৱিত শোধানাগাৰটো

কাৰণে প্ৰয়োজনীয় পৰিচালন আৰু আৰ্থিক সমল সংগ্ৰহ কৰিবলৈ সক্ষম নহব। ৰাজ্য চৰকাৰে এই সকলোবোৰ দিশ বিশেষজ্ঞ দলৰ দ্বাৰা পুংখানুপুংখৰূপে পৰ্য্যালোচনা কৰাই কেন্দ্ৰৰ সকলোবোৰ যুক্তিৰ সঠিক প্ৰত্যুত্তৰ বিভিন্ন স্তৰত দিব লগীয়া হৈছিল। এইখিনি কৰোতে স্বাভাবিকতে যথেষ্ট সময় অতিবাহিত হৈছিল।

মাননীয় সদস্যসকলক জনাবলৈ পাই মই সুখী হৈছো যে সকলো দিশৰ বিভিন্ন স্তৰত সুদীৰ্ঘ কাল ধৰি চলা আলোচনা-বিলোচনাৰ অন্তত যোৱা ইং ১৪-৩-৮৯ তাৰিখে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ লগত অনুষ্ঠিত হোৱা আলোচনাত প্ৰস্তাৱিত শোধানাগাৰটো স্থাপনৰ কাৰণে এটা পৃথক কোম্পানী গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহন কৰা হৈছে। এই কোম্পানীটোৰ পঞ্জীকৃত আৰু মুখ্য কাৰ্য্যালয় অসমতে স্থাপিত হব। এই কোম্পানীটোৰ মূলধনৰ অংশীদাৰ ৰাজ্য চৰকাৰো হব। এই কোম্পানীটো চলিত এটা তেল কোম্পানীৰ আনুসংগিক গোট (Subsidiary Unit) হিচাবে গঠন কৰা হব। এই ব্যৱস্থাই ৰাজ্য চৰকাৰৰ সকলোবোৰ দাবী পুৰণ কৰিব আৰু লগতে এটা প্ৰতিষ্ঠিত তেল কোম্পানীৰ পৰিচালনা আৰু আৰ্থিক সমৰ্থনো সুনিশ্চিত হব।

কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ লগত হোৱা আলোচনাৰ লিপিবদ্ধ টোকা সমূহৰ এটা নকল সদনৰ মেজত জ্ঞাতাৰ্থে দাখিল কৰা হৈছে।

ৰাজ্য চৰকাৰৰ অংশ গ্ৰহনেৰে এটা পৃথক কোম্পানী গঠনৰ ইতিবাচক সুবিধা সমূহৰ বিষয়ে এটি চমু আভাস দিয়া হ'ল।

১। চলিত এটা তেল কোম্পানীৰ এটা গোট হিচাবে স্থাপন কৰিলে এই শোধানাগাৰটো দুই তিনি বছৰৰ চুক্তিত পঠিয়াই দিয়া কোনোবা ভাৰপ্ৰাপ্ত বিষয়াৰ তত্বাৱধানত পৰিচালিত হ'লহেঁতেন আৰু ৰাজ্যৰ বাহিৰত স্থাপিত মুখ্য কাৰ্য্যালয়ে নিৰূপন কৰা এটা বিশেষ গণ্ডীৰ মাজত তেনে ভাৰপ্ৰাপ্ত বিষয়াৰ কৰ্মক্ষমতা সীমাবদ্ধ হৈ থাকিল হেঁতেন। সৰ্বভাৰতীয় ভিত্তিত পূৰ্ব-নিৰ্দ্ধাৰিত কাৰ্য্যসূচীত

ব্যস্ত থাকিব লগা হেতুকে সঞ্চালক মণ্ডলীৰ এই নতুন প্ৰতিষ্ঠানটোৰ ভৱিষ্যত শ্ৰীবৃদ্ধিৰ কাৰণে ভাবিবলৈ বা কাম কৰিবলৈ সময়ৰ নাটনি হ'লহেঁতেন। ফলস্বৰূপে প্ৰতিষ্ঠানটোৰ শ্ৰীবৃদ্ধিৰ সম্ভাৱনীয়তা বাধাগ্ৰস্ত হ'লহেঁতেন। আনহাতে পৃথক কোম্পানী এটা গঠন হ'লে ইয়াৰ এখন নিজাববীয়াকৈ সঞ্চালক মণ্ডলী থাকিব। এই সঞ্চালক মণ্ডলীৰ সম্পূৰ্ণ দায়িত্ব হব নতুন প্ৰতিষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰা আৰু ইয়াৰ শ্ৰীবৃদ্ধিৰ পথ সুচল কৰা। তাৰোপৰি ৰাজ্যৰ ভিতৰত পেট্ৰোলিয়ামৰ লগত জড়িত অন্যান্য প্ৰকল্প স্থাপনৰ ক্ষেত্ৰটো এই কোম্পানীটো আগবাঢ়িব পাৰিব বুলি আশা কৰিব পাৰি।

২। পৃথক কোম্পানী হিচাবে ইয়াৰ নিয়োগৰ কেন্দ্ৰটো ৰাজ্যৰ ভিতৰতে থাকিব। গতিকে স্থানীয় লোকৰ নিযুক্তি আৰু কৰ্ম ভিত্তিক সম্ভাৱনীয়তা অধিক ফলপ্ৰসূভাৱে সুৰক্ষিত হব।

৩। বৰ্ত্তমান অসমত থকা শোধানাগাৰ সমূহৰ মুখ্য কাৰ্য্যালয় ৰাজ্যৰ বাহিৰত, অৱস্থিত গতিকে এই শোধানাগাৰ সমূহৰ দৈনন্দিন বিক্ৰীৰ পৰা লাভ কৰা ধন ৰাজ্যৰ বাহিৰলৈ পঠিয়াই দিয়া হয়, কিন্তু যিহেতু প্ৰস্তাৱিত শোধানাগাৰটোৰ মুখ্য কাৰ্য্যালয় অসমতে থাকিব, সেই কাৰণে ইয়াৰ দৈনন্দিন বিক্ৰীৰ ধনখিনি ৰাজ্যৰ ভিতৰতে থকা বেংকত জমা হব। ইয়াৰ বিনিময়ত জমা-ঋণৰ যুক্তি সংগত অনুপাত বাহাল ৰাখিবৰ কাৰণে বেংক সমূহে ৰাজ্যৰ ভিতৰত বৰ্দ্ধিত নিৰিখত ঋণৰ সুবিধা প্ৰদান কৰিবলৈ বাধ্য হব।

৪। চলিত কোম্পানী এটাৰ গোট হিচাৱে স্থাপন কৰিলে নতুন শোধানাগাৰত উৎপাদিত সামগ্ৰীৰ অসমৰ বাহিৰলৈ পঠাই দিলে ই আন্তঃৰাজ্যিক মজুত সামগ্ৰী স্থানান্তৰকৰণ বুলি পৰিগণিত হ'ল হেতেন আৰু এনে ধৰণে প্ৰেৰন কৰা সামগ্ৰীৰ ওপৰত বিক্ৰী কৰ প্ৰযোজ্য নহয় কিন্তু। পৃথক কোম্পানীৰ অধীনত স্থাপিত হ'লে নতুন শোধানাগাৰত উৎপাদিত সামগ্ৰী অসমৰ বাহিৰলৈ পঠালে ই আন্তঃৰাজ্যিক বিক্ৰী বুলি পৰিগণিত হব আৰু এই বিষয়ত চলোৱা বিতং সমীক্ষা অনুসৰি ৰাজ্যখনে প্ৰতি বছৰে এনে সামগ্ৰীৰ ওপৰত লগোৱা বিক্ৰী কৰৰ পৰা প্ৰায় ২৭ কোটি টকা ৰাজহ উপাৰ্জন কৰিব পাৰিব।

৫। যিবোৰ প্ৰতিষ্ঠানৰ প্ৰধান কৰ্ম্ম স্থল অসম, সেইবোৰৰ মুখ্য কাৰ্য্যালয় বিভিন্ন অৰ্থ-সামাজিক দৃষ্টিকোনৰ পৰা অসমতে হব লাগে বুলি লোৱা সিদ্ধান্তৰ পৰিপেক্ষিতত অসমৰ ভিতৰতে মুখ্য কাৰ্য্যালয় স্থাপন কৰি এটা পৃথক কোম্পানী গঠনৰ সিদ্ধান্ত অতি সমিচীন হৈছে।

৬। অন্যান্য সুবিধাৰ উপৰিও, এটা পৃথক কোম্পানী হিচাপে এই নতুন প্ৰতিষ্ঠানটোৱে কাৰ্য্য পৰিচালনাৰ পৰিৱেশৰ প্ৰতি অধিক সচেতন এক সামূহিক ভাবাদৰ্শ উদ্ভাৱন কৰিবলৈ সক্ষম (Corporate Philosophy) হব। তাৰোপৰি এই বৃহৎ প্ৰকল্পটো কাৰ্য্যকৰী কৰা আৰু পৰিচালনা কৰাৰ কাৰণে অতি প্ৰযোজনীয় একনিষ্ঠ প্ৰচেষ্টা আৰু মনোনিৱেশ সুনিশ্চিত কৰিবলৈ এই কোম্পানীয়ে যথেষ্ঠ সুবিধা লাভ কৰিব।

ৰাজ্য চৰকাৰৰ অংশ গ্ৰহনৰ সন্দৰ্ভত কব লাগিব যে এইবাৰেই পোন প্ৰথমবাৰৰ কাৰণে অসম চৰকাৰে এটা প্ৰধান পেট্ৰোলিয়াম জাত উদ্যোগত অংশ গ্ৰহন কৰিব। এই অংশ গ্ৰহনে নতুন প্ৰতিষ্ঠানটোৰ ওপৰত ৰাইজৰ আস্থা বৃদ্ধি কৰিবলৈ সক্ষম হ'ব। অতিৰিক্ত পুজিৰ বিনিয়োজনৰ বিষয়ত অংশীদাৰ হিচাবে ৰাজ্য চৰকাৰৰ মতামতৰ যথেষ্ঠ গুৰুত্ব থাকিব। এনে অংশ গ্ৰহনৰ দ্বাৰা নবীকৰণ কৰিব নোৱাৰা সমল সমূহ ব্যৱহাৰ কৰি ৰাজ্য চৰকাৰে ৰাজহ অৰ্জনৰ এক পৌনঃপুনিক ব্যৱস্থা সুনিশ্চিত কৰিব পাৰিব।

এক আনুসাঙ্গিক (Subsidiary Unit) গোট হিচাৱে এই নতুন প্ৰতিষ্ঠানটোৱে এটা সুপ্ৰতিষ্ঠিত তেল কোম্পানীৰ পৰা প্ৰযুক্তিবিদ্যা পৰিচালনা আৰু আৰ্থিক বিষয়ত সম্পূৰ্ণ সমৰ্থন লাভ কৰিবলৈ সক্ষম হব। ইয়াৰ ফলস্বৰূপে শোধানাগাৰটোত ৰাজ্য চৰকাৰৰ পূজি বিনিয়োজন সম্পূৰ্ণৰূপে সুৰক্ষিত হ'ব। এই প্ৰকল্পটোৰ স্থাপনৰ কাম কাজ যথেষ্ঠ ক্ষীপ্ৰ গতিৰে চলিব আৰু সেই কাৰণে ইয়াৰ পৰা লাভ কৰিব পৰা অৰ্থ সামাজিক সুবিধা-সমূহ যথেষ্ঠ সোনকালে পোৱা যাব বুলি আশা কৰা হৈছে।

এই নতুন শোধানাগাৰৰ শোধন ক্ষমতা পোনতে ২০ লাখ টনৰ হ্বব। আৰু পিছলৈ ৩০ লাখলৈ সম্প্ৰসাৰণ কৰাৰ ব্যৱস্থা থাকিব। ২০ লাখ টন শোধন কৰিবলৈ লোৱাৰ লগে লগে ৰাজ্য চৰকাৰৰ বছৰি ২৭ কোটি টকাৰ বিক্ৰী কৰ পাব। এটা স্বকীয় কোম্পানী নহৈ ভাৰতীয় তেল নিগমৰ এটা গোট হোৱা হ'লে ৰাজ্য চৰকাৰে এই টকাখিনিৰ পৰা সমূলঞ্চে বঞ্চিত হ'লহেঁতেন। শোধানাগাৰটো পাঁচ বছৰৰ ভিতৰত কাৰ্য্যক্ষম হোৱাৰ আশা আছে।

Mr. Speaker : Now Hon'ble Home Minister will make a statement on the matter raised by Hon'ble Shri Binai Khungur Basumatari on 22nd March, 1989.

* শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ বিভাগৰ মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবিনায় খুংগুৰ বসুমতাৰী ডাঙৰীয়াই উৎথাপন কৰা বিষয়টোৰ বিষয়ে সন্মানীত সদনৰ জ্ঞাতাৰ্থে জনাও যে যোৱা ইং ২২-৩-৮৯ তাৰিখে ৰাতি মাঝিগাওঁৰ ১৩ টা বড়ো পৰিয়ালে ভয়তে ঘৰ-বাৰী এৰি বঙ্গালডোৰা উচ্চ বিদ্যালয়ত থাকেগৈ। খবৰ পোৱা মতে মাঝিগাৱঁৰ বাকী লোক সকল বঙ্গালডোৰাৰ পৰা বড়ো পৰিয়াল কেইটাক ঘূৰাই আনিবলৈ স্থানীয় প্ৰতিনিধি পঠায়। কিন্তু বঙ্গালডোৰাৰ বড়ো লোকসকল মাঝিগাৱঁৰ পৰিয়াল কেইটাক আহিবলৈ নিদিয়ে। ইতিমধ্যে ইং ২৩-৩-৮৯ তাৰিখে দিনৰ ২ (দুই) মান বজাত মাঝিগাৱঁৰ ঘৰ কেইটাত মানুহ নথকাৰ সুযোগ লৈ কিছুমান দুবৃত্তই লুটপাট কৰে আৰু ঘৰবোৰ ভাঙি লৈ যায়। এই সংক্ৰান্তত ধালিগাওঁ থানাত ভাৰতীয় দণ্ডবিধিৰ ১৪৭/১৪৮/৩৮০ ধাৰাত ৫৭/৮৯ নং ত গোচৰ পঞ্জীভূক্ত কৰা হৈছে আৰু গোচৰটো তদন্তাধীন হৈ আছে।

Shri Binai Khungur Basumatari : Mr. Speaker Sir, w the Home Minister also look into the affair because the local people say they were AGP activitista ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ বিভাগৰ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় যুক্তিটো ভিত্তিহীন। এই বিষয়ে চৰকাৰে তদন্ত চলাই আছে।

## Announcement from the Chair

Mr. Speaker : Now the report of the Business Advisery Committee. Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business, Advisory Committee at 1.30 p.m on 4th April, 1989 in my chamber at Dispur to discuss about fixing a date for consideration and passing of the two Bills viz, the Assam Tax on Luxuries (Hotels and Lodging Houses ) Bill, 1989 and the Assam Agricultural Income Tex (Amendment) Bill, 1989. which were listed on the List of Business on 31.3.89 for consideration and passing but could not be taken up for want of time, The Committee decided that General Discussion on the Budget would be concluded on 5.4.89 and the Chief Minister will reply on the Budget Discussion on 6.4.89. The Committee also decided that consideration and passing of these two Bills would be taken up on 6.4.89, after the conclusion of the reply of Chief Minister on the Budget Discussion.

The Committee further decided to make an Obituary Reference on the said demise of S. M. Joshi a freedom fighter and great social worker to-day.

I hope this has the approval of the House.

( Voices—yes, yes )

Mr. Speaker : Now item No. 2, Hon'ble Member Shri Kiron Kumar Gogoi.

## Call Attention Notice

* শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ইং ১৯৮৯ চনৰ ৫ মাৰ্চ তাৰিখে "আজিৰ অসম" কাকতত প্ৰকাশিত "অসম দুগ্ধ উন্নয়ন বিভাগৰ উৎপাদনৰ লক্ষ্য অনিশ্চিত" শীৰ্ষক বাতৰিটোৰ প্ৰতি মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অসমত বৰ্ত্তমান তিনিখন গাখীৰ উৎপাদক সমবায় সমিতি আছে। তাৰে তিনিখন সমবায়ৰ দুখন হ'ল—পূৰ্ব অসম দুগ্ধ উৎপাদক সমবায় সমিতি আৰু পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সমিতি। এই দুখন দুগ্ধ সমবায় সমিতিৰ পৰা উৎপাদন হোৱা গাখীৰ যিমানখিনি খাবলৈ পাব লাগিছিল সিমানখিনি খাবলৈ পোৱা নাই। এই সমবায় সমিতিবিলাকে কেনে ধৰণে উৎপাদনৰ কাম হাতত লৈছে এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। বাতৰিটোত প্ৰকাশিত হোৱা মতে জানিব পাৰিছো যে দুয়োখন সমবায় সমিতিতে কিছুমান বিষয়া আৰু কৰ্ম্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত খেলিমেলি হৈছে। এই খেলিমেলিৰ ক্ষেত্ৰত কিমানখিনি সত্যা-সত্য আছে আৰু দুগ্ধ সমবায় সমিতিবিলাক পৰিচালনা কৰিবৰ কাৰণে কিবা সংশোধনী কৰিব নেকি ? এই বিষয়ে সদনত জনালে সুখী হম। আনহাতেদি মই জানিব বিচাৰিছো দুগ্ধ উৎপাদক সমবায় সমিতিবিলাক বিশেষকৈ ইং ১৯৮২ চনতে স্থাপন হৈছিল। আচঁনি মতে জিলা কেইখনত ৩০০ খন প্ৰাইমেৰী সমবায় সমিতি গঠন কৰাৰ কথা আছিল। জানিব পাৰিছো যোৱা ৭ বছৰৰ ভিতৰত ১৫০ খনহে কৰা হৈছে। তাৰ ভিতৰত ৭০ খন সমবায় সমিতিয়ে স্বীকৃতি পাইছে। এই কথা কিমানখিনি সত্য ? (মাননীয় অধ্যক্ষৰ আসনত উপাধ্যক্ষ অপবিষ্ট হয়) গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে প্ৰকৃততে ৩০০ খন প্ৰাথমিক সমবায়

সমিতি গঠন কৰাৰ কথা আছিল তাৰে ভিতৰত বিভাগীয় ফালৰ পৰা কিবা ব্যৱস্থা লৈছে নেকি? যদি লৈছে কিমান দিনৰ কাৰ্য্যকৰী কৰা হয় ইয়াৰ এটা সবিশেষ বিভাগৰ ফালৰ পৰা সদনত বিবৃতি হিচাবে দাঙি ধৰিব বুলি আশা কৰি মই এই বিষয়টো উত্থাপন কৰিছো।

* শ্ৰীদিলীপ শইকীয়া সোনোৱাল ( পশু চিকিৎসা বিভাগৰ মন্ত্ৰী) ঃ মাননীয় উপাধক্ষ্য মহোদয়, যোৱা ইং ৫ মাৰ্চ তাৰিখৰ "আজিৰ অসম" বাতৰি কাকতত প্ৰকাশিত "অসম দুগ্ধ উন্নয়ন বিভাগ উৎপাদনৰ লক্ষ্য অনিশ্চিত" শীৰ্ষক বাতৰিৰ প্ৰতি আমাৰ বিভাগৰ দৃষ্টি আকৰ্ষিত হৈছে আৰু এই সন্দৰ্ভত মাননীয় সদস্য শ্ৰীকিৰন কুমাৰ গগৈ তথা পবিত্ৰ সদনৰ জ্ঞাতাৰ্থে জনোৱা যায় যে বাতৰিটোত উল্লেখ কৰা তিনিওখন দুগ্ধ সমবায় সংঘ দুগ্ধ পালন আঁচনিৰ অধীনত ৰূপায়িত। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত দুগ্ধ পালন আঁচনি খৰতকীয়াকৈ ৰূপায়ন কৰাৰ দৰে আমাৰ ৰাজ্যতো পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সংঘ প্ৰতিষ্ঠা কৰা হয়। ভাৰতীয় জাতীয় দুগ্ধ উন্নয়ন বোৰ্ড (এন, ডি, ডি, বি) ৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ আৰ্থিক সাহাৰ্য্যৰ দ্বাৰা যোৰহাট আৰু কাছাৰত বিশেষ দুগ্ধ উন্নয়ন আঁচনিৰ অধীনত আন দুখন দুগ্ধ সমবায় সংঘ প্ৰতিষ্ঠা কৰা হৈছিল। এই তিনিওখন দুগ্ধ উৎপাদক সমবায় সংঘলৈ প্ৰকল্প আঁচনি মতে দুগ্ধ উন্নয়ন বিভাগে মাত্ৰ গ্ৰাণ্ট-ইন-এইড ৰ বাবেহে আৰ্থিক অনুদান আগবঢ়ায়। বাকী সকলো মূলধন এন, ডি ডি বি আৰু ভাৰত চৰকাৰৰ পৰা পায়।

এই তিনিওখন সংঘৰ প্ৰশাসনিক তত্বাৱধান বিভাগীয় সঞ্চালক সভাৰ ( বোৰ্ড অব্ ডাইৰেক্টৰ ) ওপৰত ন্যস্ত।

পূব অসম দুগ্ধ উৎপাদক সমবায় সমিতিৰ বাবে ইয়াৰ আগতে দীৰ্ঘ দিনৰ বাবে এজন পৰিচালক সঞ্চালক নিযুক্তি দিব নোৱাৰা বাবে প্ৰকল্পটোৰ কাম যথেষ্ট মন্থৰ গতিৰ হৈছিল। সেই সময়ত থকা চেয়াৰমেন গৰাকীৰ বিশেষ দক্ষতাৰ অভাৱতো এই

* ( Speech not corrected )

প্ৰকল্পত নানা খাম-খেয়ালীৰ সৃষ্টি হৈছিল। সেয়েহে বৰ্ত্তমান চৰকাৰে শাসনভাৰ লোৱাৰ পিচৰে পৰা আগৰ চেয়াৰমেন নিযুক্তিৰ বাবে চেষ্টা চলাই আহিছিল। কিন্তু আইনগত কিছু বাধাৰ বাবে এই প্ৰচেষ্টাত কিছু বিলম্ব ঘটিছিল। সম্প্ৰতি এবছৰ আগেয়ে নতুনকৈ দিয়া চেয়াৰমেনজনৰ দায়িত্বত তথা নেতৃত্বত আগৰ কালছোৱাত কৰি যোৱা সকলো অনিয়ম দূৰ কৰি বৰ্তমানে এই প্ৰকল্প সুচাৰুৰূপে চলাই সকলো আঁচনি থৰকৰ্তীয়াকৈ ৰূপায়ন কৰাৰ দিহা কৰা হৈছে। ইতিমধ্যে খালি হৈ থকা গুৰুত্বপূৰ্ণ সকলো পদো পূৰণ কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। ইতিমধ্যে মেনেজিং ডিৰেক্টৰ স্থায়ী ভাৱে নিযুক্তি দিয়া হৈছে।

পূব অসম দুগ্ধ উৎপাদক সমবায় সংঘই বৰ্ত্তমানলৈকে গো-সুষম খাদ্য তৈয়াৰ কৰাৰ বাবে 'কেটল ফীড মেচিনাৰী' আৰু সংগৃহিত গাখীৰ শীতলিকৰণৰ বাবে গাখীৰ শীতলিকৰণ যন্ত্ৰ ( মিল্ক চিলিং প্লেণ্ট ) পাতিও আহৰণ কৰিছে।

বাতৰিত প্ৰকাশ পোৱাৰ দৰে একাউণ্টচ্ অফিচাৰৰ নামত কোনো গাড়ী আবণ্টন দিয়া হোৱা নাই। সংঘৰ কামত প্ৰয়োজনবোধে কেতিয়াবা "পুল কাৰ" ব্যৱহাৰ কৰাটো স্বাভাৱিক।

**Matter Under Rule-301**

Mr. Deputy Speaker : Item No. 3-Shri Kusumbar Tairai Gogoi to speak.

* শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ-৩০১ নং নিয়মৰ অধীনত নাহৰকটীয়া নগৰৰ গড়াখহনীয়াৰ পৰা ৰক্ষা কৰা—এই সম্প্ৰকীয় বিষয়টোৰ প্ৰতি মই বান-নিয়ন্ত্ৰন মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষন কৰিলো। মাননীয় উপাধ্যক্ষ মহোদয়, ইং ১৯৮৩ চনতেই এই বুঢ়ী দিহিং নদীয়ে প্ৰায় ২০ কিলোমিটাৰ দূৰত্ব হ্ৰাস কৰি নদীৰ গতি পথ সলনি কৰে আৰু নাহৰকটীয়া নগৰখনক পোন-পতিয়াকৈ বিশেষ ভাবে আক্ৰান্ত কৰি আহিছে। এই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ৰ আমি বহুবাৰ দৃষ্টি আকৰ্ষন কৰিছো।

* ( Speech not corrected )

এতিয়া উজনী অসমত এই বুঢ়ী দিহিং নদীৰ খহনীয়াই প্ৰবল হৈ আহিছে। আমাৰ এই অঞ্চলটো খেতি প্ৰধান অঞ্চল আৰু বহুতো খেতি এই নদীৰ গড়াখহনীয়া আৰু বানপানীৰ কবলত ক্ষতিগ্ৰস্ত হৈছে। কিয়নো এই নদীৰ খহনীয়াই এক প্ৰকট ৰূপ ধাৰণ কৰিছে। নাহৰকটীয়া নগৰখন আমাৰ এখন বুৰঞ্জী প্ৰসিদ্ধ নগৰ আৰু ইয়াক কেন্দ্ৰ কৰি অয়েল ইণ্ডিয়া লিমিটেড, হিন্দুস্থান ফাৰটিলাইজাৰ কৰপোৰেশ্যন, অ', এন, জি, চি, এ, পি, এল আৰু এন, টি, পি, এচ, জয়পুৰ, কলৰেঞ্জ ওড-ক্ৰাফট আৰু বহুতো চাহ বাগিছাৰ প্ৰধান কেন্দ্ৰ স্থল এই নাহৰকটীয়া নগৰখন। গতিকে চলিত বছৰত চৰকাৰে এই গড়াখহনীয়া ৰোধ কৰাৰ কাৰণে বিহিত ব্যৱস্থা লব লাগে আৰু এই বিষয়ে কি ব্যৱস্থা লোৱা হৈছে সেইটো জনাব লাগে। কিয়নো মন্ত্ৰী মহোদয়ে এই গড়াখহনীয়াৰ কথা বিশেষকৈ নাহৰকটীয়া, নামফাকিয়াল আৰু জাগুন ইত্যাদি অঞ্চলতো খহনীয়া হৈছে আৰু ইয়াৰ বাবে মাষ্টাৰ প্লেন কৰা হৈছিল। গতিকে এই তিনিখন ঠাইত (নাহৰকটীয়া, নামফাকিয়াল আৰু জাগুন) এনুয়েল প্লেনত ধৰি টকা অনুমোদন জনাই গড়াখহনীয়াৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও জামুগুৰি, টিংৰাই, বামুনি বিল, উৰিয়া মগুৰি আদি অঞ্চল কেৱল নাহৰকটীয়া সমষ্টিৰেই খহনীয়া অঞ্চল। গতিকে এই ৭টা স্কীম এপ্ৰোভ কৰি মাষ্টাৰ প্লেনত অন্তৰ্ভুক্ত কৰিব লাগে আৰু এনুৱেল প্লেনত ধৰি টকা চেংশ্যন কৰি ইয়াৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিব লাগে। কিয়নো চাহ-বাগিছাকে ধৰি বিভিন্ন ব্যৱসায়ী অনুষ্ঠান আৰু প্ৰতিষ্ঠান মূল্যবান সম্পদেৰে ভৰপুৰ এই নাহৰকটীয়া নগৰখন বানপানী আৰু গড়াখহনীয়াৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

(At 11.45 hours Mr. Speaker left the chair and Mr. Deputy Speaker occupied the chair)

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, বুঢ়ীদিহিং নদীৰ বাওঁপাৰে নাহৰকটীয়া নগৰ অৱস্থিত। এই নগৰ

জয়পুৰ মৌজা আৰু ডিব্ৰুগড় মহকুমাৰ অন্তৰ্গত। নামৰূপ সাৰ-কাৰখানা, তাপ-বিদ্যুৎ কেন্দ্ৰ বুঢ়ীদিহিং নদীৰ একেপাৰে আৰু প্ৰায় ১৬ কিলোমিটাৰ দূৰত্বত অৱস্থিত। ইয়াৰ বাহিৰেও নদীৰ একেপাৰে ভাৰতীয় তেল নিগমৰ বহু সংখ্যক তেলৰ পুং আৰু অসম চাহ নিগমেও ব্যক্তিগত খণ্ডৰ বহু সংখ্যক চাহ-বাগিছা আছে। ইয়াৰ জয়পুৰ অঞ্চলত কয়লা পোৱা গৈছিল। স্কুল, কলেজ আদি শিক্ষানুষ্ঠান আদিৰে পৰিপুষ্ট নাহৰকটীয়া এখন পুৰণি উদ্যোগিক চহৰ।

নাহৰকটীয়া চহৰ বুঢ়ীদিহিং নদীৰ একেবাৰে পাৰত অৱস্থিত বাবে এই নগৰ নদীৰ গড়াখহনীয়াৰ দ্বাৰা সাধাৰণতে আক্ৰান্ত হোৱা দেখা যায়। ইয়াৰ ওপৰিও বুঢ়ীদিহিং এখন অতি খৰস্ৰোতা নদী। এই নদীয়ে বাৰিষা যথেষ্ট পৰিমাণৰ পলস কঢ়িয়াই আনে। নদী খনৰ গতি পথ অতি অকোৱা - পকোৱা। সাধাৰণতে এই নদীৰ সোমাই অহা ভাজবোৰত গড়াখহনীয়াৰ প্ৰভাৱ বেছি হয় আৰু অন্য পাৰত বালিচৰ পৰি আছে। বালিৰ চৰৰ পৰিমান যিমানেই বাঢ়ে অন্য পাৰত গড়াখহনীয়াৰ প্ৰকোপো সিমানেই বাঢ়ি যায়।

ইং ১৯৫০ চনৰ ভূঁইকপৰ পাছৰে পৰা নাহৰকটীয়াৰ ওচৰত বুঢ়ীদিহিং নদীৰ গড়াখহনীয়াৰ প্ৰভাৱ ক্ৰমে ক্ৰমে বাঢ়িবলৈ ধৰে। এই গড়াখহনীয়াৰ প্ৰতিৰোধৰ বাবে চৰকাৰে ইং ১৯৫৫-৫৬ চনত ১,৬৭ লাখ টকা ব্যয়েৰে ২৭টা কাঠ আৰু বাহ মিশ্ৰিত বুৰুজ সাজে। এই অৰ্দ্ধস্থায়ী আঁচনিৰ দ্বাৰা নদীৰ পাৰ খহনীয়াৰ পৰা কিছুকাল বছোৱা সম্ভৱ হৈছিল। কিন্তু খহনীয়াৰ প্ৰকোপ ক্ৰমে নামনিৰ ফাললৈ গতি কৰে আৰু নাহৰকটীয়া চহৰৰ গাতে লাগি থকা জাগুন গাওঁ গড়াখহনীয়াৰ দ্বাৰা আক্ৰান্ত হয়। ইয়াৰ লগতে ইং ১৯৭৭ চনৰ প্ৰৱল বানপানীৰ পাছত ইং ১৯৭৮-৭৯ চনত নাহৰকটীয়া চহৰৰ ওচৰত গড়াখহনীয়াই তীব্ৰতৰ ৰূপ লৈ পূৰ্ব্বতে কৰা সকলো কাম উটুৱাই লৈ যায়। এই সময়তে নদীয়ে প্ৰায় ৪,৫ হেক্টৰ চহৰৰ মাটি খহাই নিয়ে আৰু নদীৰ বুকুত জাহ যায়। এই গড়াখহনীয়াৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ইং ১৯৮২ চনত "Anti-Erosion measures

at Jagungaon on the left bank of Buridehing river near Naharkatia Town. শীৰ্ষক অনুমানিক ১৮,৬০ লাখ টকা ব্যয়েৰে এখন অঁাচনি ৰূপায়িত কৰে। এই অঁাচনিত মুঠ ১২ টা বুৰুজ সন্নিবিষ্ট আছিল। উক্ত কাঠৰ বুৰুজ-খিনিয়ে বৰ্তমানলৈকে নদীৰ পাৰ একে ঠাইতে ৰাখি থবলৈ সফল হৈছিল। কিন্তু এই অঁাচনিৰ কাঠৰ বুৰুজ বিলাক যোৱা ইং ১৯৮৭ চনৰ অভূতপূৰ্ব্ব বানপানীয়ে আঁচনিখনৰ বিস্তৰ ক্ষতি সাধন কৰে। এই জাগুন গাওঁৰ অঁাচনি ৰূপায়ন কৰাৰ পাছৰ বছৰত (অৰ্থাৎ ইং ১৯৮৩ চনত) নাহৰকটীয়া চহৰৰ ওচৰত "Anti-erosion measures on left bank of Buridehing river at Naharkatia town" শীৰ্ষক ৯,৩৬ লাখ টকা ব্যয়ৰ এখন অঁাচনি চৰকাৰে হাতত লয়। উক্ত অঁাচনিৰ ২০ মিটাৰ দূৰে দূৰে ৪,৫০ মিটাৰ বহলৰ ৩৩ টা শিলৰ গাঠনি আৰু লগতে গড়কাপ্তানী পথটোৰ গড়াখহনীয়া অঞ্চলৰ মুঠ ১০০ মিটাৰ দৈঘ্যৰ শিলেৰে স্পাৰ বন্ধোৱা কাম সন্নিবিষ্ট কৰা হৈছিল। উক্ত আঁচনিত মুঠ ৯,৩৬ লাখ টকা ব্যয় হয়। অঁাচনিখনে সফলতাৰে ইং ১৯৮৪ চনলৈকে কাৰ্য্যকৰী আছিল। কিন্তু ইং ১৯৮৫ চনত অঁাচনিখনৰ বিস্তৰ ক্ষতি সাধন হয় আৰু ধ্বংস প্ৰাপ্ত হয়। এই অঞ্চলত গড়াখহনীয়াৰ প্ৰকোপ এনে ধৰণৰ :

| | | |
|---|---|---|
| (১) | ১৯৮১ চনত হেক্টৰ | ০,৭৮ হেক্টৰ |
| (২) | ১৯৮২ চনত | ০,৯২ " |
| (৩) | ১৯৮০ চনত | ০,৬৭ " |
| (৪) | ১৯৮৪ চনত | ০,৫৬ " |
| (৫) | ১৯৮৫ চনত | ০,৩৬ " |
| (৬) | ১৯৮৬ চনত | ০,১৮ " |
| (৭) | ১৯৮৭ চনত | ০,২৪ " |

এইখিনিতে উনুকিয়াব পাৰি যে নাহৰকটীয়া চহৰৰ ওচৰৰ (হনুমান) মন্দিৰৰ ওচৰত একাংশত খহনীয়াৰ প্ৰকোপ বাঢ়ি

যোৰাত ইং ১৯৮৭-৮৮ চনত' ২,২৪৫ শিতানৰ পুজিৰ পৰা অনু-মানিক ১'৪০ লাখ টকা ব্যয়ৰ ১০৫ মিটাৰ তাৰৰ জালিত শিল ভৰাই গাঠনিৰ কাম কৰা হয়। উক্ত কামে এতিয়াও সফল ভাবে টিকি আছে। নাহৰকটীয়া চহৰক খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ বিভাগৰ ১০ম কাৰিকৰী উপদেষ্টা সমিতিৰ বৈঠকত বিশদ আলোচনা কৰা হয়। আৰু "Strengthening of A/E measures at Naharkatia" এই শীৰ্ষক আনুমানিক ৫৯'২৭ লাখ টকা মূল্যৰ এখন আঁচনিৰ প্ৰতি অনুমোদন জনায়। আঁচনি-খন কাৰ্য্যকৰী কৰিব নোৱাৰাৰ বাবে আকৌ ১২ নং কাৰিকৰী উপদেষ্টা সমিতিৰ বৈঠকত উৎথাপন কৰা হয়। এই আঁচনিৰ লগতে ওচৰৰ জাগুন গাওঁৰ "Extension of A/E measures at Jagungaon on left bank of Buridehing river near Nahakatia." এই শীৰ্ষক অনুমানিক ২৬,৩৮ লাখ টকা মূল্যৰ এখন আঁচনি ১২ নং কাৰিকৰী উপদেষ্টা সমিতিৰ বৈঠকে অনুমোদন জনায়। এই আঁচনি দুখন ৰূপায়িত হ'লে নাহৰকটীয়া আৰু কাষৰীয়া অঞ্চল বুঢ়ী দিহিং নদীৰ খহনীয়াৰ পৰা ৰক্ষা পৰিব।

কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা সীমিত ঋন সাহাৰ্য্যৰ পৰিপ্ৰেক্ষিতত আঁচনি দুখন এতিয়াও কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই। এই ঋন সাহাৰ্য্যৰ পৰিমান উৰ্দ্ধগামী হলে অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰা হব।

## General Discusion on the Budget

Mr. Deputy speaker : Item No. 4 Hon'ble Dr. Kamala Kalita

* ডাঃকমলা কলিতা : মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এই সদনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বাজেটখনক আমি সমৰ্থন কৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই জনকল্যাণমুখী বাজেটখন দাখিল কৰাৰ কাৰণে ধন্যবাদ জনাইছো। এই বাজেটখনে আমাৰ ৰাইজৰ, অসমৰ জনসাধাৰণৰ স্বাৰ্থ পূৰণ কৰিব পাৰিব বুলি আমাৰ দৃঢ়

বিশ্বাস আছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটখনৰ আলোচনাত অংশ গ্ৰহন কৰি কিছু সংখ্যক মাননীয় সদস্যই বাজেটখনক সমালোচনা কৰা দেখা গৈছে। এই সমালোচনাৰ ক্ষেত্ৰত আমি এই কথা দেখিবলৈ পাইছো আৰু উপলব্ধি কৰিছো যে বাজেটখন সমালোচনা কৰা সকলে কেৱল ৰাজনৈতিক উদ্দেশ্য আগত ৰাখিহে সমালোচনা কৰা দেখা গৈছে। বাজেটখনৰ যি উদ্দেশ্য আৰু বাজেটখনত যি সুবিধা আছে সেই সমূহ উপলব্ধি নকৰাকৈ সমালোচনা ডাঙি ধৰিছে। (কোৰাম নাই)

উপাধ্যক্ষ মহোদয়, আমাৰ যি সকলে এই বাজেটখনক গঠন মূলক দৃষ্টিভঙ্গীৰে সমালোচনা নকৰি ৰাজনৈতিক দৃষ্টি আগত ৰাখি সমালোচনা কৰিছে তেখেত সকলে এই বাজেটখনৰ প্ৰকৃত উদ্দেশ্য উপলব্ধি কৰিব পৰা নাই। আমি দেখিবলৈ পাইছো যে এই বাজেটখনত স্পষ্ট ভাবে কেন্দ্ৰীয় চৰকাৰৰ অসহযোগীতাৰ কথা ব্যক্ত কৰা হৈছে আৰু উদাহৰণ স্বৰূপে খাৰুৱা তেলৰ ৰয়েলিটি, চাহ আৰু কয়লাৰ ওপৰত যি কৰ আৰোপ কৰা হৈছে তাৰ অনুমোদন নোপোৱা, বানপানীৰ সম্পৰ্কত পৰ্য্যাপ্ত পৰিমানৰ ক্ষতিপূৰণ নিদিয়া আৰু পৰিকল্পনা সাহাৰ্য্য ৩০ শতাংশৰ পৰা আমাৰ ৯০ শতাংশলৈ বৃদ্ধি নকৰা এই বিলাক দৃষ্টান্তই অসমৰ জনসাধাৰণ বা অসমৰ ৰাইজৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ যি অসহযোগীতাৰ ভাব আছে সেই কথাটো প্ৰকট হৈ উঠিছে। আমি এই কথাটো চাব লাগিব যে বাজেটখনৰ ঘাটি পূৰণ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ নিচিনাকৈ ৰাজ্য চৰকাৰে নতুন মুদ্ৰা সৃষ্টি কৰিব নোৱাৰে আৰু সেই ঘাটি পূৰণ কৰিবলৈ হ'লে নিশ্চয় আমাৰ আয় বৃদ্ধি কৰিব লাগিব আৰু নতুবা খৰচ কম কৰিব লাগিব। এই বাজেটখনত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰি ৰাজ্য চৰকাৰে নিজাববীয়াকৈ ৰাজহ সংগ্ৰহ কৰাৰ কাৰণে কিছুমান ব্যৱস্থা লোৱা দেখা গৈছে আৰু এইখিনিতে আমাৰ দুই এটা সামগ্ৰীৰ ওপৰত যি কৰ বৃদ্ধি কৰা হৈছে সেইটোৰে

* ( Speech not corrected )

ৰাইজৰ, জনসাধাৰণৰ স্বাৰ্থত নিশ্চয় আঘাট নাহানে আৰু এই বাজেটখনে ৰাইজৰ স্বাৰ্থ পূৰণ কৰিব পাৰিব বুলি আমি দৃঢ়তাৰে কব পাৰো। আজি আমাৰ এই ঘাটি বাজেটখনৰ সমালোচনা কৰা দেখা গৈছে। কিন্তু এই ঘাটি বাজেট আজি এতিয়াৰ ঘাটি বাজেট নহয়। আজি বহুত বছৰৰ পৰা পুঞ্জীভূত হৈ থকা যি সমূহ ঘাটি, সেই ঘাটি সমূহৰ এটা প্ৰকট ভাব ৰাজ্য চৰকাৰৰ বাজেটত প্ৰকাশ পাইছে। কিন্তু এই ঘাটি সমূহ আমি পূৰণ কৰিবৰ কাৰণে আমাৰ চৰকাৰে দৃঢ়তাৰে কিছু পদক্ষেপ হাতত লৈছে। মই এই ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী তথা বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ এই বাজেটখন এখন অগতানুগতিক বাজেট হিচাবে আমি গণ্য কৰিছো আৰু এই বাজেটখন তেখেতে দিয়াৰ কাৰণে আমি তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। এইখিনিতে আমি আমাৰ এই বাজেটখন সম্পৰ্কে নিশ্চয় কিছু কথা আলোচনা কৰিব লাগিব আৰু কিছু কথা ইয়াত বিবেচনা কৰিব লাগিব। আমাৰ এই বাজেটখনৰ আলোচনাত অংশ গ্ৰহণ কৰি আগৰ কেইবাগৰাকীও মাননীয় সদস্যই কৈছে যে এই বাজেটখন জিৰো বেচ বাজেট হিচাবে তৈয়াৰ কৰিব লাগে আৰু আমিও আজি এই একে কথাটোকেই কব বিচাৰিছো। ৰাজ্য চৰকাৰে আগৰ সকলো হিচাব বাদ দি আমাৰ জিৰো বেচ বাজেট এখন প্ৰস্তুত কৰিবলৈ আগবাঢ়িব লাগে। ইয়াৰ লগে লগে আজি বিভিন্ন ৰাজ্যত প্ৰি-বাজেট স্কুটিনিৰ ব্যৱস্থা কৰা হৈছে। আমাৰ ৰাজ্যতো এই প্ৰি-বাজেট স্কুটিনিৰ ব্যৱস্থা কৰিবৰ কাৰণে পৰামৰ্শ দিব বিচাৰিছো। এই পৰামৰ্শ দিব বিচাৰিছো এই কাৰণেই যে ইয়াৰ দ্বাৰা আমাৰ যিটো হেডত যিটো এলোকেচন হৈ থাকিব আৰু সেইটো ফিক্স হৈ থাকিব তেতিয়াহে চাব-হেডৰ ওপৰত এটা বিতং আলোচনা কৰাৰ সুবিধা থাকিব আৰু ওলাব, আৰু প্ৰয়োজনীয় ভিত্তিত এই চাব-হেড সমূহত ফাণ্ড দিয়াৰ কাৰণে ব্যৱস্থা কৰিব পৰা হব। ইতিমধ্যে ভাৰতবৰ্ষৰ কেইখনমান ৰাজ্যত এই ব্যৱস্থাটো কৰা হৈছে আৰু আমাৰ অসমতো এই

প্ৰি-বাজেট স্ক্ৰুটিনিৰ ব্যৱস্থা কৰিবৰ কাৰণে আমাৰ ফালৰ পৰা পৰামৰ্শ আগবঢ়াইছো। ইয়াৰ লগতে আমাৰ যি বিলাক কৰ্পোৰেচন আছে, বিশেষকৈ বিদ্যুৎ পৰিষদ, এ, এচ, টি, চি ইত্যাদি কৰ্পোৰেচন বিলাকৰ দুৰৱস্থাই ৰাজ্যখনক এটা প্ৰকট হেচা দি আহিছে আৰু সেই কাৰণে মই বিশেষকৈ বিদ্যুত পৰিষদ আৰু এ, এচ, টি, চি ৰ ক্ষেত্ৰত বিশেষ তৎপৰতা লবৰ কাৰণে চৰকাৰৰ ওচৰত অনুৰোধ জনালো। আজি বিদ্যুত পৰিষদে গ্ৰাহকৰ পৰা পাবলগীয়া ধন আদায় কৰাৰ ব্যৱস্থা কৰিব লাগে। বহুতো ব্যৱসায়ী প্ৰতিষ্ঠানে তেওঁলোকে বিদ্যুত পৰিষদক দিবলগীয়া মিটাৰৰ ধন আদায় নিদিয়াৰ কাৰণে বিদ্যুত পৰিষদে বহুতো ক্ষেত্ৰত ধন সংগ্ৰহ কৰিব পৰা নাই। গতিকে এই ক্ষেত্ৰত ব্যৱস্থা লব লাগে আৰু বিশেষকৈ এ, এচ, টি, চিৰ ক্ষেত্ৰত যিখিনি ৰাজহ সংগ্ৰহ কৰিব পৰা যায় সেইখিনি সংগ্ৰহ কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আমি আজি দেখা পাইছো চৰকাৰৰ এ, এচ, টি, চি যিটো কৰ্পোৰেচন এইটোৱে সাংঘাটিক ভাৱে লোকচান ভৰি আছে। কিন্তু আমি দেখি আচৰিত হও যে কামৰূপ বা বৰপেটাৰ প্ৰায় ভাগ ডাঙৰ ডাঙৰ পৰিয়ালে আন কোনো ব্যৱসায় বা চাকৰি নকৰাকৈ মাত্ৰ এখন বাচেৰেই গোটেই পৰিয়ালটোৰ ভৰণ-পোষণ ভালকৈ দি থাকিব পাৰিছে।

উপাধ্যক্ষ মহোদয়, আজি গুৱাহাটীৰ ওচৰে পাজৰে বা অসমৰ অন্যান্য ঠাইত যিবোৰ বেচৰকাৰী বাছ চলে সেইবোৰ ঠাইত এজন মানুহে আজি এখন গাড়ী কিনি আকৌ এবছৰৰ ভিতৰতে আন এখন গাড়ী কিনিবলৈ সক্ষম হয়। তেওঁলোকৰ এই গাড়ীবোৰে কোনো দিন লোকচান ভৰিব লগা নহয়। তেনে স্থলত আমাৰ পৰিবহন নিগমৰ বাছবোৰে কি কাৰণত লোকচান ভৰিব লগা হয় সেই কথাটো আমি বুজি নাপাওঁ। সেই কাৰণেই এই নিগমটোত যি কৰ্ম্মচাৰী বা বিষয়া নিযুক্তি দিয়া হৈছে তেওঁলোকৰ এই প্ৰতিস্থানটোৰ প্ৰতি থকা মনোভাব আৰু অন্যান্য

বিষয়বোৰ ভালদৰে চাব লাগে আৰু মই ভাবো নিগমৰ কাম কাজ সুচাৰুৰূপে পৰিচালনা কৰিব পাৰিলে কেতিয়াও লোকচান ভৰিব লগা নহব। সেইদৰে আমাৰ বন বিভাগটোও পৰম্পৰাগত ভাবে চলি অহাৰ কাৰণে এই বিভাগটোৰ পৰা আমি যি দৰে লাভবান হব লাগিছিল সেইদৰে লাভবান হব পৰা নাই। এই বিভাগটোৱে কিছুমান কাৰণত সেই বিভাগৰ মহল আৰু অন্যান্য কাম কাজৰ কাৰণে অযথা ম্যাদ বৃদ্ধি কৰি গৈ থকাৰ কাৰণেও বহুতো ক্ষেত্ৰত চৰকাৰে যি পৰিমাণৰ ৰাজহ পাব লাগিছিল তাৰ পৰা বঞ্চিত হোৱা দেখা যায়। সেই কাৰণে এনেবোৰ কামৰ ক্ষেত্ৰত সময় মতে ব্যৱস্থা লব লাগে আৰু কোনো কামৰ কাৰণেই ম্যাদ বৃদ্ধি যাতে কৰা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। ইয়াৰ বাহিৰেও অযথা কাৰণ কিছুমানৰ কাৰণে বন বিভাগৰ সম্পত্তি কিছুমান যিটো হাৰত নষ্ট হৈ যাবলৈ ধৰিছে তাৰ প্ৰতিও চৰকাৰে দৃষ্টি দিব লাগে আৰু এই বিভাগটোৱে যিটো হাৰত লোকচান ভৰিবলৈ লৈছে তাক বন্ধ কৰাৰ কাৰণে সোনকালে ব্যৱস্থা লব লাগে। ইয়াৰ বাহিৰেও আমাৰ যিবোৰ নিগম, নিকায় আদিৰ পৰা ৰাজহ সংগ্ৰহ কৰিব পৰা ব্যৱস্থা আছে সেইবোৰৰ পৰা যাতে সুচাৰুৰূপে ৰাজহ আদায় কৰিব পৰা যায় তাৰো কটকটীয়া ব্যৱস্থা লব লাগে।

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খোজো যে আমি কিছুমান ক্ষেত্ৰত চোকা নজৰ নিদিয়াৰ কাৰণেই দিনক দিনে আমাৰ সমাজত দুৰ্ণীতিয়ে গা কৰি উঠিছে। আজি যদি আপোনালোকে কেৱল গুৱাহাটী চহৰতে এটা কথা লক্ষ্য কৰে তেনেহলে দেখিবলৈ পাব কেনেকৈ নতুন নতুন অট্টালিকা কিছুমান নিৰ্ম্মাণ হব ধৰিছে। আমি যদি ভালদৰে লক্ষ্য কৰো তেতিয়া হলে দেখিবলৈ পাম যে ইয়াৰ বেছি ভাগেই দুৰ্ণীতিত লিপ্ত থকা ঘৰ। সেই কাৰণে এনেবোৰ কাৰ্য্যৰ প্ৰতি চৰকাৰে চোকা নজৰ দিব লাগে যাতে সেই মানুহবিলাক

বছৰেকীয়া আয় কিমান আৰু তেওঁলোকে ক'ৰ পৰা ইমান টকা সংগ্ৰহ কৰি এনে অট্টালিকা নিৰ্ম্মাণ কৰিবলৈ সক্ষম হল। ইয়াৰ বাহিৰেও আমাৰ ৰাজ্যত বহুতো কৰ দাঁতাই কৰ ফাকি দিয়া ঘটনা আমি দেখিবলৈ পাওঁ। যি সকল লোকে তেওঁলোকৰ বছৰি আয়ৰ ওপৰত ভিত্তি কৰি চৰকাৰক কৰ দিব লাগে সেই কৰ কোনো দিনেই উপযুক্ত ভাবে আদায় দিয়া আমি দেখিবলৈ পোৱা নাই। গতিকে এই ক্ষেত্ৰত চোকা ব্যৱস্থা লব বুলি মই চৰকাৰক পৰামৰ্শ আগবঢ়ালো। এই খিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে মহা গাণনিকৰ প্ৰতিবেদনৰ পৰা আমি এটা দেখিবলৈ পাইছো যে ইং ১৯৮৭ চনৰ ৩১ মাৰ্চত শেষ হোৱা বছৰটোত বন বিভাগ, ৰাজহ বিভাগ, উদ্যোগ বিভাগৰ পৰা চৰকাৰে পাব লগীয়া প্ৰায় ৬৭ কৌটি টকাৰ বিক্ৰী কৰ অনাদায়ী হৈ আছে। আমাৰ নিচিনা এখন দুখীয়া ৰাজ্যই ইমান পৰিমানৰ ধন অনাদায়ী হৈ থকা কথাটো কেতিয়াও সহ্য কৰিব পৰা বিধৰ নহয়। সেই কাৰণে এনেবোৰ ক্ষেত্ৰত চৰকাৰে সু-ব্যৱস্থা লব লাগে আৰু যি অকৰ্ম্মন্যতাৰ কাৰণে এনেবোৰ হবলৈ পাইছে তাক দূৰ কৰাৰ কাৰণে চেষ্টা কৰিব লাগে। মই আৰু বেছি বহলাই কবলৈ নাযাও, সৰ্ব্বশেষত এই বাজেটখন সমৰ্থন কৰাৰ লগে লগে এই বাজেটখন এখন জন-কল্যাণমূখী বাজেট বুলি অভিহিত কৰিছো আৰু এই আলোচনাত যিখিনি পৰামৰ্শ দাঙি ধৰা হল সেইখিনিৰ ওপৰত চৰকাৰে বিশেষ ভাবে গুৰুত্ব দিব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীহলিৰাম টেৰাং : মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটখনৰ আলোচনাৰ ওপৰত ভাগ লবলৈ গৈ মই কেইটামান মৌলিক ব্যৱস্থাৰ ওপৰতহে দুষাৰমান কম বুলি ইচ্ছা প্ৰকাশ কৰিছো। এই বাজেট আলো-চনাত ইতিমধ্যে কেইবাজনো মাননীয় সদস্যই অংশ গ্ৰহন কৰি তেওঁলোকৰ দিহা-পৰামৰ্শ দাঙি ধৰিছে আৰু ময়ো এই বাজেট বনোৱা যি ব্যৱস্থা তাৰ লগত আমাৰ দেশৰ আৰু ৰাজ্যৰ

সামঞ্জস্য ৰাখি বৰ্ত্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ দেশৰ বৰ্ত্তমান অৱস্থা ভাল নহয়। অৰ্থনৈতিক দিশৰ পৰাই হওক বা ৰাজনৈতিক দিশৰ পৰাই হওক আজি আমাৰ আগত যি সংকটে দেখা দিছে সেই সংকট অতি ভয়াবহ। কোনো এখন দেশত বা ৰাজ্যত অৰ্থনৈতিক সংকটে দেখা দিলেই ৰাজনৈতিক সংকটেও দেখা দিয়ে। আজি আমি যি আঢ়ৈ কোটি মানুহৰ প্ৰতিনিধিত্ব কৰি এই বিধান সভালৈ আহিছো। সেই লোকসকলৰ কথা আমি সদাই চিন্তা কৰিব লাগিব। ইং ১৯৪৭ চনত ভাৰতবৰ্ষৰ পৰা যেতিয়া ইংৰাজসকল যাবলগীয়া হৈছিল তেতিয়া পণ্ডিত জৱহৰলাল নেহৰুকে প্ৰমুখ্যে কৰি ডঃ আম্বেদকাৰ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আদি লোকসকলে ভাৰতবৰ্ষ তথা অসমৰ কাৰণে যি ধৰণে চিন্তা কৰিব লগা হৈছিল, ঠিক তেনেকৈ আজিও আমি যি অৰ্থনৈতিক সংকটত পৰিছো সেই সংকটো কেনেকৈ পাৰ হৈ যাব পাৰিম, তাৰ কাৰণে চিন্তা কৰিব লগা হৈছে। সেই অৰ্থনৈতিক সংকট আতৰোৱাৰ কাৰণে আমি বিভিন্ন ক্ষেত্ৰত কিছুমান কৰৰ প্ৰস্তাৱ কৰিব লগা হৈছে যদিও আমি এটা কথা নিশ্চয় চিন্তা কৰিব লাগিব যে আজি বস্তুৰ যি পৰিমানে মূল্য বৃদ্ধি হবলৈ ধৰিছে, তাৰ ফলত সৰ্বসাধাৰণ ৰাইজ যাতে অতীষ্ঠ হৈ নপৰে, তাৰ কাৰণে চিন্তা কৰিব লগা হৈছে। এজন ব্যক্তি যি মাহে আঢ়ৈ হাজাৰ বা তিনি হাজাৰ টকা আয় কৰে তেওঁৰ মানদণ্ড বোজাই ৰখাৰ কথা নকওৱেই, সাধাৰণ কৃষকেও যি অৱস্থাৰ সন্মুখীন হব লগা হৈছে, সি অতি ভয়াবহ। মই এই আটাইবোৰ কথা বহলাই কবলৈ নাযাওঁ, কিন্তু এটা কথা কব লাগিব যে আমাৰ মূখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ বাজেট বক্তৃতাত 'কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ' কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত মই এটা কথা কবলৈ বিচাৰিছো যে সংবিধানখনত আছে যে আমাৰ দেশখন মূলতঃ ফেডাৰেল

গাঠনিতহে স্থাপিত। যোৱা কালি লোক সভাত আমাৰ এজন সদস্যই চাৰকাৰিয়া আয়োগৰ প্ৰতিবেদনৰ ওপৰত হোৱা আলোচনাত ভাগ লৈ এই কথাটোকে উল্লেখ কৰিছে যে "ইট উইল্ বি এ ইউনিয়ন অৱ ষ্টেট"। And whome in the constitution the word centre is mentioned. ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা পিছৰে পৰা অৰ্থাৎ পণ্ডিত জৱাহৰলাল নেহৰুৰ দিনৰ পৰাই ভাৰতবৰ্ষৰ সংবিধান যিটো গাঠনিৰে চলি আহিছে, আজিও তাৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। বৰং কিছুমান ক্ষেত্ৰত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ঠাইত অধিক কেন্দ্ৰীয়কৰণ কৰাহে দেখিবলৈ পোৱা যায়।

চাৰ, এই ব্যৱস্থা যেতিয়ালৈকে আমি নকৰো, যেতিয়ালৈকে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা নহয়, তেতিয়ালৈকে অৰ্থনৈতিক সংকট থাকিবই আৰু তেতিয়ালৈকে অৰ্থনৈতিক সমাজ ব্যৱস্থা ৰাজনীতিৰ সমস্যা কেইজনমানৰ হাতত থাকিব। সেই কাৰণে অসমৰ যিখন বাজেট সেইখনত যথেষ্ট ঘাটি। আমাৰ প্ৰত্যেকজন মানুহৰ ওপৰত কৰৰ বোজা আছে। লগতে কেন্দ্ৰীয় চৰকাৰৰ যিখন বাজেট, তাতো সেই বোজা প্ৰত্যেকজন মানুহৰ ওপৰত আছে। মই এইখিনি কথা কব নাযাও, কিন্তু আমাৰ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত আমাৰ যিখিনি দিবলগীয়া ঋণ, এই বিষয়ে মাননীয় সদস্য এগৰাকীয়ে কৈছে। কিন্তু চাৰ, আমি ঋণ খিনি দিব লাগে নে নালাগে সেইটো ডাঙৰ কথা নহয়। কেন্দ্ৰীয় চৰকাৰৰ যি ঋণ আছে, তেওঁলোকে জনসাধাৰণৰ ওপৰত কৰ জাপি দি বা টকা ছপা কৰি ঋণ পৰিশোধ কৰিবলৈ চেষ্টা কৰে। মই কব খুজিছো যে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দিবলগীয়া টকাৰ বিষয়ে স্পষ্ট ভাবে ৰাজহুৱা ভাবে কব লাগে। কেন্দ্ৰীয় চৰকাৰে আমাক ভাল চকুৰে চোৱা নাই। আমাৰ পাবলগীয়াখিনি পোৱা নাই, কিন্তু প্ৰাপ্যখিনি পাব লাগে। অসম চৰকাৰে এই সংক্ৰান্তত ৰাস্তালৈ ওলাই যাব লাগিব, ইয়াৰ কাৰণে

আমি কুণ্ঠাবোধ কৰিব নালাগিব। আমি এম, এল, এ হৈ সদনত আছো, ৰাস্তাত আন্দোলন কৰিব নোৱাৰো তাৰ কোনো মানে নাই। আন্দোলন কৰিব লাগে। অসমৰ আঢ়ৈ কোটি জনসাধাৰণৰ কাৰণে চিন্তা কৰিব লাগে। আমি প্ৰশ্ন কৰিব পাৰো লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ৰোহিনী চৌধুৰী তেওঁলোকৰ দিনত এইবিলাক নাছিল নেকি? আমি চাব লাগে এই প্ৰশ্ন বিলাক আজি ২০ বছৰ পিচতো কৰিব লগা নহয়। সংবিধানৰ নিয়ম মতে কাৰবি আংলঙৰ কাৰণে বেলেগে কৰিব লগা হয় আৰু সেই মতে বিল কৰে। তাৰ ৮১ কোটি টকাৰ ৭৭ কোটি টকা চেণ্ট্ৰেলৰ পৰা আহে আৰু বাকী ৫ কোটি টকা অসম চৰকাৰৰ পৰা আহে। কাৰবি আংলঙৰ বিষয়ে যি বাতৰি কাকতত ওলাইছে, পাৰ্ব্বত্য অঞ্চলৰ মন্ত্ৰী ডাঙৰীয়াই বিবৃতি দিছে। Sixth Schedule (৬ চিডুৱেল) ত যি আছে, সেইখিনি সম্পুৰ্ণ অস্পষ্ট। এই বিষয়ে যথেষ্ট আলোচনা কৰা হৈছে আৰু কিতাপো লিখা হৈছে। কিন্তু তাক স্পষ্ট ভাবে কব পৰা নাই, আনকি বিচাৰপতিও কব পৰা নাই। এটা দ্বৈত শাসন ব্যৱস্থা চলি আছে। সেই দিনাখন কৈছিল। পি, ডব্লিউ, ডি ৰ এক্সিজিকিউটিভ ইঞ্জিনিয়াৰক সোধোতে কয় টকা অহা নাই। দিষ্ট্ৰিক কাউন্সিলতো সেই একেই চলি আছে। আমি কৈছো ৮১ কোটি টকাৰ বেছি কৰিম, কিন্তু যেতিয়া-লৈকে এইটো নকৰে, তেতিয়ালৈকে এইটো আহি থাকিব। কাৰ্বি আংলঙৰ বাজেটৰ কথা কোৱা হৈছে, তাত এন, চি, হিলচো হৈছে। তাত স্পষ্ট ভাবে কোৱা হৈছে এইটো অৰ্থনৈতিক সমস্যা। এইটো এই বছৰে নহয় যোৱা বছৰেও কৰি আহিছে। অৰ্থাৎ সমস্যা আছে। এতিয়া আমি এইবিলাক চকু মুদি নে চকু মেলি সমস্যা সমাধান কৰিম। মই আৰু বিশেষ কৰ নোখোজো। এটা মাথোন কথা কব বিচাৰিছো। আমি এই সময়ত অসমত বিশেষকৈ আঢ়ৈ কোটি জনসাধাৰণৰ প্ৰতিনিধিত্ব কৰিছো। আমি প্ৰত্যেক বস্তু চাই-চিতি কামত আগ বাঢ়িযাব লাগিব। আজি

আমাৰ এটা সন্ধিক্ষণ আহিছে। ইং ১৯৪৭ চনৰ সন্ধিক্ষণত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ কান্ধত বোজা আছিল, সেই বোজা বেছি নহলেও কম নহয়। আমাৰ মাননীয় সদস্য সকলে তেনে এটা চিন্তা কৰিব লাগে। চৰকাৰে তেনে দৃষ্টি ভঙ্গীৰে প্ৰশাসন চলাব লাগে। মই এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

* শ্ৰীভবেন বৰুৱা : মাননীয় উপাধক্ষ্য মহোদয়, এই পবিত্ৰ সদনত যোৱা ইং ২৭ মাৰ্চ তাৰিখে মুখ্যমন্ত্ৰী মহোদয়ে ইং ১৯৮৯-৯০ চনৰ কাৰণে যিখন বাজেট দাঙি ধৰিছে ইয়াত মোৰ পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পাৰ্টিৰ সদস্য সকলে এই বাজেটখন যে এখন জন-কল্যাণমুখী বাজেট নহয় বুলি যি আখ্যা দিছে সেই আখ্যা যুক্তিৰে খণ্ডন কৰিব বিচাৰি মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো।

বিৰোধী পাৰ্টিৰ সদস্য সকলে এই বাজেটখন জনকল্যাণমুখী বাজেট নহয় বুলি কৈছে যদিও অসমৰ জনসাধাৰণে অতি আদৰেৰে এই বাজেটখন সাদৰি লৈছে। কাৰণ এইখন এখন সৃষ্টিকামী জনকল্যাণমুখী বাজেট। আজি ভাৰতবৰ্ষত যিমান খাৰুৱা তেল উৎপাদন হয় তাৰ প্ৰায় আধা খাৰুৱা তেল অসমতে উৎপাদন হয়। এই বাজেটত যি খিনি কৰ লগোৱা হৈছে, অসমে খাৰুৱা তেলৰ বাবদ যিখিনি ৰয়েলিটি পাব লাগে সেইখিনি পোৱা হলে এইখিনি কৰ লগাব লগীয়া নহলহেঁতেন। অসমৰ খাৰুৱা তেলৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে ৬০০ পৰা ৯০০ লৈকে উপ কৰ লগাইছে, কিন্তু ৰাজ্য চৰকাৰক একো দিয়া নাই। কেন্দ্ৰীয় চৰকাৰে যদি উপ কৰ লগাব পাৰে অসম চৰকাৰে কিয় উপ কৰ লগাব নোৱাৰিব ? গতিকে এই বিধ সামগ্ৰীৰ ওপৰত ৰাজ্য চৰকাৰে উপ কৰ লগাই বাজেটৰ অৱস্থা টনকিয়াল কৰিব লাগে। আমি এটা কথা লক্ষ্য কৰিছো যে আমাৰ ৰাজ্য চৰকাৰে কেৰাচিন আৰু ডিজেলৰ ওপৰত কৰ লগোৱা নাই। এইটো এটা ভাল কাম হৈছে বুলিয়েই মই ভাবো। আমি দেখিবলৈ পাইছো যে অসম চৰকাৰৰ বেছি আয় আহে

* ( Speech not corrected )

তেল আৰু চাহপাতৰ পৰা। গতিকে এই তুয়োবিধ সামগ্ৰীৰ ওপৰত অধিক কৰ লগোৱাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ইয়াত যি বিলাক চাহৰ নিলাম কেন্দ্ৰ আছে এই ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰে উপ কৰ লগোৱা নাই যদিও আমাৰ ইয়াৰ পৰা যোৱাৰ পিচতহে বাকী বিলাক ৰাজ্যই ইয়াৰ ওপৰত উপ কৰ লগাই আহিছে। গতিকে এই বিলাক সামগ্ৰীৰ ওপৰত উপ কৰ লগাই ৰাজ্যৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিব লাগে।

বৰ্ত্তমান বাজেটত যি বিলাক বস্তুৰ ওপৰত কৰ আৰোপ কৰা হৈছে সেই বিলাক কৰে জনসাধাৰণক পোনপটীয়া ভাবে আঘাট কৰা নাই। এই বিলাক কৰে পোনপটীয়া ভাবে আঘাট কৰিছে ধনী শ্ৰেণীৰ লোকক। গতিকে সাধাৰণ জনসাধাৰণে এই বাজেট আগ্ৰহেৰে গ্ৰহণ কৰিছে। কাৰণ এই বাজেট অসমৰ জনসাধাৰণৰ আশা আকাংক্ষা পূৰণ কৰিব পাৰিছে; সেই কাৰণেই এইখন এখন জন-কল্যাণমুখী বাজেট বুলি আখ্যা দিয়া হৈছে। মই বাজেটখনৰ এটা দিশলৈ আঙুলিয়াব খুজিছো। আমাৰ যি বিলাক ৰাজহুৱা প্ৰতিষ্ঠান আছে সেই বিলাকক লৈ সন্তুষ্ট হৈ বহি থাকিলেই নহব। ৰাজহুৱা প্ৰতিষ্ঠান বিলাকৰ সম্পৰ্কত বহুকেইজন মাননীয় সদস্যই কৈ গৈছে। গতিকে আমাৰ এই ৰাজহুৱা প্ৰতিষ্ঠান সমূহৰ পৰা যাতে আমি আয় পাব পাৰো আৰু তাৰ দ্বাৰাই আমাৰ বিত্তীয় অৱস্থা টনকিয়াল কৰিব পাৰো সেইটোৰ ওপৰত গুৰুত্ব দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে বন বিভাগ। আমি দেখিবলৈ পাইছো যে চোৰাং ব্যৱসায়ীৰ পৰা ধৰাই হওক বা চৰকাৰে কটাই হওক, আমাৰ ৰাজ্যত বহুত বিলাক কাঠৰ কুণ্ডা পৰি আছে। সেই বিলাক বিক্ৰীৰ ব্যৱস্থা হোৱা নাই। সেই বিলাক বিক্ৰী কৰিব পাৰিলেও আমাৰ বৰ্ত্তমান বিত্তীয় সংকট বহু পৰিমানে আতৰি যাব। বিত্তীয় সংকট বুলি কওঁতে এটা কথা

মই কব বিচাৰিছো যে আচলতে আমাৰ কোনো বিত্তীয় সংকট নাই। অসমত কোনো দিনেই বিত্তীয় সংকট হোৱা নাই। এ, জি, পি চৰকাৰ অহাৰ লগে লগে বিত্তীয় সংকট আহিল কিয় ? আচলতে কথাটো হৈছে যে এতিয়া যিমান কাম হৈছে স্বাধীনতাৰ পিচৰ পৰা ইমান কাম কেতিয়াও কোনো সমষ্টিতে হোৱা নাছিল। আগতে টকা খৰচ কৰিব নোৱাৰাৰ কাৰণে ঘূৰি গৈছিল। কিন্তু এতিয়া টকাৰ নাটনিহে হৈছে। এতিয়া প্ৰতিটো সমষ্টিতে ৫০ খনলৈকে বিদ্যালয়ৰ ঘৰ নিৰ্মাণ কৰা হৈছে। আগতে এই বিলাক বিষয়ত কোনো চকু-কান দিয়া হোৱা নাছিল। আগতে যি বিলাক ঠাইত ৰাস্তা নাছিল এতিয়া সেই বিলাক ঠাইতে ২১৩ কিলোমিটাৰ ৰাস্তা হৈছে। সেই পৰিমানে ৰাস্তা পকা কৰা হৈছে। গতিকে এই বিলাক কাৰণতে আজিৰ যিটো বিত্তীয় সংকট হৈছে সেই সংকট হোৱা বুলি আমি ভাবো। মই মুখ্যমন্ত্ৰী মহোদয়ক এটা কথাৰ কাৰণে অনুৰোধ কৰো যে যি বিলাক লোকে কৰ ফাকি দিয়ে, সেই বিলাক লোকৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কৰ ফাকি দিয়াৰ যি বিলাক সুৰুঙা আছে সেই বিলাক বন্ধ কৰিব পাৰিলেও আমাৰ ভবিষ্যতে বিত্তীয় অৱস্থা ভালেখিনি টনকিয়াল হব। মই এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Hon'ble Shri Maziruddin Ahmed :

Shri Maziruddin Ahmed : Mr. Deputy Speaker, Sir, before I come to the amendments to some budgetary proposals, I wish to remind the AGP Government about their assurances. They said that corruption will be uprooted in toto; Even Rs. 10/- worth corruption will not be tolerated. We liked it very much and we hoped that this Government which came to power after sacrifice for 6 years

agitation will really meant to do it. But what we find now ? So many things are going on. If they could have followed and maintained their assurance of uprooting corruption we would have been happier. Sir, let us take the example of State Transport Corporation. There diesel is sold out, lubricant is sold out, motor parts are sold out, tyres are sold out and tickets books are not maintained. If these were checked, crores of rupees could have been saved in a year. Then Sir, in Electricity Department there is frequent power failures. The result is, there is loss of revenue expenditure remaining the same. When complaints are lodged by the consumers there is no response. And in this way this department in incurring loss instead of earning profit. This is really very unfortunate. Had it been in the hands of private individuals this department could have earned crores of rupees. Due to power failure the industries also suffer very often ; Business also suffer to a great extent. In this way we are all suffering in all respects. Then in the Forest Department, huge number of logs are getting rotten every year and crores of rupees is being wasted.

Sir,, had the departments very careful in doing their business, had the officers were alert then this loss would not have incurred. I think in Assam every year crores of rupees are being wasted in this way and there is none to check

it. Sir, we have got various public undertakings in our State but none of these public undertakings are working well to earn income. Why this is so ? It is because of the corruption and mismanagement. Sir, unless and until corruption and mismanagement is up rooted we cannot hope to see these public undertaking in to a healthy organisations and earn income. Government have made investments. Sir, why Government have come forward with taxation proposals during this session is only failure to stop mismanagement and corruption which have led the undertakings to inour loss. Now, people have to bear the brunt and the burden of taxation. Sir, if the Government had been very sincere and alert then it would not have been necessary to impose taxes. Sir, Government should have tried to explore the resources available in the state to raise its fund. If the Government could not do so, then they would not have to come up with taxation proposals and levied taxes on the people. Sir, many Honourable A.G.P members have termed this as a progressive budget and that the burden of taxes will not be heavy on the people, because the rates of taxes proposed are minimum. Sir, I submit that while we impose taxes the indigenous people, I mean, the cultivators who are growing and selling agricultural products will have to pay the taxes and not by

the traders because they will realise the taxes from the consumers and growers.

Sir, as regards, entry tax, this tax will have to be paid by the indigenous people. Sir, ultimately all the taxes will have to be paid by the consumers and not by any one else. As regards, land revenue, thousands of bighas of land have remained to be settled for decades. As a result, Government is losing the revenue which will run into cores of rupees. Sir: in some pleaces where landless people are living for years and decades they are not paying any land revenue. Sir in this way the revenue is lost therefore, Sir, Government should take care that the persons who are living for decades in the land, particularly in the char areas are given settlement. What we see, Sir, is that Government instead of giving settlement to these people have evicted them without any reason. Sir, these people are there for decades and cultivating lond? Sir, what is the reason for wich they have been evicted and what steps Government have taken to rehablitate them? There is no scheme, Sir. to rehabilitate these evicted people. Sir, so far as the schemes in the char areas are concerned, it has been stated that Government have taken up a scheme for afforestation in the char areas. Sir, it is something absured that afforestation in possible is the char areas. But, Sir, as you know, char is not

a permanent land surface because we find that a char does not remain at same place and every year one char sinks down another emerges on the other sie. Therefore, Sir, the expenditure that will be incurred for afforestation will not serve any purpose. So, all the expenditures will be a useless expenditures. Sir, I find in some departments there are much more staff then repuired while in some departments there is dearth of personal. Sir, why Government have not uniform policy. Had Government any policy then this sort of anamally would not have occured. Sir; it has been stated in this house by some Hon'ble, Members that there is shortage of staff in the Electricity Board. I donot know why there is dearth in this department. Sir, all these require to be looked into. Sir, we must be very cautious in spending the public money. Sir, nowadays corruption has become so rampant that even the AASU, which is the supporter of the present Government have charged this Government for corruption. Sir, I sorry to state that we have been hearing about the benami purchase of tea-gardents by some Minister. I wish it is not true.However, when there is a rumour and it being stated in public, I think, this should be enquire into.

Sir, as regards turn-over tax, Shri Binai Khungur Basumatari has laid concrete examples

the other day in this House and the proposals put forward for reducing this tax should be looked into by the Government. Sir, as regards payment of stamp duty not with standing the fact the value of the land has increased over the years. I feel increased payment of stamp duty will be a burden on the sellers of the land. Sir, much has been said in this House terming the budget as anti-people, counter productive by the opposition members and progressive and productive budget by the ruling party members, I think this budget does not meet the hopes and aspirations of the common people. Atleast there should not have been any tax proposals in the budget. I therefore do not support this.

Shri Abdul Muhib Mazumdar : Mr. Deputy Speaker, Sir, I find the attitude in all matters which are coming before the Government differs. Sir, we have been going through the budget discussions for the last several days and the way the budget proposals are placed before the House reminds me of a very famous saying of winston churchil. I like to read out. "Liberty is man's birth right. However, to give the reigns of Government to Congress at this juncture is to hand over the destiny of hungry millions into the hands of rascals, rougues and free booters. Not a bottle of water or a loaf of bread shall escape taxation. Only the air will

be free and the blood of these hungry millions will be on the head of Mr. Attlee. India will be lost in political squabbles". I hate to-quate this remark. But exactly what happened there is taxation spree every where. The Hon'ble chief Minister has tried to tap all the surces, except taxing beard. If you empose tax on beard, probably our P.W-D Minister would have paid higher. Sir, what is a budget, if we pay less tax. Sir, what is budget ? Is it a statement of expenditure and facile stereotype statement ? what is the earning on expenditure ? Sir, as you know, it is not merely a stereotype catelogue of expenditure and income. There is some meaning to this annual practice of placing the budget in the House. Now, what is the reaction of the people towards this budget ? Now, the Governor in his address gave the plans and estimates for the coming year. The budget proposals of the Finance Minister have laid down the economic policies for development of the State. Now, how we are going to meet the next financial year ? To what extent, we will be successfull to meet the challenge ? Now, Sir, you look at the budget. It gives a pathetic picture. It appears to be the wailing of the widow. Right from the beginning, we were in the financial crisis, and now we end up with bewailing and nothing else. We thought very high of this youthful Government. But we are now illusive. We do not find any

new urge from this youthful Government. We have passed through 6 years of agitation and these young people have gone through various kinds of vicissitude. I have read articles published by the agitationists highlighting the point how Assam has so far been deprived eonomically and in various other ways by the Central Government. These have also been focussed in various formus of discussions

Now, Sir, three years have passed and in every year we are going down deep into debts. There is no development. There is complete chaos in the State. Now, there is a frank admission by the Government that we are in a dire straits. In this condition, they have demanded that there should be moratorium in the repayment of loan and interest. But the Government have not stated that there should also be moratorium on the was teful expenditure or non productive expenditure. Now, Sir, the expenditure is going higher and higher, but our income or earning is steadily going down. I have said about the present financial crisis being faced by the State. There is one aspect of Central apathy has been hammered again and again. We overlook our faults that we could not collect our revenue.. We are to consider that the Centre has also limitation in regard to finance. The Central Government is also going through finan-

cial difficulties. Any way, they have given whatever necessary under the constitution. Now, I give you a few examples. In the year 1984-85, the receipt from the Central Taxes was Rs. 152 crores and this year of 1988-89, the receipt from the same source is Rs. 366 crores. Sir, the grants-in-aid award by the Finance Commission during 1984-85 is about Rs. 40 crores. During the current year, this has been increased to Rs. 130 crores. In respect of Plan grant, the State received Rs. 104 crores during 1984-85. During this financial year, we have received Rs. 330 crores. Similarly, in respect of non plan grant, we have received this year Rs. 46 crores. Where as, it was 36 crores during 1984-85. The most important thing is about oil royalty. It has been repeated again and again to increase the royalty rate. Now, the question is, it is all India matter which concerns other States like Gujarat and Maharashtra. They have also been urging for increasing the rate. The earlier Governments also demanded for raising the rate. In 1984-85, we received Rs. 34 crores from oil royalty. To-day, we are getting Rs. 96 crores. Inspite of upward revision of oil royalty and other Central grants & loans, we are stating that the Central Government is depriving us. It is rightly said by one of our members Shri Sinha that the Government is adopting the policy of "Rinang Kritwa Ghritang Pibet." We are actually

getting far more loans than we could properly utilise them. The whole difficulty is that we do not recognise our fault. You know, Sir, if you take a loan, you should have to pay it. This is a known fact and we are aware of it. Why could we not curtail our non plan expenditure ? It gives a pathetic picture in the budget of 1989-90. There is no awareness how we are passing through this economic crisis. The fundamental question is, in any development of the State, there should be normal peace existed. Now Sir, the law and order is far from satisfactory in the State. We have 6 years' agitation. The pace of development has been stalled. After that, we hope that the Government will consolidate and give a push to the development process. you have got the massiveman date from the people. There is no allegation or complaint that the people did not co-operate in your efforts in this regard. So, what prevented you from going ahead with the developmental activities ? It might be your own faults or wrong policies which come in the way of going ahead with the developmental activities. Now the whole question is whatever money we get from the Government of India, we must utilise it properly. If we waste the money through non plan expenditure, nothing will remain. The complaint is that we are draining out the valuable resources. Now, let me take the case of

capital account. Whatever we spend on capital, account, we gain in increasing the production. If it does not give any return or anything, the economic development is retarded. We are now standing where we were. I don't know who is advising this Government economically. I am told that there is a senior economist, atleast that is the impression we had. I give one example. For the year 1988-89 the expenditure in the capital account was Rs. 1118 crores and kindly see the expenditure in the capital account for the year 1989-90, it is Rs. 1190 crores. In other words if you take the rate of inflation at 12% then this expenditure in the capital account has gone down. That is whatever we had spent last year we are going to spend less then that. It is simple mathematics. This year there is a deficit of Rs. 320 crores that is out of this only Rs. 1 (one) crore will go for capital expenditure. There is no attempt or endeavour on the part of the Government to improve the condition of the people or to develop the State. As against that let me show what is the expenditure. The expenditure has gone up by about 26%, while capital investment is 1%. The expenditure has gone up in several directions. Again kindly see there is a lot of things said about resource mobilisation. After all we are to stand on our own feet; we cannot go on begging all the time; we have to mobilise our resources.

Now have we succedded in it ? I will cite two examples. If we look at the budget proposals, I would like to know from the Finance Minister why there has been such a huge amouut earmarked for certain things. I said earlier also and I again repeat it, I have seen in the papers that the State lotteries and some other things have been given Rs. 188 crores and advance amount of Rs. 47 crores is deamanded. The reply given was we had to pay for the loans which were written off for the East Pakistan refugees. I do not know how far this is correct. Now so far as the loans of the refugees were concerned they were written off long back. How can it come in the State Lotteries ? I will say there is financial chaos in the Finance Department. The other day it was said because a pay Commission is constituted and the pay Commission will give its report and total amount that will have to be paid is Rs. 180 crores. The explanation given is out of the Rs. 188 crores Rs. 180 crores will go for the pay Commission. Then what about the rest Rs. 8 crores ? Now I leave it here. It is said we are passing through extremely difficult financial situation. If it is so then why do we earmark this huge amounts ? For example-Elections. The amount earmarked is Rs. 14 crores. Now we do not know when the elections will be held. May be some amount will have to be spent,

but why this huge amount ? Again Revision of Electoral Roll possibly it has stopped. Now, Sir, secondly our Finance Minister has earmarked Rs. 20 crores for land revenue and land ceiling. My question is Land Revenue is another Department from which we are to have earnings. In land ceiling also the compensation that are given is very small—why such huge amount is earmareked for this ? Sir, I may not be misunderstood. The Finance Minister has said our criticisms are politically motivated. Our crticism is not politically motivated. Ofcourse political motivation is everywhere, even within the party itself. But our criticism is genuine. What we are saying the Finance Minister should take into consideration. Now I take up this issue—for the Transport Department, for transport services the amount that is earmarked about is Rs. 9 crores. Sir, as was said just now when a family purchases a bus the entire family is maintaine dby the bus. In Assam for the Transport Department why there should be Rs. 9 crores ? Again kindly see, Sir, our Education has taken Rs. 300 crores and the Police about Rs. 130 crores. The question is if we are spending so much on the police there should be sufficient police force and then there should be no need for CRPF and BSF. Eitlher we should have more police and no CRPF and BSF or leas police and more CRPF because the expenditure on the CRPF, they are to be paid

from the State coffer. Now we have increased our police force and they should be able to tackle the situation. If the police cannot do it in the CRPF also cannot do it, because the entire thing is political. Now, Sir, I come to another point. I will humbly suggest the Finance Minister that there are certain heads which need to be recast. One is Housing Scheme—we have an amount of about Rs. 4 crores and we have got Residential Buildings another Rs. 4 crores. Why should we have different heads for these. Ofcourse there are certain norms but why should we follow the same thing. Grant No. 32-Housing Schemes, Grant No. 33 Residential Buildings. Again I come to Grant Nos. 56 and 57 Rural Development, Panchayat and Gramonyoan Panchayat and Rural Development and Gramanchal Unnayan Rs. 22 crores and Rs. 45 crores. Now, Sir, I am trying to bring this to your notice. What we are following is stereotype—because my predecessor did this so I am following him. If you want to do some thing new for the country, the budget should be imaginative. The budget speaks of everything. It tries to diagnose but does not give prescription. Sir, the Hon'ble Chief Minister has diagnosed some of the problems, some of the maladies, but what are the prescriptions ? Prescriptions again relate to maladies. Sir, if we think that if the Central

Government gives us money we will be able to avoid the financial crisis of the State and the State will run properly—this is not so. You cannot leave it for somebody-else, it is for us to improve our tax collection, improve our tax structure and we cannot leavs it for the Central Government to improve our financial position. Now I would like to refer to the suggestion made by one of the Hon'ble Members from AGP I think, it is Shri Kamala Kalita. I would only humbly suggest to the Chief Minister, who is also the Finance Minister to consider if the suggestion of Shri Kalita can be given due regard. His suggestion is that there should be pre-budget scrutiny. There should be pre-budget scrutiny possibly, there should be some involvement, please do not believe on technocrates only, please do not believe only on experts, because there is a saying in Francs. I can repeat it and the Hon'ble Chief Minister may also note it. "There things will kill a man,

(i) Wine slowly

(ii) Woman sweetly ( ladies will please excuse me )

(iii) Experts surely."

If you bring too many experts, the experts are sure to kill you. So please do not depend on experts only but also a layman also should be taken into consideration. There should be pre-budget scrutiny not by too many experts but by laymen. They

may also give some suggestion. Our Hon'ble Chief Minister must have been relying entirely on the experts and these experts will ruin him surely, Because within this period of 3 years of your taking over as Chief Minister of Assam your youthfulness has gone, your hair have become grey and nobody will tell you young now-a-days. Again sir, before taking over as power Minister, his hair was black and now all his hair have become grey and looks old. (laugh, what about the old members ? ) The hair of the old members have become black. These are some of the aspects to be seen.

Now sir, I come to the next very important Point. It is true sir that the AGP has come to the power with the symbol at elephant but it does not mean that you should keep on rearing the elephants. The symbol elephant was very lucky in the Brahmaputra valley. In Cachar district also some people followed you. A gentleman from Cachar come to Guwahati and consulted the astrologer and the astroler advised him to take the elephant symbol for winning the election. Accordingly, he took the elephant symbol against me and got befeated. Sir, I am not referring to the symbol but I am referring to certain white elephants. We have got 44 white elephants in the state starting with Assam State Electricity Board.

What is the purpose of these 44 white elephants ? I just give what the Finance Minister rather Chief Minister has given in the Budget. We have 44 public Enterprises in the State and out of these 44 sir, only 34 public Enterprises have submitted accounts till 1986-87, that means, none of these public Enterprises has submitted their accounts for the year 1987-88 and 1988-89. The Government investment in these 44 white elephants for the year 1980-81 is 483 crores and for 1987-88, the investment is Rs. 1146 crores. The total Government loss amounts to Rs. 730 crores. Sir, the interest payable by the Assam State Electricity Board amounts to Rs. 410 crores and our Chief Minister has presented a deficit budget of Rs. 370 crores. If we can realise the interest of loan from the Assam State Electricity Board then possibly we will have a lot of excess money. I am suggesting this because there should be some bold and innovative approach somthing different from the ordinary run things that is what is wanted from this youthful Government. It is known to everybody that these white elephants are not getting any income and these white elephants will completely ruin the State of Assam, none can save this State of Assam. For all these Corporations starting from ASEB I think, I mooted out a proposal and I repeat it because this youthful Government will be able to do it they have the guts. The Assam State Electricity

Board was formed because of its huge size and it was thought that it would run better, it will get income but it completely failed. So, my suggestion is that please consider to abolish the State Electricity Board and run through a department with the Secretary powar at the top. In North Eastern States we have got Electricity Board in Assam and in Meghalaya but other States do not have Electricity Board. In Andhra Pradesh, Mr. Tata Rao is the head of the State Electricity Board. He has been working day and night for proper functioning of the State Board. I know him personally. This is the best Electricity Board in the whole of India. You may not know the name but you should run the organisation smoothly and efficiently. So, this is my one suggestion and you may consider it.

Now my suggestion No. 2 is about State Transport Corporation. When a bus run by an ordinary man, the person gets benefit by running the bus and he manages his livelihood from this income. But all the buses of the State Transport Corporation are running at a loss. Can we not abolish the State Transport Corporation when this is not giving any benefit to the people of the State and when this is running at a loss? As a result of this mismanagement we have got mushroom growth of private transport services. I think, my suggestions are two-folds, either you

abolish the Transport Corporation or handover it to the private companies. There are so many private companies now-a-days like Capital Travels, Assam Valley etc. etc. The conditions of the buses of these private companies are very good. But the condition of buses run by the Assam State Transport Corporation is very bad. You will find some glass is broken, some where, there is no seat cushion in some seats and many others. If you go to Paltanbazar or even at Dispur and see a State Bus comeing, possibly you will think that this bus has just come out of the drain having met with an accident. This is the impression one gets. So, if a Corporation does not give any income what is the meaning of maintaining the Corporation with the loss, we are not in love with those Corporations such as Eletcricity Board, Transport Corporation, STATFED and all these 44 Corporation. They are meant to serve the interest of the State, they are not meant to reduce our earnings and give us wrong service. I am not saying that these are to be abolished but the manning of services should be controlled and there should be new innovation in the ideas. In Bombay, Electricity supply is managed by the private companies and they are giving better service.

Sir, I am giving a suggestion and I humbly place it before the Government that time has now

come when we should think properly about whether we should continue to maintain these corporations—the vital ones. We should think of adopting a new policy in regard to these corporations. Kindly see what the Hon'ble Chief Minister has got to say about the Assam State Electricity Board, about the public enterprises in his budget speech : He said, "The performance of the public enterprises of the State Government has been a cause of concern. Not only are their working results unsatisfactory but even the accounts are in heavy arrears. The accounts of 34 out of 44 enterprises are available for a period upto 1986-87 only. The investments of the Government in the 44 public enterprises rose from Rs. 483 crores in 1980-81 to Rs. 1146 crores by 1987-88. "Then again, kindly see what he has stated about Electricity Board of Assam : "The Electricity Board has claimed a subsidy of Rs. 324 crores upto 1989-90 for losses on Rural Electrification Programme." Inspite of such condition what the Government is doing ? I have head heard the warning note that has been spelt out by several other Hon'ble Members also. So may we suggest that if necessary the House it self or a House Committee should go into the affair and suggest how many corporations should be maintained and how many should be abolished or taken over. We have no special love or affection for the corporation. They are to give us services

and not to eat into the vitals or blood, not to eat our hard earned earnings from other sources. In my opinion, possibly if one of these corporations is abolished, probably the present financials crisis of the State will become easier to tackle. They are eating everything and asking for subsidy and all these. Hon'ble Chief Minister has then stated that the Central Government money given by the Central Government towards assistance or development to the corporations like State Electricity Board will be deducted at source from the Plan money, as the money advanced to these Corporation. Then what we get ? Only in paper you will get say Rs. 10,000 and actually you get after deducting 9999 rupee only rupee one. That is why I suggest if possible there may be a House Committee constituted to go into it and say how many of these corporations should be retained and how many should be abolished and how many of them should be taken over by the Government and run departmentally and if they cannot be run departmentally they should be abolished.

Now Sir, I am coming to another point. We talking a lot about finance, loss of money, etc. I want to pick the example cited by an Hon'ble Member on what has been spent in the last two years, the pattern of spending. We should like this to be gone into by a House Committee

some of the aspects of expenditure, viz. Committee now many cars and vehicles were purchased by the Corporation or by the Department during the last two years ; Now a days you connot move in a car on the roads safely ; our P.W.D. Minister is unable to construct roads to cope with the voluminous vehicular traffic ; Secnodly, the money spent for repairing of them and the amounts of petrol given by the government for running these vehicles, how much spent, year-wise. Thirdly, how many payments have been made for police and some other departments, particularly police because we have also got to pay for C.R.P.F. and such other forces. This should also be looked into. Fourtnly, how much grants have been given to different institutions like our Mazars and Namghars and all these things ? Fifthly, how many un-wanted construction of buildings have taken place in several places ? We should have constructions. We want hotels like the Brahmaputra, Ashoka, but when we are passing through a financial crisis, we are unable to do so. Yet some of them have come up. Our Finance Minister has asked us to tighten our belt. Now the belts are tightened so much that it has become painful. For come it has swelled so mich, viz. they have become so rich, some contractors, some middlemen and possibly some officers these are some of the types—in their cases, belts

and not to eat into the vitals or blood, not to eat our hard earned earnings from other sources. In my opinion, possibly if one of these corporations is abolished, probably the present financials crisis of the State will become easier to tackle. They are eating everything and asking for subsidy and all these. Hon'ble Chief Minister has then stated that the Central Government money given by the Central Government towards assistance or development to the corporations like State Electricity Board will be deducted at source from the Plan money, as the money advanced to these Corporation. Then what we get ? Only in paper you will get say Rs. 10,000 and actually you get after deducting 9999 rupee only rupee one. That is why I suggest if possible there may be a House Committee constituted to go into it and say how many of these corporations should be retained and how many should be abolished and how many of them should be taken over by the Government and run departmentally and if they cannot be run departmentally they should be abolished.

Now Sir, I am coming to another point. We talking a lot about finance, loss of money, etc. I want to pick the example cited by an Hon'ble Member on what has been spent in the last two years, the pattern of spending. We should like this to be gone into by a House Committee

some of the aspects of expenditure, viz. Committee now many cars and vehicles were purchased by the Corporation or by the Department during the last two years ; Now a days you connot move in a car on the roads safely ; our P.W.D. Minister is unable to construct roads to cope with the volumenous vehicular traffic ; Secnodly, the money spent for repairing of them and the amounts of petrol given by the government for running these vehicles, how much spent, year-wise. Thirdly, how many payments have been made for police and some other departments, particularly police because we have also got to pay for C.R.P.F. and such other forces. This should also be looked into. Fourtnly, how much grants have been given to different institutions like our Mazars and Namghars and all these things ? Fifthly, how many un-wanted construction of buildings have taken place in several places ? We should have constructions. We want hotels like the Brahmaputra, Ashoka, but when we are passing through a financial crisis, we are unable to do so. Yet some of them have come up. Our Finance Minister has asked us to tighten our belt. Now the belts are tightened so much that it has become painful. For come it has swelled so mich, viz. they have become so rich, some contractors, some middlemen and possibly some officers these are some of the types—in their cases, belts

cannot be tightened. Now these things should be gone into by the House Committee. Sir, there has been inefficiency in other sectors also. Not only we have not been able to stop the wastage of money or extravagances, we have not been able to collect the tax dues fully. Our Forest Minister will wake up from his sleep when I tell that there has been a sharp fall in our agricultural Income Tax. Why ? We have a collection of 60 crores of rupees in the previous year. It has gone down to 30 crores, no, 25 crores of rupees. Why that has happened ? This should be looked into. Similarly our sales Tax and other such taxes also, collections are not upto the mark. Why ?

Then I come to two important points—these are very very important for the Government. These are about fisheries and forest mahals. Hon'ble Chief Minister will kindly see how many extensions have been granted and how many direct settlements have been given. There is a Report which was submitted on the order of the present Government, viz. Pheni Committee Report. Now our new Forest Minister is present here. I will ask the Hon'ble Forest Minister that while you have accepted all the recommendations in the Report, you have not accepted one, the very one for which the previous Government was put into blame, viz, The power of the Government

to make direct settlement. The Pheni Committee Report also recommended that the power of the Minister to make direct settlement of mahals should be withdrawn. Now the present A.G.P. Government has retained the power. This power has been retained by this Government. Our Forest Minister has to answer it why. Now we have got several cases where higher bids of 4-5 lakhs of rupees were given by the tenderers, but the lowest bid was accepted. We heve seen in the case of Panchayat market and in the case of other settle ments. Kindly see how much amount of money was lost to the State Exchequer. It may be small, Rs. 10,000 or 20,000 of rupees or say 2 lakhs in a case but when all these amount are put in the pool, the total will run into crores. And I am saying so because you have asked us to tighten our belts. We have to stop all these lossese, stop the extravagant expenditure. Then there is another thing. I have read the other day from the Report of the Comptroller & Auditor General. I submit to the Hon'ble Chief Minister why the huge amounts have been written off which were supposed to be collected from different persons by resorting to Bakijai proceedings. Huge amounts have been written off by Government. These eases have not come up. What is the reason ? I am giving my suggestions. If you can improve your efficiency or

remove your inefficiency, then our Revenue and tax collection will increase. Secondly you will have to stop easteful expenditure ; you will have to stop them because any expendit ure on luxury items in the first year, that is allright, but second and third year you cannot indulge in luxury. Next Sir... the white elephant, i. e, the Corporations, is the only singl efactor which has completely ruined the State's economy and I have spoken it at length in course of my deliberations. Sir, I hope the Government will due consideration on this point. We are sure the the budget will be passed and there is no doubt about the passing of the budget. But we hope Government will take note of the suggestions given by the Hon'ble Members in connection with the improvement of State's economy. Sir, whatever concessions were announced by the Hon'ble Chief Minister adout the tax-relief, for that he deserves congratulation. While thanking him, I would like to point out that there is no need of imposition of fresh taxation. It is not that I am telling this only to derive political advantage our of it. If you would have saved wasteful expenditure from other heads, you would not have come up with fresh taxation. I have given some suggestion for the improvement of the financial position of the State and I hope the Hon'ble Finance Minister

of the Government while preparing the budget in the future will keep in mind those suggestions. Then. sri, with regard to the wasteful expenditure is concerned, before the people catch our thought we should catch it. In this connection I will explain the position by one sentence. Sir, Mehatma Gandhi once said adout the poor and hungry man that even God has no courage to come before the hungry man." Sir, when people are hungry and when they see our prosperity and happiness, they will revolt. They even cannot tolerate 'God' and when they cannot tolerate 'God' definitely they cannot tolerate the politicians. With these words, sir, I concludue. Mr. Dy. Speaker:— Now, Hon'ble Member Shri Thaneswar Boro.

* শ্ৰীথানেশ্বৰ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বাজেট সম্পৰ্কে চমুকৈ উল্লেখ কৰিব বিছাৰিছো। তেখেতে যিখন বাজেট উৎথাপন কৰিছে আৰু যিখিনি বক্তৃতা ৰাখিছে এই সম্পৰ্কে মোৰ ফালৰ পৰা কাৰেণ্ট চিষ্টেমৰ ওপৰত দুষাৰ কব বিচাৰিছো। বাজেট দেফিছিট হোৱাটো যে বেয়া কথা সেইটো কব নোৱাৰি। বাজেট দেফিছিট নোহোৱাকৈ জন-কল্যাণৰ বাজেট যদি নহয়, সেইটোহে বেয়া কথা। দেফি-ছিট মেকআপ কৰিবৰ কাৰণে ৰিচোৰ্ছ মোবিলাইজ কৰিব লাগে। কেন্দ্ৰই কি ভাবে আমাক ঠগাই আছে আৰু কেনেকৈ তাৰ সমাধান কৰিব পাৰি তাৰে পৰিপ্ৰেক্ষিতত মই দুটা মান কথা উল্লেখ কৰিব বিচাৰিছো। ইং ১৯৮৭-৮৮ চনৰ ৫৭৫ কোটি টকা, ইং ১৯৮৮-৮৯ চনত ৬১০ কোটি টকা দিছে। কিন্তু দেখা যায় এইটো প্লেনিং কমিশ্বনে ৰিকোমেণ্ড নকৰে। কাৰণ প্লেনিং কমিশ্বনে ৰিকোমেণ্ড কৰিলে কাৰেণ্ট বাজেটত শতকৰা দহ টকাকৈ বঢ়াব

লাগে। ইং ১৯৮৮-৮৯ চনত ৬৩২ কোটি ৫০ লাখ হব লাগিছিল। কিন্তু বাজেটত ৬১০ কোটিহে হল। মানে প্লেনিং কমিশ্বনে ইং ১৯৮৯-৯০ চনত ৬৭১ কোটি টকা হব লাগিছিল দহ পার্চেন্টনকৈ বঢ়োৱা হলে, কিন্তু ইং ১৯৮৯-৯০ চনত ৬৩৫ কোটিহে হৈছে। আমাৰ চৰকাৰৰ প্লেনিং কমিশ্বনৰ লগত বাজেট সম্পৰ্কে যোগাযোগ কৰি থাকিব লাগে। যোৱা কেইবছৰৰ দেফিছিটৰ মূল কাৰণটো হ'ল ১৮০ কোটি টকা কৰ্ম্মচাৰীসকলক দৰমহা দিওঁতে খৰচ হল। ১৫০ কোটি টকা ইন্টাৰেষ্ট ওভাৰ ড্ৰাফ আদিত গল। গতিকে মুঠ ৩৩০ কোটি টকা দেফিছিট হোৱা দেখা গল। এতিয়া কথা হৈছে, এতিয়া যিটো আৰ্থিক সংকটৰ সন্মুখীন হৈছো, মাননীয় সদস্য সকলে বিশেষকৈ বিৰোধী পক্ষৰ সদস্য সকলে ভাবিছে টকা আমাৰ আহিছে কিন্তু খৰছ কৰিব পৰা নাই, খাইছে, ডেভেলাপমেণ্ট ৱৰ্ক কৰিব পৰা নাই। কিন্তু কথা হৈছে আমাৰ যিটো চেণ্ট্ৰেল এচিচটেন্স আছে সেইটো শতকৰা ৯০ ভাগেই ল'ন আৰু শতকৰা ১০ ভাগহে গ্ৰাণ্ট হিচাবে দিয়ে। কিন্তু সমস্যাটো হৈছে হিলচ বিলাকলৈ। তেওঁলোকক ৯০ ভাগেই অনুদান হিচাবে দিয়া হয়, আৰু মাত্ৰ শতকৰা ১০ ভাগহে ল'ন হিচাবে দিয়া হয়। এতিয়া দুয়োটা যদি এভাৰেজ কৰা হয় দেখা যায়, শতকৰা ৩০ ভাগ অনুদান আৰু শতকৰা ৭০ ভাগ ল'ন হিচাবে দিয়া হয়। যিহেতুকে আমাৰ ল'নৰ পৰিমান বেচি সেই কাৰণে আমি ইন্টাৰেষ্ট দিওঁতেই আমাৰ বাজেটৰ ডেফিচিট হয়। আনহাতে ডেভেলাপমেণ্টৰ কামবিলাক কৰিব নোৱাৰি। আমাৰ পূৰ্ব্বাঞ্চলত অনুন্নত অৱস্থা বেছি। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা যিটো টকা আহে সেইটো শতকৰা ভাগ ৫০ কৈ ল'ন আৰু শতকৰা ৫০ কৈ গ্ৰেণ্ট হব লাগে। অসমৰ বাইজে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকাৰ অংশ অনাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰিব লাগিব। যদি অসমৰ ৰাইজে আন্দোলন নকৰে, তেতিয়া হলে অসমৰ উন্নতি নহব।

---

* Speech not corrected

যদি আন্দোলন নকৰে তেনেহলে অসমৰ কোনো উন্নতি নহব। বানপানীৰ কাৰণে যি সাহাৰ্য্য দিছে সেইটো সাহাৰ্য্য নহয়, সেইটোও ল'নহে। বানপানীৰ সাহাৰ্য্যৰ কাৰণে দিয়া শতকৰা ৭০ ভাগ ল'নহে। বছৰি বছৰি বানপানীৰ সাহাৰ্য্যৰ নামত দিয়া ল'ন বাঢ়ি গৈ আছে। আমাৰ ইয়াৰ ডিচপেৰিটি ইনজাষ্টিচ হৈছে বুলি ভাবিবৰ থল আছে। পূৰ্ব্বাঞ্চলৰ ৰাজ্য আন বোৰত গ্ৰাণ্টৰ পৰিমান বেছি আৰু ল'নৰ পৰিমান কম, আৰু আমাৰ অসমৰ ক্ষেত্ৰত গ্ৰাণ্টৰ পৰিমাণ কম, অথচ ল'নৰ পৰিমান বেছি। কিন্তু আমি লক্ষ্য কৰিব যে লাগিব উত্তৰ-পূৰ পৰিষদৰ লগত যাতে আমি বেছি যোগাযোগ ৰাখিব পাৰো। কিয়নো এন-ই-চিৰ পৰা সাহাৰ্য্য শতকৰা ৭০ ভাগ আৰু ল'ন শতকৰা ৩০ ভাগহে। সেই কাৰণে আমাৰ অসমৰ উন্নতিৰ কাৰণে বেছি ভাগ আঁচনি এন-ই-চিৰ জৰিয়তে লোৱাৰ ব্যৱস্থাৰ প্ৰতি মনোযোগ দিব লাগে। খাৰুৱা তেলৰ ৰাজহ বৃদ্ধিৰ কথালৈ চালে পাম যে আমাৰ অসমখন বিভিন্ন দিশত বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা পৰিবেষ্টিত সেই কাৰণে উন্নয়ণমূলক কাম-কাজ কৰিবৰ কাৰণে আমাৰ ইয়াত বেছি ধনৰ প্ৰয়োজন হয়। গুজৰাটৰ ক্ষেত্ৰত খাৰুৱা তেলৰ ৰাজহ বৃদ্ধি ন'হল বুলিয়েই যে অসমতো হব নালাগিব তাৰ কোনো কাৰণ থাকিব নোৱাৰিব। আমি খাৰুৱা তেলৰ ৰাজহ ৩৪০ টকা বিচাৰিছো কিন্তু সেইটো অগ্ৰাধিকাৰ ভিত্তিত পোৱাৰ কাৰণেও আমি অসমৰ পৰা আন্দোলন কৰিব লাগিব। নহ'লে উন্নয়নমূলক কাম-কাজ কৰিব নোৱাৰিম। অসমত ৰিচোৰ্চ মবিলাইজেশ্বন কৰাৰ কথা কৈছে, যদিও অসমত শতকৰা ৯০ ভাগ লোক গাৱঁত বাস কৰে আৰু শতকৰা ১০ ভাগলোকহে চহৰ এৰিয়াত বাস কৰে। তাৰ উপৰিও প্ৰতি বছৰত এটা-দুটা নহয় চাৰি - পাচোটাকৈ বানপানী হৈয়েই থাকে। গতিকে ৰিচোৰ্চ মবিলাইজ কৰাৰ অসুবিধা আছে। কেন্দ্ৰীয় সাহাৰ্য্যৰ ক্ষেত্ৰত ল'নৰ পৰিমাণ কমাব লাগিব। এই ক্ষেত্ৰত মই এটা পৰামৰ্শ

আগবঢ়াব খুজিছো। আমাৰ মাননীয় সদস্য শ্ৰীকলিতা ডাঙৰীয়াই ও কৈছে যে বাজেটখন স্ক্ৰুটিনিৰ ব্যৱস্থা কৰিব লাগে। বিধায়ক সকলক কোন হেডত কিমান টকা দিছে জনাব লাগে। এই ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিব লাগে। আমাৰ সৰ্ব্বমূষ্ঠ ৪৪ টা পাবলিক আণ্ডাৰটেকিং আছে। সেই বিলাকে ল'চ কৰা কাৰণেই বন্ধ কৰিলেই সমস্যাৰ সমাধান নহয়। তাৰ সলনি যি সকলে ভাল কাম কৰে সেই বিষয়াক বন্ধ কৰিলেই সমস্যাৰ সমধান নহয়। তাৰ সলনি যি সকলে ভাল কাম কৰে সেই বিষয়াক পুৰস্কৃত কৰাৰ ব্যৱস্থা ৰাখিব লাগে আৰু বেয়া কাম কৰা সকলক শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাকে নকৰি বন্ধ কৰি দিলে সমস্যাৰ সমাধান নহয়। এই ধৰণে পাব্লিক আণ্ডাৰটেকিং বিলাকৰ কাৰণে বন্ধষ্টেপ ৰব লাগে। তাৰ উপৰিও চোচিয়েল ফৰেষ্ট্ৰিৰ দ্বাৰা সহজে হোৱা কদম, ইউ কেলিপ্টাচ আদি গছ ৰুব লাগে। তাৰ উপৰিও বাহঁ আদি ৰুই সেই বিলাক পেপাৰ মিল বিলাকত সলনা সলনি কৰি ব্যৱহাৰ কৰিব পাৰিলে তাৰ পৰাও ৰাজহ পোৱা যাব। সেই গছ বিলাক চাৰি পাচ বছৰৰ ভিতৰতে ডাঙৰো হয় আৰু তাৰ পৰা ৰাজহো লাভ কৰিব পৰা হব। সেই বিলাক পলিষ্টাৰ উদ্যোগতো ব্যৱস্থাৰ কৰিব পৰা হয়। তাৰ পিচত প্ৰফেচনেল ষ্টেন্সৰ ক্ষেত্ৰত কওঁ যে বিশ হাজাৰলৈকে আয় কৰা সকলৰ ক্ষেত্ৰত এই কৰৰ ৰেহাই দিব লাগে। কিয়নো পিয়ন চকিদাৰ আদিও সেইখিনি দৰমহা পায়। তাৰ উপৰত ৫৫০ টকাকৈ ম্সেৰ কৰি বঢ়াব পাৰে। ৰিচোৰ্চ কৰিলাইজেচন কৰিৰলৈ যাওঁতে চোচিয়েল ফৰেষ্ট্ৰি আদিৰ ওপৰিও কমাৰচিয়েল দিশটোৰ ওপৰত গুৰুত্ব দি বালু আদি যোগান ধৰাৰ পৰাও ৰাজহ আদায়ৰ ব্যৱস্থাত জোৰ দিব লাগে। ইয়াকে কৈ ৰাজেত বক্তৃতা সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিছো। ধন্যবাদ।

শ্ৰীহিৰণ্য কুমাৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, এখন চৰকাৰৰ বাজেটখনে সেই চৰকাৰৰ মতাদৰ্শ দিশত আৰু অৰ্থনৈতিক ক্ষেত্ৰত জনসাধাৰণৰ তিফলিত হয়। কিন্তু মন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট দাখিল

কৰিছে সেই খন গোটেই কেবিনেটতে যুগুতোৱা এখন বাজেট। এই বাজেটখন প্ৰকাশ কৰাৰ আগতে কেবিনেটত নিশ্চয় পুংখানুপুংখ ভাৱে বিবেচনা হৈ আহিছে। বিধান সভাত এই বাজেটখনৰ বিষয়ে আলোচনা-বিলোচনা হোৱাৰ পিচত কেতিয়াবা সাল-সলনিও কৰা হয়, তাত আচৰিত হবলগীয়া একো কথা নাই। কিন্তু উপাধ্যক্ষ মহোদয়, এইবাৰ অসমত বাজেটখন উৎথাপিত হোৱাৰ পিচত আলোচনা বিলোচনা হোৱাৰ পূৰ্ব্বেই কিছুমান কৰ প্ৰত্যাহাৰ কৰিলে। বাজেট-খনৰ বিষয়ে বাইজৰ মাজত প্ৰতিক্ৰিয়া হোৱা দেখি প্ৰত্যাহাৰ কৰাটো সমগ্ৰ দেশৰ ভিতৰতে বিৰল। বাজেটখন সদনত দাখিল কৰাৰ ৪ দিনৰ পিচতেই চৰকাৰে ৰাখিবলৈ অপাৰগ হল। কাৰণ যুদ্ধ হোৱাৰ আগতেই এই চৰকাৰে পৃষ্ঠভঙ্গ দিলে।

Shri A. F. Goolam Osmani : Sir, I draw your kind attention to the fact that the Treasury Benches have left the House hearing the criticism ....

* শ্ৰীহিৰণ্য কুমাৰ বৰা : উপাধ্যক্ষ মহোদয়, সঁচা কথা কবলৈ গলে অসমৰ নগৰে-চহৰে এই চৰকাৰৰ সমৰ্থন ভাঙিছে। সাধাৰণ মানুহৰ ওপৰতে কৰ আৰোপ কৰা দেখা গৈছে। অসমৰ দৰে এখন দুখীয়া দেশৰ ৰাইজৰ য'ত জনমুৰি আয় ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যতকৈ বহুত কম। উপাধ্যক্ষ মহোদয়, বাজেটখন দাখিল কৰাৰ পিচত পুনৰ উঠাই লোৱাৰ বাবে প্ৰমাণ কৰি দিলে যে এইখন জন-বিৰোধী বাজেট। জন-বিৰোধী চৰিত্ৰ এতিয়াও শেষ হোৱা নাই। সেইটো অমূলক। ইয়াৰ ৪৫ কৌটি টকা ৰাজহ সংগ্ৰহৰ কৰা হৈছে। সেয়া ৰাজকোষলৈ নিয়াৰ কাৰণে ৰাজ্যখনত এটা সমান্তৰাল অৰ্থনৈতিক সংকট হৈছে। আমাৰ যি সকলৰ ব্যৱসায় আছে তেওঁলোকে ওচৰ চুবুৰীয়া ৰাজ্য লৈ গৈ নিজৰ ব্যৱসায় পোহাৰ খুলিব। ইয়াৰ ওপৰিও উপাধ্যক্ষ মহোদয়, ইয়াত অভাৰ টেক্স লগাইছে ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ

---

* ( Speech not corrected )

বেছি। উপাধ্যক্ষ মহোদয়, অতিৰিক্ত ৭½% পশ্চিমবঙ্গত ২৫ লাখৰ পৰা ৫০ লাখলৈ ১% আৰু ৫০ লাখৰ পৰা ১ কোটিলৈ ১% আৰু ১ কোটিৰ পৰা ওপৰত ১½% আৰু আমাৰ অসমত ১০ লাখৰ পৰা ২৫ লাখলৈ ½% ২৫ লাখৰ পৰা ৫০ লাখলৈ ১% আৰু ৫০ লাখৰ ওপৰত ১½%। গতিকে উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ নিবনুৱা স্বাবলম্বী যুবক সকলৰ ওপৰতে মাধমাৰ দিছে। ইমানকৈ কৰ লগালে জীৱন ৰক্ষাৰ কাৰণে টান লৈ পৰিব। উপাধ্যক্ষ মহোদয়, দুটা কথাই সত্য। এটা কথা হৈছে, বেঞ্জামিন ফ্ৰেঙ্কলিনৰ কথা হৈছে মৃত্যু আৰু কৰৰ পৰা হাত সাৰিব নোৱাৰি, কিন্তু জন্মৰ পৰা হাত সাৰিব পাৰি। উপাধ্যক্ষ মহোদয়, মই এটা গুৰুতৰ অভিযোগ আনিব বিচাৰিছো যে এই চৰকাৰে গছ কাটিবলৈ পাৰ্মিট দিয়া নাই। অসমৰ কেন ডিলাক্সৰ পূৰ্ব্বতে ৫০০ গছ কাটিবলৈ বন্ধ কৰি দিছে। এই চৰকাৰৰ বিৰুদ্ধে আপীল কৰিছিল ৰিনিউ কৰিবৰ কাৰণে কৰ্টে ৰায় দিছিল যদিও চৰকাৰে আওকান কৰি ৰিনিউ নকৰিলে আৰু পাৰ্মিচনো নিদিলে। এই চৰকাৰৰ দিনতে বগাই খাছ অঞ্চলত ২১ হেজাৰমান বহু মূল্যবান গছ কাটি তহিলং কৰিলে। গতিকে ইয়াৰ অন্তৰালত কি আছে গভীৰ ভাৱে চিন্তা কৰিলে নিশ্চয় বুজিব পাৰিব। সেই কাৰণে মই মাননীয় বন-বিভাগৰ মন্ত্ৰীৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো লগতে বিধান সভাৰ কেইজনমান সদস্যৰ দ্বাৰা এখন কমিটি গঠন কৰি এই বিষয়ে তদন্ত কৰিবলৈ দিব লাগে। উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয় বাজেটখন দাঙি ধৰাত মই বাজেটখনৰ প্ৰতি বিৰুদ্ধাচৰণ কৰিছো।

Shri Ramendra De : Sir, may I speak, if due permits.

* শ্ৰীডালিম ৰায় : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মূখ্যমন্ত্ৰী মহোদয়, যিখন বাজেট উৎথাপন কৰিছে আৰু ইয়াৰ ওপৰত যি সংশোধনী আনিছে তাৰ বাবে মই এই বাজেটখনক পূৰ্ণ সমৰ্থন জনাইছো। কৰ বৃদ্ধি বিষয়টো লৈ সদনত মাননীয় সদস্য সকলে সাধাৰণ ৰাইজৰ ওপৰত কৰৰ বোজা পৰিব বুলি বিভিন্ন ধৰণে সমালোচনা

* ( Speech not corrected )

কৰিছে আৰু প্ৰতিজন বিৰোধী পক্ষৰ সদস্যৰ বক্তব্যৰ অন্তৰালত এটা আশংকা হৈছে যে আম্যৰ এই কালচোৰাত বাজেটখন পাচ হলে আমাৰ নিজৰ নিজৰ সমষ্টিত জনপ্ৰিয়তা হেৰুৱাম নেকি আৰু তাৰ বাবে বিভিন্ন ধৰণে সমালোচনাৰ জৰিয়তে বাজেটখনৰ বিৰোধিতা কৰিছে। কিন্তু মই ভাবো এই ৰাজ্যখনৰ পৰিস্থিতি উপলব্ধি কৰি ধনীক শ্ৰেণীৰ লোকৰ ওপৰত বিশেষকৈ আমোদজনক আৰু বিলাসিতা সামগ্ৰীৰ ওপৰত যি কৰ বৃদ্ধি কৰা হৈছে, এই কৰ বৃদ্ধি কৰাৰ প্ৰয়োজন আছে। কাৰণ এই ৰাজ্যখনত আমি দেখিবলৈ পাইছো, কিছু সংখ্যক লোকে বা ক'লা ব্যৱসায়ীয়ে অনিয়মিত তথা দূৰ্নীতিপৰায়ন কাৰ্য্যত লিপ্ত হৈ কোটিপতি হৈ আছে। আৰু অধিক সংখ্যক গৰীৱ শ্ৰেণীৰ লোক বা জনসাধাৰণে মাটি সম্পত্তি হেৰুৱাই অসহায় হৈ পৰিছে। গতিকে এইখন বাজেটত কৰৰ পৰা ৰেহাই পোৱা বাজেট হব। অৱশ্যে আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে বাজেট জন-বিৰোধী বুলি কৈছে কাৰণ মাননীয় মূখ্যমন্ত্ৰীয়ে ঘাটিৰ ধন পুৰাবলৈ কৰ আৰোপ কৰিবলৈ বাধ্য হৈছে। এই সম্পৰ্কে তেখেত সকলে বিভিন্ন বক্তব্য ডাঙি ধৰিছে। কিন্তু তথাপি মই এই সম্পৰ্কত কব খুজিছো যে আজি আমাৰ ৰাজ্যখনত ঘাটি বাজেট উৎথাপন কৰিবলগীয়া হ'ল কিয় আৰু এই অৰ্থনৈতিক নাটনি হোৱাৰ কাৰণে দায়ী কোন, যদিও কোনোবাই কব খোজে যে এ জি পি চৰকাৰৰ কাৰণে ৰাজ্যখনত অৰ্থনৈতিক নাটনি হৈছে সেইটো মই স্বীকাৰ নকৰিম। কাৰণ আজি আমি পূৰ্ব্বৰ পৰাই দেখিবলৈ পাইছো ৰাজ্যখনৰ অৰ্থনৈতিক পূজি টনকিয়াল কৰিবৰ কাৰণে বিভাগ বিলাক যেনে ধৰণে পৰিচালনা কৰিব লাগিছিল বা যেনে ধৰণে শাসন চলাব লাগিছিল তেনে ধৰণৰ নিয়ম-নীতিত চলা নাছিল। যথেষ্ট অনিয়ম অনীতিৰ মাজেদি চলিছিল। বিগত ৪০ বছৰে এই কংগ্ৰেছ দলে এই ৰাজ্যখন শাসন কৰি থকাৰ পিছত আজি ইয়াত দূৰ্নীতিয়ে চৰম সীমা পাইছেহি আৰু সাধাৰণ ৰাইজৰ মাজত দূৰ্নীতি শিপাই গৈছে। ৪০ বছৰে শাসনত থকা বিষয়াই হওক, বা এজন শাসনাধিস্থ নেতাই হওক এই যিটো দূৰ্নীতি কৰা অভ্যাস এইটো তিনিবছৰতে নাই-

কীয়া কৰিব নোৱাৰে। আমাৰ চৰকাৰৰ দিনতও এতিয়া যি বিলাক দূর্ণীতি চলি আছে, সেইবিলাক ইমান দিনৰ পৰা চলি অহা অভ্যাস এটা এৰিব নোৱাৰাৰ কাৰণে হৈছে। মই ভাবো আমাৰ যদি কিছু সামগ্ৰীৰ ওপৰত কৰ বৃদ্ধি কৰিছে, এই অধিক কৰৰ ধন যদি আমাৰ চৰকাৰে নিয়মিত ভাবে ভাল কামত খৰচ কৰিব পাৰে তেতিয়া হলে মই কম, এই বাজেটখনে আমাৰ ৰাইজৰ জনপ্ৰিয়তা অৰ্জ্জন কৰিব পাৰিব। অৱশ্যে এই কথা ঠিক যে যদি আগৰ চৰকাৰৰ দিনত হোৱাৰ দৰে এই ধন অনিয়মিত ভাবে খৰচ বা অপচয় কৰা হয় তেতিয়াহে এই বাজেটখন জন-বিৰোধী বুলি কব, এইটো হয়। তাৰ কাৰণে মই কেইটামান পৰামৰ্শ দিবলৈ বিচাৰিছো। কৰ বৃদ্ধিৰ সুবিধা লৈ ব্যৱসায় মহলে এাৰু ধনী শ্ৰেণীৰ লোকে সকলো সামগ্ৰীৰ ওপৰত মূল্যবৃদ্ধি কৰিব নোৱাৰে তাৰ বাবে চোকা দৃষ্টি ৰাখিব লাগিব। ৰাজ্যখনৰ ৰাজহ বৃদ্ধিৰ কাৰণে কিছুমান পৰামৰ্শ আগবঢ়াইছো। আমাৰ যি কেইটা বিভাগে চৰকাৰী ধনৰ লোকচান কৰি আছে সেইকেইটা বিভাগত কিছু নতুন নিয়ম প্ৰস্তুত কৰিব লাগে। যেনে আমাৰ পৰিবহন বিভাগটোৱে বছৰি বছৰি লোকচান দেখুৱাইছে। নতুন গাড়ী কিনাৰ নামত অধিক ধন খৰচ কৰিছে। মই ভাবো এই বিভাগটোৱে নতুন বাচ বা গাড়ী কিনা বন্ধ কৰি যি থিনি পূৰণা বাচ আছে সেই বিলাক মেৰামতি কৰি চলাব লাগে। আৰু এই বাছৰ অধিকাংশ যাত্ৰী অহা-যোৱা কৰা স্বত্বেও কি কাৰণত এই বিভাগটোৱে লোকচান ভৰি আছে, তাৰ এটা বিশেষ তদন্ত ব্যৱস্থা কৰিব লাগে। মই আমাৰ চৰকাৰৰ এচ, এ, দি বিভাগৰ সম্পৰ্কত এটা পৰামৰ্শ দিব বিচাৰিছো যে এচ, এ, ডি বিভাগৰ যিমান বিলাক গাড়ী আছে, এই গাড়ী বিলাক মেৰামতি কৰোতে সম্পূৰ্ণৰূপে বিভাগৰ জৰিয়তে কৰা হয়। যি সকল ব্যক্তিয়ে এই গাড়ী ব্যৱহাৰ কৰে তেখেত সকলে এই গাড়ী ব্যৱহাৰ কৰোতে নিজৰ ধনেৰে মেৰামতি

* ( Speech not corrected )

কৰাৰ দৰে দায়িত্ব লব লাগে। কাৰণ এই গাড়ী বিলাক মেৰামতি কৰোতে চৰকাৰৰ যথেষ্ট ধনৰ অপচয় হৈ আছে। গতিকে ইয়াৰ কাৰণে চোকা দৃষ্টি ৰাখিব লাগে।

( সময়ৰ সংকেত )

আমাৰ ঘাটি ধন পুৰাবৰ কাৰণে আৰ, টি পাৰমিটৰ জৰিয়তে বিভিন্ন জিলা বিলাকত পাৰমিট দিয়াৰ ব্যৱস্থা কৰিব লাগে। কোনো কোনো জিলাত যদিও দিয়া হৈছে, কিন্তু আমাৰ ধুবুৰী জিলাত দিয়া হোৱা নাই। যিহেতু সেই জিলাত বহুতো দাবী আছিল, গতিকে তাত নিবনুৱা যুৱকক পাৰমিট দিয়াৰ ব্যৱস্থা কৰিব লাগে। ঠিক তেনেদৰে ধুবুৰী জিলাত হোলাৰ মিলৰ পাৰমিট দিয়া হোৱা নাই, এই পাৰমিট দিয়াৰ ব্যৱস্থা কৰিব লাগে, কিয়নো এই ব্যৱস্থা বিলাকৰ জৰিয়তে আমাৰ আয়ৰ পথ বৃদ্ধি হব। এই খিনিকে পৰামৰ্শ আগবঢ়াই মই সামৰণি মাৰিব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ ঃ আপুনি বহক, এতিয়া শ্ৰীদীগেন্দ্ৰ পুৰকায়স্থই কব।

Sri Digendra Purkayastha : Mr. Deputy Speaker Sir, at the very out set I thank you for giving the chance for saying on the budget. The budget which was placed by the Hon'ble Chief Minister, who is also holding the portfolio of finance on 27th March, where he has shown Rs. 373 crores as deficit. Sir, a deficit budget is not a new thing of the State or of the Centre. But we must see why this deficit has been shown in the budget, because I think, money which was sought from the Centre or State sources are not properly utilised. There are some wasteful expenditure as many of the Hon'ble members have already said. Some of the Hon'ble members have described some of the depart-

ments as 'white elephant's such has A.S.T.C, A.S.E.B, A.T.C some other public undertakings and Corporations. So, many Hon'ble members have suggested to see if the Boards and Corp rations can be made productive and made efficient. Then there will be more income and income sources of the State will increase as our Hon'ble ex-Chief Minister, Mr. Sarat Chandra Sinha has said that there is no discipline in financial matters. So, until and unless financial discipline is returned, the financial position of the State will not be better in future. I also support that there should be strong financial discipline in the State and thereby sources of the State can be increased. Sir. I think, it will not be out of place to mention to state that this Government has created an Accord Implementation Deptt with a Cabinet Minister and huge number of staff have been posted there. Sir, this Accord was signed between the AASU and the Central Government and we hope and we earnestly desire that this Accord should be implemented in letters and spirit. Sir, one of the main objects of the Accord was to find out names of the foreigners, deportation of foreigners and deletion of names from the voters list. But Sir, in the Governor's address which was placed in this August House, we/find how many foreigners have been deported, how many foreigners have been detected.

So, Sir, I think this Deptt is a wasteful Deptt and I suggest that the Government should stop this wastful expenditure and close down this Deptt. The Home Deptt is competant enough to deal with these matter on foreigners. I conclude here with a Bengali poem .....

"এ কেবল দিন রাত্রে
জল ঢালা ফুটা পাত্রে
বৃথা চেষ্টা তৃষ্ণা মিতাবারে।"

Thank you Sir.

মাননীয় উপাধ্যক্ষ : এতিয়া মাননীয় সদস্য কিৰণ কুমাৰ গগৈয়ে কব।

* শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্য সকলৰ কথা বিলাক শুনি এতিয়া মোৰ বক্তব্য ৰাখিব বিছাৰিছো। জয় জয়তে মই আমাৰ বিত্ত তথা মূখ্যমন্ত্ৰী ডাঙৰীয়াই যি বাজেট যোৱা ২৭ তাৰিখে উৎথাপন কৰিলে তাক মই পূৰ্ণ সমৰ্থন কৰিছো। এই বাজেটখন আত্ম-স্বাবলম্বীমূলক আৰু বাস্তৱমুখী বাজেট আৰু আগৰ বাজেটতকৈ কিছু অগতানুগতিক বাজেট বুলি অভিহিত কৰিছো। কিয়নো আগৰ বাজেট বিলাকত গতানুগতিকতা দেখা পোৱা গৈছিল কিন্তু এই বাজেটখনত স্পষ্ট ভাবে প্ৰকাশ পাইছে যে ইয়াত কোনো গতানুগতিকতা নাই। এই বাজেটখনত নিজৰ ভৰিত ঠিয় হৈ যাতে নিজে খাব পাৰে সেইটোহে প্ৰকাশ পাইছে। বাজেটখন আলোচনা কৰিবলৈ যাওতে ওপৰে ওপৰে চালেই নহব। ইয়াৰ ভিতৰত সোমাবলৈ চেষ্টা কৰিব লাগিব। মই ভিতৰত সোমাইহে কৈছো। পৰিকল্পনাৰ পৰিসৰ যিমানেই বাঢ়ি গৈছে সিমানেই ধাৰৰ বোজা বাঢ়ি গৈছে। সেয়ে ইং ১৯৮৯-৯০ চনত ৬১০ কোটি ধৰা হৈছে আৰু সেই অনুপাতে ধাৰৰ বোজা ৩৭৬ কোটি টকা হৈছেগৈ। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ যিটো নীতি সেইটো সলনি হোৱা নাই। মাননীয় সদস্য শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়াই কৈছে যে অসমৰ অঙ্গস্বৰূপ ৰাজ্য, পূৰ্ব্বাঞ্চলৰ ৰাজ্য

* Speech not corrected

বিলাকে শতকৰা ৯০ ভাগ অনুদান পাইছে কিন্তু তাৰে অসমে কিমান পাইছে। অসমে পাইছে মাত্ৰ শতকৰা ৩০ ভাগ অনুদান আৰু ৭০ ভাগ ধাৰ হিচাবে। এই ডিচক্ৰিমিনেচনটো বহু দিনৰ পৰাই হৈ আছে। এতিয়া এই বোজাটো আহি আহি ইং ১৯৯৮-১৯৯০ চনত ৩ হাজাৰ ৪ শ কোটি টকা ধাৰ হৈছে গৈ। কিন্তু এইটো আপোনালোকে জানিও বিৰোধী পক্ষৰ সদস্য সকলে স্বীকাৰ কৰি লোৱা নাই। সেইটো কিয় হবলৈ পাইছে আৰু ইয়াৰ কাৰণে আজি আমাৰ ৰাজ্যখনত বিত্তীয় পৰিস্থিতিটোৰ এটা স্থবিৰতা আহিছে। এইটো সকলোৱে জানে যে ৰাজ্যখনত উপৰ্যুপৰি বানপানী, খৰাং বতৰ, মাছৰ ৰোগ ইত্যাদি বিপৰ্য্যয়ে ৰাজ্যখনৰ অৰ্থনীতিৰ ওপৰত গধূৰ হেচা পেলাইছে। কিন্তু বিৰোধী পক্ষৰ সদস্য সকলে সেই বিলাক কথা উল্লেখ নকৰি কেৱল বাজেট খনক লৈ আমাৰ চৰকাৰৰ ওপৰত দোষাৰোপ কৰিছে। সমালোচনা কৰাত আমি বেয়া পোৱা নাই, ভালেই পাইছো। কিয়নো সোণ যিমানেই পুৰিব সিমানেই উজ্বল হব। ঠিক তেনেদৰে সমালোচনা কৰিলে আমাৰ চৰকাৰো উজ্বল হব। কিন্তু আপোনালোকে সমালোচনা কৰোতে আপোনালোকৰ নিজৰ কথা কিছুমানহে ওলাই পৰিছে। যেনেকৈ কেচু খান্দোতে সাপ ওলাই পৰে। এই বাজেটখন আলোচনা কৰিবলৈ যাওতে আজি কেন্দ্ৰীয় চৰকাৰে অসমৰ সম্পদ আহৰণ কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিছে, বানপানীৰ সময়তো পৰ্য্যাপ্ত পৰিমাণৰ সাহাৰ্য্য নিদিয়াকৈ অসমৰ জনসাধাৰণক বঞ্চিত কৰিছে, তাৰোপৰি অসমৰ ন্যাৰ্য্য খাৰুৱা তেলৰ ৰয়েলিটি ইত্যাদি পোৱাৰ পৰা বঞ্চিত কৰিছে এই কথা বিলাক ওলাই পৰিছে। আজি জোলোঙাৰ মেকুৰী ওলাই পৰিছে। আমিও এই বাজেটৰ আলোচনাত অংশ গ্ৰহণ কৰি এই কথা বিলাক সমালোচনা কৰিবলৈ বাধ্য হৈছো। বিৰোধী পক্ষৰ সদস্য সকলে কেন্দ্ৰীয় চৰকাৰে অসমৰ প্ৰতি কৰা বৈষম্যমূলক বা অনীতি আদিৰ ক্ষেত্ৰত এযাৰো মাত দিয়া নাই। কিয়নো যদি তেখেত

সকলে এই বিষয়ত মন্তব্য দিয়ে তেতিয়া হয়তো তেওঁলোকৰ ৰাজনৈতিক মুনাফা আদায় কৰাৰ যি উদ্দেশ্য সেইটো সাধিত নহব আৰু টিকটও নাপাব পাৰে। আজি বাজেট খন সমালোচনা কৰাৰ সময়ত আমি সকলো কথাই চিন্তা কৰিব লাগিব যে আজি এই বাজেটখনত মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই অসমখনক আনৰ মুখাপেক্ষী নোহোৱাকৈ কেনেকৈ নিজৰ ভৰিত নিজে ঠিয় হব পাৰে তাৰেহে ব্যৱস্থা কৰিছে।

উপাধ্যক্ষ মহোদয়, যোৱা নবেম্বৰ মাহৰ অধিবেশনতে এটা প্ৰস্তাৱ লোৱা হৈছিল যে আমি তেলৰ বাবে পোৱা ৰয়েলিটি প্ৰত্যেক টনতে আগৰ ১৯২ টকাৰ ঠাইত ৩৫০ টকাকৈ ধাৰ্য্য কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছিলো। কিন্তু সেইটো আজিও হৈ উঠা নাই। আমাৰ বিৰোধী দলৰ সদস্য সকলে সকলো সময়তে চৰকাৰক সমালোচনা কৰাতহে ব্যস্ত আছে কিন্তু তেওঁলোকে কেতিয়াও কেন্দ্ৰীয় চৰকাৰক এই বিষয়ত হেচা দিয়া দেখা নাই। সেই কাৰণে তেওঁলোকেও এই বোৰ বিষয়ত চকু দিব লাগে আৰু অপ্ৰিয় হলেও তেওঁলোকৰ যি বিলাক দোষ বা সকলো সময়তে অসম গণ পৰিষদৰ চৰকাৰক সমালোচনা কৰা স্বভাৱটো স্বীকাৰ কৰি লব লাগে। এইখিনিতে মই এটা কথা কব বিছাৰিছো যে কেইবাজনো বিৰোধী দলৰ সদস্যাই চৰকাৰৰ কেইটামান অনুস্থান প্ৰতিস্থানক 'বগা হাতী' আখ্যা দি নানা ধৰণে সমালোচনা কৰিছে। কিন্তু মই কব খোজো যে এই বগা হাতী বোৰ তৈয়াৰ কৰিলে কোনে? তেওঁলোকে সুদীৰ্ঘ ৪০ বছৰীয়া কাৰ্য্য কালতেই সেই পোৱালী হাতীতো বুঢ়া হৈ বগা হল। এতিয়া আমি সেই বগা হাতী কেইটাকে কলা ৰং দিবলৈ চেষ্টা কৰিছো যদিও সি এতিয়াও সম্পূৰ্ণ ক'লা হৈ উঠা নাই। সুদীৰ্ঘ ৪০ বছৰীয়া অত্যাচাৰত আৰু ইয়াৰ বয়সৰ সীমা পাৰ হৈ যোৱাৰ ফলতেই এই বগা হাতী কেইটাৰ আজি যি অৱস্থা হৈছে তাক আমি ইমান সোনকালে ভাল কৰিব পাৰিম বুলি কথা দিব

নোৱাৰো যদিও সেই কেইটাক পাৰ্ট্যমানে ভাল কৰিবলৈ চেষ্টা চলাই আছো।

